জুন 2002 Rs. 10/-

চান্দমামা



ভিতৰত আছে **বসুধা**

১৬ পৃষ্ঠাৰ এক পৰিশিষ্ট

Sponsored by
National Foundation for India

ON THE SCENTED TRAIL

Chandana is looking for adventure. Leaving her family holidaying at Coorg, she treks off into the nearby forest in search of fun and excitement. She doesn't know that she is in a sandalwood forest - till a sandalwood tree begins speaking to her.

Did you know the sandalwood, whose Latin name is *Santalum Album*, grows largely in the States of Karnataka and Tamil Nadu? Some important sandal producing places in Karnataka are Dharwad, Shimoga, Chikmagalur, Mercara, Mysore, and Bangalore.



DO YOU KNOW WHY THE SANDALWOOD TREE IS SO SPECIAL? SIMPLE! BECAUSE IT'S VERY USEFUL TO US. SOME OF THE USES OF SANDALWOOD ARE ILLUSTRATED HERE. CAN YOU IDENTIFY THEM?

A B C D E

Answers : A - in making soaps. B - sandal paste as medicine. C - in perfumes. D - for worship. E - sandalwood carving

The house of Mysore Sandal has been bringing the goodness of sandalwood right into your homes for over 80 years.

A
ACTIVE
B
BUZZ
BOSS
C
CADET DX
D
DEVIL DX
E
ELEPHANT
F
FISH
G
GIRAFFE
H
HEN
I
INSECT
J
JOKER
K
KIDD DX
L
LI'L ANGEL
LAMBADA
LIMBO
M
MISSILE
MISS INDIA Jr
N
NEST
O
ORANGE
P
PIRANHA
Q
QUEEN Jr
R
ROBO COP
S
SPARKY
SALSA
T
TERMINATOR
HERO CYCLES
V
W
The largest range of kids bikes
HERO CYCLES
THE ABC OF CYCLING
ITA.5979.2001

এই সংখ্যাত আছে বৰ্ষ : ২৯ জুন ২০০২ সংখ্যা -৬

ভাৰতৰ পৌৰাণিক আখ্যান ২১

মৌন যোগী ১৫

মায়া সৰোবৰ ৭

গণেশ ৬১

এই মাহৰ বিশেষ আকৰ্ষণ

★ মায়া সৰোবৰ ... ১১ ★ মৌন যোগী (বেতাল কথা) ... ১৯ ★ ভাৰতৰ পৌৰাণিক আখ্যান-২ ... ২১ ★ ভাৰতৰ বিষয়ে জানি লোৱা ... ২৪ ★ জোঁৰ লোৱা পিশাচ ... ২৫ ★ ৰসিক ব্যক্তি--গোপাল ভাড় ... ২৮ ★ ইণ্ডিয়াস্কোপ ... ৩০ ★ বসুধা ...৩১ ★ কাশ্মীৰৰ লোক কথা ... ৫২ ★ ঋনদাতা ... ৫৮ ★ গণেশ ... ৬১ ★ জানা-নাজানো ... ৬৭ ★ চোৰ দামোদৰ ... ৭০ ★ অজেয় গৰুড় ... ৭৪ ★ চিকাৰীৰ কুকুৰ ...৬৫ ★ ফটো নামকৰণ প্ৰতিযোগিতা ... ৭৮

SUBSCRIPTION

For USA and Canada
Single copy $2
Annual subscription $20
Remittances in favour of
Chandamama India Ltd.
to
Subscription Division
CHANDAMAMA INDIA LIMITED
No. 82, Defence Officers Colony.
Ekkatuthangal, Chennai - 600 097
E-mail : subscription@chandamama.org

বৰঙণি
বিমান ডাকযোগে পৃথিবীৰ সকলো
দেশলৈ বাৰটা সংখ্যা ৯০০ টকা
সাধাৰণ ডাকত ভাৰতৰ ভিতৰত
বাৰটা সংখ্যা ১২০ টকা
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্ট বা
মনিঅৰ্ডাৰ যোগে
'চান্দমামা ইণ্ডিয়া লিমিটেড'ৰ
নামত পঠাব লাগিব

এই আলোচনীখনত ঠাই সংৰক্ষিত
কৰাৰ বাবে যোগাযোগ কৰক
চেন্নাই
ফোন : ০৪৪-২৩৪৭৩৮৪,
২৩৪৭৩৯৯
e-mail : advertisements
@chandamama.org
দিল্লী
মিচ মোনা ভাটীয়া
ফোন : ০১১-৬৫১৫১১১ /
৬৫৬৫৫১৩ / ৬৫৬৫৫১৬
মুম্বাই
মিঃ শকীল মোল্লা
মোবাইল : ৯৮২০৩-০২৮৮০
ফোন : ০২২-২৬৬১৫৯৯ /
২৬৬১৯৪৬ / ২৬৫৩০৫৭

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers.
Copying or adapting them in any manner/ medium will be dealt with according to law.

7-6-2002

সংস্থাপক
বি. নাগি ৰেড্ডি আৰু চক্ৰপাণি

পৃথিৱীক কোনে ধ্বংস কৰিছে, কোনে ৰক্ষা কৰিছে ?

আই বসুমতীৰ বহুতো নাম আছে । তাৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় নাম হ'ল পৃথিৱী। পৃথিৱী নাম কেনেকৈ হ'ল তুমি জানানে ?

আগতে পৃথিৱীৰ মানুহবোৰ বৰ সুখী আছিল । তেওঁলোকে মাটি চহাই বিভিন্ন শস্য উৎপাদন কৰিছিল । যি দেৱতাই বৰষুণ দিয়ে, বিভিন্ন ঋতুৰ সৃষ্টি কৰে সেই দেৱতাসকলৰ উদ্দেশ্যে তেওঁলোকে যজ্ঞ কৰিছিল । যেতিয়া এজন স্বেচ্ছাচাৰী শাসকে পৃথিৱী শাসন কৰিবলৈ ললে তাৰ পিছৰ পৰাহে বেয়া সময় আহিল । শাসকে ঘোষণা কৰি কৈছিল যে তেওঁৱেই ভগবান, মানুহে তেওঁকহে পূজা কৰিব লাগে । ঋষিসকলে তেওঁক বুজাবলৈ চেষ্টা কৰিছিল, কিন্তু সকলো বৃথা । গতিকে ঋষিসকলে খঙতে তেওঁক ধ্বংস কৰিছিল । শাসকৰ অভাৱত পৃথিৱীৰ চাৰিওফালে বিশৃঙ্খলাই দেখা দিছিল ।

বৰষুণৰ অভাৱত পৃথিৱীত শস্য উৎপাদন হোৱা নাছিল । চাৰিওফালে দুৰ্ভিক্ষই দেখা দিছিল । যিহওক, ঋষিমুনিসকলৰ অনেক প্ৰাৰ্থনাৰ পিছত পৃথিৱীত এজন ৰজাৰ আবিৰ্ভাৱ হৈছিল । আই বসুমতীয়ে তেওঁৰ সন্তানসকলক দুখ দিয়া বাবে ৰজাই বসুমতীক দোষাৰোপ কৰিছিল । তেতিয়া বসুমতীয়ে কৈছিল যে মানুহবো নিজৰ দোষৰ কাৰণে ইমান দুখ ভোগ কৰিব লগা হৈছে । তেতিয়া ৰজাই প্ৰকৃতিৰ যত্ন লোৱাত আগভাগ লৈছিল আৰু প্ৰজাসকলে তেওঁক অনুসৰণ কৰিছিল । সেই ৰজাজনেই আছিল পৃথু আৰু তেতিয়াৰ পৰা বসুমতীৰ আন এটা নাম হ'ল পৃথিৱী ।

বৰ্ত্তমানে, প্ৰকৃতি ধ্বংসকাৰী স্বেচ্ছাচাৰী শাসকক বিচাৰি দূৰলৈ যোৱাৰ আৰু আৱশ্যক নাই । সেইজন আমাৰ বাহিৰে আৰু কোনো নহয় । আমি আৰু এজন পৃথু ৰজাৰ জন্ম হোৱালৈ প্ৰতীক্ষা কৰাতো উচিত নহব । আমি প্ৰতিজন পৃথিৱীৰ বাসীন্দাই পৃথিৱীৰ ৰক্ষাকৰ্ত্তা হব পাৰো । কিন্তু কেনেকৈ ? এই সংখ্যাৰ বসুধাত ইয়াৰ উত্তৰ পোৱা যাব । ৫ জুনৰ বিশ্ব পৰিবেশ দিবসৰ লগত সংগতি ৰাখি ইয়াক প্ৰকাশ কৰা হৈছে ।

সম্পাদক : বিশ্বম

Visit us at : http://www.chandamama.org

হিৰোজ অফ ইন্ডিয়া কুইজত যোগদান কৰা আৰু অভূতপূৰ্ব পুৰস্কাৰ লাভ কৰা

হিৰোজ অফ ইন্ডিয়া -৯

অতীত আৰু বৰ্ত্তমানৰ ভাৰতীয় ক্ৰীড়া হিৰোবোৰেৰে পৰিপূৰ্ণ। ইয়াতে উল্লেখ কৰা কিমানজন খেলবিভাগৰ হিৰোক তুমি চিনি উলিয়াব পাৰিবা ?

আটাইবোৰ শুদ্ধ উত্তৰ দিওতাৰ ভিতৰত তিনিজনক বাইচাইকেল পুৰস্কাৰ দিয়া হব। *

1. মই অলপতে টেষ্ট ক্ৰিকেটত ২৯ টা শতৰাণ কৰি প্ৰবাদ পুৰুষ ডনব্ৰেডমেনে অৰ্জন কৰা শতৰাণৰ সমান হলো। মই কোন তুমি কব পাৰানে ?

----

2. যোৱা বছৰ অল ইংলেণ্ড বেডমিন্টন চেম্পিয়নচিপ খিতাপ অৰ্জন কৰি মই আলোড়নৰ সৃষ্টি কৰিছিলো। মোৰ নাম তুমি জানা নে নাজানা ?

----

3. মই সকলোৰে আগত 'উৰন্ত শিখ' হিচাবে জনজাত। ১৯৬০ চনৰ অলিম্পিক খেলাৰ ৪০০ মিটাৰ দৌৰৰ ফাইনেল খেলত মই চতুৰ্থ স্থান অৰ্জন কৰিছিলো। তুমি মোৰ নাম জানানে ?

----

4. মই ১৯৮৫ চনত ওৱৰ্ল্ড এমেচাৰ বিলিয়াৰ্ড চেম্পিয়নচিপ খিতাপ অৰ্জন কৰিছিলো আৰু এতিয়ালৈ এই খিতাপ অৰ্জন কৰা সকলৰ ভিতৰত কণিষ্ঠতম আছিলো। মোৰ নাম কি ?

----

5. ১৯৫৩ চনত ১৬ বছৰ বয়সতে মই জুনিয়ৰ উইম্বলডন খিতাপ অৰ্জন কৰিছিলো। মোৰ সমানে বিখ্যাত পুত্ৰ এজনৰ মই পিতৃ। মই কোন বাৰু ?

প্ৰতিটো প্ৰশ্নৰ তলত থকা খালী ঠাইত স্পষ্টকৈ উত্তৰ লিখিবা। এই পাঁচজনৰ ভিতৰত তোমাৰ ভাল লগা হিৰো কোনজন আৰু কিয় ভাল লাগে ? মোৰ ভাল লগা ক্ৰীড়া বিষয়ৰ হিৰোজন হ'ল -- এই বিষয়ে ১০ টা শব্দ লিখা।

....

....

প্ৰতিযোগীৰ নাম...

বয়স............................শ্ৰেণী............................

ঠিকনা...

পিন............................ফোন.............................

প্ৰতিযোগীৰ চহী..

দেউতাক/মাকৰ চহী..

এই পৃষ্ঠাটো ফালি তলৰ ঠিকনালৈ পঠাবা

Heroes of India Quiz - 9
Chandamama India limited
No 82, Defence Officers Colony
Ekkatuthangal, Chennai-600097.

২০০২ চনৰ ৫ জুলাইৰ আগতে পোৱাকৈ উত্তৰ পঠাবা।

নিয়মাৱলী :

১.এই প্ৰতিযোগিতা ৮-১৪ বছৰ বয়সৰ শিশুৰ বাবেহে।

২.সকলো ভাষাৰ প্ৰতিযোগীৰ ভিতৰৰ পৰা ৩ জন বিজয়ী প্ৰতিযোগী বাচনি কৰা হব। বিজয়ী প্ৰতিযোগীয়ে উপযুক্ত চাইজৰ বাইচাইকেল পাব। যদি শুদ্ধ উত্তৰ দিয়া প্ৰতিযোগীৰ সংখ্যা বেচি হয়, তেতিয়াহলে মোৰ ভাল লগা হিৰোৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি বিজয়ী প্ৰতিযোগী বাচনি কৰা হব।

৩.বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত।

৪.এই সম্পৰ্কে কোনো চিঠি পত্ৰ আদান প্ৰদান কৰা নহব।

৫.সকলো বিজয়ী প্ৰতিযোগীকে ডাকযোগে জনোৱা হব।

তোমালৈ পুৰস্কাৰ আনিছে

HERO CYCLES

মায়া সৰোবৰ

3

(সেনাপতিৰ পুত্ৰ মঙ্গলবৰ্মাক জয়শীলে বাঘৰ মুখৰ পৰা বচাইছিল । ৰজা কনকাক্ষই তেওঁৰ কাৰ্য্যৰ প্ৰশংসা কৰিছিল আৰু মন্ত্ৰীৰ পৰামৰ্শ মতে তেওঁক ৰাজদৰবাৰতে চাকৰি দিছিল । মন্ত্ৰীয়ে যেতিয়া ৰাজ্যৰ কাম-কাজ সম্পৰ্কে বিবৰণ দি আছিল, সেই সময়তে এজন সৈনিকে এখন চিঙা তৰোৱাল আৰু এডাল মুকুতাৰ হাৰ লৈ আহিছিল ।)

সৈনিকে লৈ অহা চিঙা তৰোৱাল আৰু মুকুতাৰ হাৰডাল দেখি ৰজা কনকাক্ষ আৰু মন্ত্ৰী ধৰ্মমিত্ৰ আচৰিত হ'ল । মন্ত্ৰীয়ে মুকুতাৰ হাৰডাল ভালদৰে নিৰিক্ষণ কৰি কলে, ''মহাৰাজ, এই হাৰডাল আমাৰ ৰাজকুমাৰীৰ নহয়তো ? আৰু এই চিঙা তৰোৱালখন যুৱৰাজৰ লগত থকা তৰোৱালখন নহয়তো?''

ৰজায়ো সেই বস্তু দুপদ ভালদৰে চাই কলে, ''যদি এই বস্তু দুপদ সেই গছডালৰ ওচৰত পোৱা বুলি নকলেহেতেন, য'ৰ পৰা যুৱৰাজ আৰু ৰাজকুমাৰী সন্ধানহীন হৈছে, তেনেহলে মোৰো এই বিষয়ে সন্দেহ নহলহেতেন ।''

''মই এতিয়াই ৰাজকুমাৰীৰ অন্তৰঙ্গ বান্ধৱী মল্লিকাক মাতি আনিম । তেওঁ তৰোৱালৰ বিষয় কব নোৱাৰিলেও অন্ততঃ মুকুতাৰ হাৰডালৰ কথা কব পাৰিব ।'' মন্ত্ৰী ধৰ্মমিত্ৰই কলে ।

ৰজাৰ আদেশ পাই এজন অনুচৰে

মল্লিকাক মাতি লৈ আহিল । তেওঁও ৰাজকুমাৰী নোহোৱা হোৱাৰ পৰা অতি দুখ মনে আছিল । ৰজাই হাৰডাল ক'ত পাইছে সেই কথা নজনাই মল্লিকাক হাৰডাল দি কলে, "অন্তঃপুৰৰ কোনোবা স্ত্ৰীৰ এই হাৰডাল হেৰাইছে । এইডাল লৈ গৈ যাৰ হাৰ তাক দিয়াগৈ ।"

মল্লিকাই সেই হাৰডালৰ মণিবোৰ ভালদৰে চাই চাই হঠাতে বৈ গ'ল আৰু কলে, "মহাৰাজ, এই হাৰ ৰাজকুমাৰীৰ । যেতিয়া আমি হাবিলৈ বনবিহাৰৰ কাৰণে গৈছিলো তেতিয়া ৰাজকুমাৰীয়ে এই হাৰডাল পিন্ধি গৈছিল ।"

মল্লিকাই যেতিয়া সেই হাৰডাল ৰাজকুমাৰীৰ বুলি কলে ৰজাৰ মন বিষাদেৰে ভৰি গ'ল । তেওঁ মল্লিকাক কিবা সুধিব খুজিছিল যদিও সুধিব নোৱাৰিলে । দুখতে তেওঁৰ কণ্ঠ ৰুদ্ধ হৈ গল । চকুপানী মচি তেওঁ তললৈ মূৰ কৰি বহি থাকিল ।

ৰজাৰ এই দুখলগা অৱস্থা দেখি মন্ত্ৰীয়ে মল্লিকাক সুধিলে, "মল্লিকা, এনে মূল্যবান হাৰ কিমান ধনী মানুহৰ ঘৰৰ মহিলাই পিন্ধে, তেনেস্থলত তুমিনো কেনেকৈ জানিলা যে এই হাৰডাল ৰাজকুমাৰীৰেই ।"

মল্লিকাই তেতিয়া হাৰডালৰ দুটা মণি দেখুৱাই কলে, "এই আধা ভঙা মণিদুটালৈ চাওক । এবাৰ ৰাজকুমাৰী মোৰ ওপৰত খং কৰি মোৰ গালৈ হাৰডাল মাৰি পঠাইছিল । কিন্তু হাৰডাল মোৰ গাত নালাগি গছত খুন্দা লগাত এই মণি দুটা আধা ভঙা হৈছিল ।" মল্লিকাৰ কথাৰ পৰা বিশ্বাস হ'ল যে সেই হাৰ ৰাজকুমাৰী কাঞ্চনমালাৰেই । এতিয়া চিঙা তৰোৱালখনো যে যুৱৰাজৰে তাত কোনো সন্দেহ নাথাকিল ।

ৰজাই মন্ত্ৰীক সুধিলে, "যি ভীলৰ ওচৰত বস্তুবোৰ পোৱা গৈছে সেই ভীলটো ক'ত আছে ?" যিজন অনুচৰে বস্তু দুপদ লৈ আহিছিল তেওঁ তৎক্ষণাত কলে, "সেই ভীলটোৰ মানসিক অৱস্থা ভাল নহয় । সি আমাৰ প্ৰশ্নৰ উত্তৰ দিব পৰা অৱস্থাত নাই । সি কিবা 'দুখন ভৰিৰ ঘঁৰিয়াল' বুলি চিঞৰি থাকে ।"

এই কথা শুনিয়েই সিদ্ধ সাধকে আচৰিত হৈ কলে, "মহাৰাজ ! এইটো সৰ্বজন বিদিত কথা যে মহাকালৰ পৰিয়াল ভূতবোৰে কেতিয়াবা আমাক বিচিত্ৰ বেশত দেখা দিয়ে। সেই ভীলৰ গাত ভূতে লম্ভিছে । তাক মই নিজৰ অধীন কৰি লব লাগিব আৰু তাৰ মুখৰ পৰা সঁচা কথা উলিয়াব লাগিব । মোৰ বিশ্বাস

তাৰ মুখৰ পৰা সকলো কথা জনা যাব। মোক আৰু জয়শীলক হাবিলৈ যাবলৈ অনুমতি দিয়ক।"

ৰজাই তেওঁলোকক অনুমতি দিলে। জয়শীল আৰু সিদ্ধসাধকে এজন অনুচৰ লগত লৈ হাবিৰ মাজত থকা বটগছ জোপাৰ ওচৰলৈ গ'ল। তাত এতিয়াও কিছুমান ভীল আছিল। তেওঁলোকে সেই ভীলটোক জৰীৰে বান্ধি থৈছিল। তেওঁলোকৰ ভিতৰত এজন ভূত খেদা বৈদ্যও আছিল। বৈদ্যজনে 'হ্রিং ফট, হ্রিং ফট' বুলি কৈ ভীলটোৰ গাত ভস্ম দলিয়াই আছিল।

জয়শীল, সিদ্ধসাধক আৰু অনুচৰজনে তাত গৈ উপস্থিত হৈ এই দৃশ্য দেখিলে। সিদ্ধ সাধকে লাঠিডাল ওপৰলৈ দাঙি ভূত খেদা বৈদ্যক ৰবলৈ কলে।

ভূত খেদা বৈদ্যই সাধকৰ ফালে ঘোপাকৈ চাই তেওঁক আক্ৰমণ কৰিবই খুজিছিল এনেত অনুচৰজনে বাধা দি কলে, "ৰবা, আৰু আগ নাবাঢ়িবা। এওঁ হ'ল ৰজাঘৰীয়া তান্ত্ৰিক।"

সিদ্ধসাধকে অলপ আগবাঢ়ি গৈ কলে, "তুমিতো নীচ গ্ৰহোপাসক যেন অনুমান হয়। মোৰ এই মন্ত্ৰ দণ্ডৰে তোমাক তৃণ-কূটা বনাই বতাহত উৰাই দিব পাৰো।"

ভূত খেদা বৈদ্যই ভয়তে থৰ থৰকৈ কঁপিবলৈ ধৰিলে। তাৰ পাছত সাধকে ভীল যুৱকক কলে, "হে ভীল যুৱক, যি দুঠেঙিয়া ঘঁৰিয়ালে তোমাক ভয় খুৱাইছিল সেই ঘঁৰিয়ালৰ বুকুত এই বীৰে তৰোৱাল সুমুৱাই দি বধ কৰিছে। এতিয়া তোমাৰ ভয়ৰ কোনো আৱশ্যক নাই। উঠি থিয় হোৱা। জয়শীলে যিখন তৰোৱালেৰে ঘঁৰিয়ালক বধ কৰিছিল



সেইখন এইখনেই," ইয়াকে কৈ সাধকে জয়শীলৰ খাপৰ পৰা তৰোৱালখন উলিয়াই দেখুৱালে।

ভীল যুৱকে তৎক্ষণাত থিয় হৈ কলে, "মহাশয়, আপোনালোকে কি দুঠেঙিয়া ঘঁৰিয়ালটোক মাৰি পেলাইছে ? তাৰ শটো ক'ত ?"

তেতিয়া সাধকে কলে, "মানুহ মৰিলেহে মৰাশ দেখা যায়। কিন্তু পিশাচ মৰিলে কেতিয়াবা মৰাশ দেখা যায় নেকি ? এতিয়া কোৱা, সেই মুকুতাৰ হাৰ আৰু চিঙা তৰোৱালখন তুমি ক'ত পাইছা ?"

ভীলটোৱে গলাটো পৰিষ্কাৰ কৰি লৈ কলে, "মহাশয়, মই যেতিয়া চিকাৰ কৰিবলৈ ঘৰৰ পৰা ওলাই গৈছিলো তেতিয়া সেই বটগছজোপাৰ ডালত পৰি এটা বন কুকুৰাই ডাক দি আছিল। মই তাক উদ্দেশ্য কৰি বাণ



চলালো। সেই বাণ তাৰ পাখীত গৈ লগিল। কুকুৰাটোৱে উৰিব নোৱাৰি জাৰণিৰ মাজত গৈ পৰিল।" এইবুলি কৈ ভীলটোৱে সাধক আৰু জয়শীলক এক ঘন জাৰণিৰ ওচৰলৈ লৈ গ'ল আৰু কলে, "মহাশয়, এই জাৰণিত মই মুকুতাৰ হাৰ আৰু চিঙা তৰোৱালখন পাইছো।"

ভীল যুৱকৰ কথা সম্পূৰ্ণ হোৱাই নাছিল এনেতে সাধকে হালি জাৰণিৰ মাজলৈ চাই জাঁপ মাৰি উঠিল আৰু কলে, "জয়শীল, অৰণ্যৰ মাজৰ এই কাঁইটিয়া জাৰণিৰ মাজত এখন প্ৰাচীন তালপত্ৰৰ গ্ৰন্থ আছে। জয় মহাকালী এই বুলি কৈ জাৰণিৰ মাজৰ পৰা এখন তালপত্ৰৰ গ্ৰন্থ উলিয়াই আনিলে।

তালপত্ৰৰ গ্ৰন্থখন দেখিয়েই সিদ্ধসাধক উৎসাহিত হৈ উঠিল। তেওঁ এটা এটাকৈ গ্ৰন্থৰ পাতবোৰ লুটিয়াই অতি মনোযোগেৰে চাবলৈ ধৰিলে। তেওঁ গ্ৰন্থখন চোৱাত ইমান নিমগ্ন হৈ আছিল যে, তেওঁৰ কাষত যে জয়শীলো আছে সেই কথা পাহৰিয়ে গৈছিল। সিদ্ধ সাধকে ইমান মনোযোগেৰে গ্ৰন্থখন চাই থকা বাবে জয়শীল আচৰিত হ'ল। তাৰ পাছত সাধকে নিজকে নিজে কলে, "এইটো কোন ঠাইৰ ভাষা? কোন ঠাইৰ মানুহে এই ভাষা কয়? এই পত্ৰ তালৰ নহয়। কিছু ডাঠ আছে। অনুমান হয় কমলৰ পাতৰ পৰাহে কটা হৈছে।"

জয়শীলে সাধকৰ হাতৰ পৰা পাতবোৰ লৈ ভালদৰে এবাৰ চোৱাৰ পিছত কলে, "ভীলটোৱে কোৱা দুঠেঙিয়া ঘঁৰিয়ালে ইয়াত এইখন ৰাখি থৈ গৈছে চাগৈ।"

"হয়, এনেকুৱাই হব কিজানি।" এইবুলি কৈ সাধকে ভীল যুৱকৰ ফালে ঘূৰি চাই সুধিলে, "দুঠেঙিয়া সেই ঘঁৰিয়ালটো ইয়ালৈ কিয় আহিছিল?"

"মহাশয়, জাৰণিৰ মাজত বন কুকুৰাটো পৰিযোৱাত সেইটো আনিবলৈ তাৰ মাজলৈ গৈছিলো। এনেতে পিছফালে কিবা শব্দ হ'ল। মই ঘূৰি চাই দেখো ঘঁৰিয়ালৰ আকৃতিৰ এক ভয়ঙ্কৰ প্ৰাণী থিয় হৈ আছে। মই ভয়তে এটা চিঞৰ মাৰি মাটিতে পৰি গৈ মূৰ্চা গলো।" ভীল যুৱকে কলে।

ইয়াৰ পিছত জয়শীলে ভীল যুৱকৰ পিঠিত থপৰিয়াই দি কলে, "তুমি যিটো বন কুকুৰা শৰ মাৰি মাৰিছিলা সেইটো ক'ত?" ভীলটোৱে কিবা কব খুজিছিল, এনেতে ভূত খেদা বৈদ্যই দাঁত কৰচি কলে, "পৰ্বতদেৱীয়ে সেইটো লৈ গৈছে কিজানি। ৰাতিপুৱাই এনে বন কুকুৰা মাৰি ডাঙৰ অপৰাধ কৰিছে।"

জয়শীলে বৈদ্যৰ ওপৰত অসন্তুষ্ট হৈ সিদ্ধ সাধকক কলে, "অনুমান হয়, ইয়াত সকলো বুৰ্বক আৰু অকৰ্মণ্য লোক লগলাগিছে । আমি এই পৰ্বতত কমেও এসপ্তাহ ঘূৰি ফুৰিব লাগিব । দুঠেঙিয়া ঘঁৰিয়ালটোকো আমি বিচাৰি উলিয়াব লাগিব ।"

তুমি ঠিকেই কৈছা জয়শীল । তালপত্ৰৰ গ্ৰন্থখন ইয়াত যিয়ে থৈ গৈছে সিয়েই যুৱৰাজ আৰু ৰাজকুমাৰীক অপহৰণ কৰিছে কিজানি। তেনেহলে সেইজন নিশ্চয় কোনো ৰাক্ষস, যক্ষ, গন্ধৰ্ব অথবা কিন্নৰ জাতিৰ হব।" সিদ্ধসাধকে মনৰ সন্দেহ প্ৰকাশ কৰি কলে । ইয়াৰ পাছত দুয়ো পৰ্বতৰ ফালে আগবাঢ়ি গ'ল । তেতিয়া ৰজাৰ অনুচৰজনে কলে, "মহাশয়, মোক ঘূৰি যাবলৈ অনুমতি দিয়ক । ৰজাক কিবা কব লাগিবনেকি কওক?"

সিদ্ধসাধকে কলে, "মহাৰাজক এই শুভ বাতৰি দিবা যে, যিডাল গছৰ তলৰ পৰা তেওঁৰ পুত্ৰ আৰু কন্যা নোহোৱা হৈছিল তাতে এখন তালপাতৰ গ্ৰন্থ পোৱা গৈছে। তাৰ সহায়তে যুৱৰাজ আৰু ৰাজকুমাৰী ক'ত আছে শীঘ্ৰে জানিব পাৰিম । তাৰ পাছত দুষ্টক সংহাৰ কৰি তেওঁলোকক উদ্ধাৰ কৰি ৰাজকাৰেঙলৈ লৈ যাম ।"

সাধকৰ কথা শুনি জয়শীলৰ হাঁহি উঠিল। তাৰ পাছত তেওঁলোকে পৰ্বতৰ ফালে যাবলৈ ধৰিলে । সেই সময়তে পৰ্বতৰ পাদদেশত থকা এখন গাঁৱৰ গাওঁবাসী তেওঁলোকৰ ঘৰৰ পৰা বাহিৰলৈ আহি ভয়তে চিঞৰি আছিল। এনে পৰিস্থিতিত কি কৰা যায় তেওঁলোকে একো বুজিব পৰা নাছিল ।



এই চিঞৰ-বাখৰৰ কাৰণ আছিল সেইদিনা ৰাতিপুৱা যৰধানৰ খেতি পথাৰত হোৱা এক ঘটনা । খেতি পথাৰৰ এঠাইত এটা টঙীঘৰ আছিল । চৈধ্য বছৰীয়া এটা ল'ৰাই টঙীঘৰত বহি খেতি ৰখি আছিল । সি এটা হাতী খেতিৰ ফালে আগবাঢ়ি অহা দেখিবলৈ পালে । সি জানিছিল গুলটিৰে হাতী খেদা সম্ভব নহয় । কিন্তু ল'ৰাজন সাহসী আছিল । হাতীয়ে যাতে খেতি পথাৰলৈ আহিব নোৱাৰে তাৰ বাবে কিবা এটা কৰিবলৈ সি সিদ্ধান্ত কৰিলে । গুলটিটোত শিলগুটি এটা লৈ হাতীটোৰ ফালে সি মাৰি পঠালে ।

শিলটো গৈ হাতীৰ গাত লাগিল । আঘাত পালে হাতীয়ে সাধাৰণতে চিঞৰে । কিন্তু তেনে একো নহ'ল । কিন্তু সি দেখিবলৈ পালে এক বিচিত্ৰ আকৃতিৰ প্ৰাণীয়ে হাতীৰ ওপৰৰ পৰা কলে, "হেই ল'ৰা, কিয় শিল

মাৰিছ ? মোক কি বুলি ভাবিছা ?" ইয়াৰ পিছত সি এটা ভয়ঙ্কৰ হুঙ্কাৰ মাৰিলে ।

এই হুঙ্কাৰ শুনি ল'ৰাটোৱে ভয়তে কঁপিবলৈ ধৰিলে । তাৰ কপালেৰে ঘাম ববলৈ ধৰিলে । সি টঙীৰ পৰা দৌৰি পলাব খুজিছিল, কিন্তু পলাব নোৱাৰিলে । তাতেই থিয় হৈ থাকিল ।

মুহূৰ্ত্তৰ ভিতৰতে হাতী গৈ টঙীঘৰৰ ওচৰ পালে । হাতীটো সাধাৰণ হাতী যেন লগা নাছিল । তাৰ শৰীৰটো মাছৰ বাকলিৰে ঢকা আছিল । হাতীৰ ওপৰত যিজন বহি আছিল সি ঘঁৰিয়ালৰ মূৰৰ আকৃতিৰ শিৰস্ত্ৰাণ পিন্ধি আছিল । তাৰ শৰীৰটো ঘঁৰিয়ালৰ ছালেৰে আবৃত আছিল ।

সেই আচৰিত ধৰণৰ জীৱটো ল'ৰাটোৰ ওচৰলৈ আহি অভয় দি কলে, "ভয় নাখাবা। যি কৈছো তাকে কৰা । গাঁৱলৈ গৈ মোৰ কাৰণে ভাল আহাৰ লৈ আহা । লগতে গাঁৱত যদি ভাল বৈদ্য আছে তাকো লগতে লৈ আহিবা । চিকিৎসা শাস্ত্ৰত পাৰ্গত হলেতো আৰু ভাল । এইফালে চোৱা । মোৰ পেটত সোমাই থকা এই চিঙা তৰোৱালখন উলিয়াই মোক বচাব লাগিব। এনে কৰিলে তোমালোক দুয়োকে ভাল পুৰস্কাৰ দিম ।" হেপাই ফেপাই সি কথাখিনি কৈছিল ।

ভয়তে কঁপি থকা ল'ৰাটোৱে তাৰ সকলো কথা শুনিলে । সি টঙীৰ পৰা নামিবলৈ ভয় কৰিছিল । তেতিয়া সেই আচৰিত জীৱটোৱে তাক নমাই দিলে ।

মাটিত নমাৰ লগে লগে ল'ৰাটোৰ সাহস আহিল । তাৰ এনে লাগিল, সি যেন যমদূতৰ হাতৰ পৰাহে ৰক্ষা পালে । সি চিঞৰি চিঞৰি বায়ুবেগে দৌৰি গৈ গাওঁ পালে ।

নীম গছৰ তলত বহি গাঁৱৰে কিছুমান মানুহে নানা বিষয়ৰ আলোচনা কৰি আছিল। তেওঁলোকে উধাতু খাই দৌৰি অহা ল'ৰাটোক দেখি ভাবিছিল খেতি পথাৰলৈ হয়তো বনৰীয়া গাহৰি আহিছে অথবা হৰিণৰ পাল আহিছে । তেওঁলোকে তাক সুধিলে, "হেই ল'ৰা, কিয় দৌৰি আহিছা ? কি হ'ল ?"

ল'ৰাটোৱে ফোঁপাই ফোঁপাই সকলো কথা কলে । কোনো এজনেও তাৰ কথা বিশ্বাস নকৰিলে । কিছুমানেতো ভাবি ললে তাৰ মূৰৰ গোলমাল হৈছে । তেতিয়া তালৈ অহা গণাচাৰীয়ে গাঁৱৰ মুখিয়াল জনৰ পৰা সকলো কথা জানি লৈ কলে, "ল'ৰাজনে যি কৈছে সেয়া কোনো আচৰিত কথা নহয়। যেতিয়া মোৰ ওপৰত ভূতে লম্ভে, তেতিয়া এনে জলহস্তী, মানুহ-ঘঁৰিয়ালেই নহয়, দুই

মূৰ থকা সিংহ আৰু দহটা মূৰ থকা আচৰিত মানুহকো দেখিবলৈ পাও ।

“প্ৰথমতে ইয়াকে কোৱা আমি এতিয়া কি কৰো ? সেই প্ৰাণীটোৱে আমাৰ সকলোৰে সৰ্বনাশ কৰাৰ দিহা কৰা নাইতো?” মুখিয়ালজনে নিজৰ মনৰ সংশয় প্ৰকাশ কৰি কলে ।

এই বিষয়ে সকলোৱে আলোচনা কৰিবলৈ ধৰিলে । এজনে কলে, “চোৱা, তাৰ শৰীৰত চিঙা তৰোৱাল সোমাই আছে। আহাৰৰ লগতে সি এজন বৈদ্যক লৈ যোৱাৰ কথাও কৈছে । গতিকে আমি বৈদ্য চৰকাচাৰীকো আমাৰ লগত লৈ যোৱা উচিত হব ।”

এই কথা শুনি চৰকাচাৰীয়ে ভয়তে কঁপিবলৈ ধৰিলে । তেওঁ কলে, “মই সেই বিকৃত আকৃতিৰ ৰাক্ষসটোক কেনেকৈ চিকিৎসা কৰিম ? এই কাম এজন ভাল চিকিৎসকেহে কৰিব পাৰিব । ইয়াৰ কাৰণে আমাৰ গাঁৱৰে নাপিত নাৰায়ণকো পঠোৱাতো ঠিক হব । যেতিয়া তেওঁ ৰাক্ষসৰ পেটৰ পৰা চিঙা তৰোৱালখন উলিয়াব তাৰ পিছত মই সঞ্জীৱনীৰ দৰে প্ৰভাৱশালী ঔষধৰ দ্বাৰা চিকিৎসা কৰি তাৰ তেজ ওলোৱাতো বন্ধ কৰিব পাৰিম ।”

তৎক্ষণাত দুজন মানুহ গৈ নাৰয়ণ নাপিতক ধৰি লৈ আহিল । সি চটফটাই থাকি কলে, “মই এই কাম কেনেকৈ কৰিম ? মোৰ দ্বাৰা এই কাম নহব । মই তাৰ পেটৰ পৰা তৰোৱাল উলিয়াই আনিব নোৱাৰিম ।” এইবুলি সি কান্দিবলৈ ধৰিলে ।

দুজন হৃষ্ট-পুষ্ট মানুহে নাপিতক ভালদৰে ধৰি ললে । গাঁৱৰ মুখীয়ালজনে চিঞৰি চিঞৰি কলে, “তাক চিকিৎসা কৰিব পৰা যাব নে নাই সেইটো পিছৰ কথা । প্ৰথমতে সকলোৱে তালৈকে বলা । সকলোৱে তৰোৱাল, যঠী, কুঠাৰ আদি অস্ত্ৰ নিজৰ নিজৰ লগত লবা । ল'ৰাটোৱে যি কৈছে সেয়া সঁচা নে মিছা তালৈ গৈ পোৱাৰ পিছতহে জানিব পাৰিম ।”

মানুহবোৰে যঠী, তৰোৱাল, কুঠাৰ আদি লগত লৈ ওলাই গ'ল । অস্ত্ৰ-শস্ত্ৰ লৈ অহা মানুহৰ ভীৰ দেখি হাতীৰ ওপৰত থকা বিকৃত আকৃতিৰ প্ৰাণীটোৱে হাতীটোক চাবুকেৰে কোবালে । হাতীটোৱে শূৰ দাঙি চিঞৰ মাৰি মানুহবোৰক আক্ৰমণ কৰিবলৈ খেদি গল ।

(আগলৈ)



HERO CYCLES

অভিনন্দন,
যুৱক হিৰোসকল !

চান্দমামাই সেইসকল হিৰো যুৱকক অভিনন্দন জনাব বিচাৰিছে, যিসকলে অক্টোবৰ, ২০০১ ৰ পৰা মাৰ্চ, ২০০২ ভিতৰত চান্দমামাত প্ৰকাশিত ১ ৰ পৰা ৬ হিৰো কুইজত জয়লাভ কৰিছে । বিজেতাসকলৰ প্ৰতিজনে একোখনকৈ হিৰো চাইকেল পুৰষ্কাৰ হিচাপে পাব ।

অক্টোবৰ ২০০১
ভি. কোৰশল্য, নাগপুৰ
এচ.আৰ.ৰাহুল, বাঙ্গালোৰ
নাৰয়ণ দেৱ, ভদ্ৰাজুন, ৰাজস্থান

নৱেম্বৰ ২০০১
ডি. বৃন্দা, বিশাখাপট্টনম
নেহা চিনহা, উদয়পুৰ কোৰ্ট, ত্ৰিপুৰা
প্ৰণিত প্ৰকাশ মন্ত্ৰী, আমৰাওটি

ডিচেম্বৰ ২০০১
ৰিবাল কে ডাভে, দাম নগৰ জিলা - আমৰেলি
পি,ভি,ৰাঘবেন্দ্ৰন, হোচুৰ
পাৰ্থ কে, পাণ্ড্য, ভাদোদৰা

জানুৱাৰী ২০০২
এচ. দীপক কুমাৰ, বিশাখাপট্টনম
এল.ভাৱনা.তিৰুপতি
বি.এচ.যশোদা, বাঙ্গালোৰ

ফেব্ৰুৱাৰী ২০০২
কে. শ্ৰীৰাম, ক'লকাতা
শঙ্খ বেনাৰ্জী
নৰোত্তম নগৰ, অৰুণাচল প্ৰদেশ

মাৰ্চ ২০০২
সোনম নাগৰ, উজ্জয়িন
জে.জয়প্ৰকাশ, চেন্নাই
এম.বিদ্যাধৰী হায়দৰাবাদ

তোমালোকলৈ শুভেচ্ছা !

---

১ ৰ পৰা ৭ লৈ ও.টি ডি চি কুইজ
বিজেতাসকলৈ অভিনন্দন

ORISSA
The soul of India

উৰিষ্যা পৰ্যাটন উন্নয়ন নিগমে (ও টি ডি চি) আয়োজন কৰা, চান্দমামাৰ চেপ্তেম্বৰ, ২০০১ ৰ পৰা মাৰ্চ, ২০০২ সংখ্যাৰ ভিতৰত প্ৰকাশিত ১ ৰ পৰা ৭ কুইজত যিসকলে জয়লাভ কৰিছে চান্দমামাই তেওঁলোকক অভিনন্দন জনাইছে। বিজেতা সকলে উৰিষ্যা পৰ্য্যটন উন্নয়ন নিগমৰ পান্থনিবাসত পৰিয়ালৰ চাৰিজন সদস্যৰে সৈতে ৩ দিন, ২ নিশা থকাৰ সুবিধা পাব ।

চেপ্তেম্বৰ ২০০১
পৰীক্ষিত পৰাগ গোখলে, বিৰাৰ (ডব্লিউ)

অক্টোবৰ ২০০১
অনিল অজিতাভ, ভুৱনেশ্বৰ

নৱেম্বৰ ২০০১
দেৱীপ্ৰসাদ নন্দ, জজাপুৰ

ডিচেম্বৰ ২০০১
সোমেশ মিশ্ৰ, চিদাম্বৰম

জানুৱাৰী, ২০০২
নিশাদ কে কুলকাৰণি, পুনে

ফেব্ৰুৱাৰী, ২০০২
কে অবিনাশ, বিজিয়ানগৰম

মাৰ্চ ২০০২
আৰ্য্য বিভাস কুমাৰ, জয়পুৰ

বিজেতাসকলৈ অভিনন্দন !

রজা বিক্ৰম আৰু বেতালৰ নতুন কাহিনী

মৌন যোগী

দৃঢ় প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ গছজোপৰ ওচৰলৈ গ'ল । গছৰ পৰা মৰাশটো নমাই কান্ধতলৈ আগবাঢ়ি গৈ থাকিল । তেতিয়া শৱ ভিতৰত থকা বেতালে মাত লগালে, "ৰাজন, এতিয়া চাৰিওফালে ঘোৰ অন্ধকাৰ । যিফালে চোৱা-সিফালে ভুত-প্ৰেত, বিসাক্ত সাপ, হিংস্ৰ জন্তু দেখিবলৈ পাবা । তুমি বিপদত পৰিব পাৰা । তথাপি তুমি আগুৱাই গৈ আছা । তুমি এনেকুৱা কৰাতো জানো উচিত হব ? মই কব নোৱাৰো এই ভয়াবহ ৰাতি তুমি কি কাম পূৰ্ণ কৰিবলৈ যাব ওলাইছা । সাহস, পৰিশ্ৰম, বা প্ৰতিজ্ঞাৰো এটা সীমা আছে । যদি তুমি কোনো মহাত্মা বা মহাযোগীৰ সহায়ত ইমান কষ্ট কৰিব ওলাইছা তেন্তে তুমি ভুল

কৰিছা । মই তোমাক সাৱধান কৰি দিব খোজো। কাৰণ এই ধৰণৰ লোকে ৰজাৰ আশ্ৰমত থাকি সুখ ভোগ কৰিব খোজে । তেওঁলোক স্বাৰ্থপৰ হয় । উদাহৰণ স্বৰূপে মই আজি তোমাক মৌন যোগী আৰু ৰজা কনকসেনৰ কাহিনী কম । এতিয়া তুমি পথৰ ভাগৰ দূৰ কৰিবলৈ কাহিনীটো মনোযোগেৰে শুনা । ইয়াৰ পাছত বেতালে কাহিনী শুনাবলৈ ধৰিলে ।

মমতাপুৰী নগৰৰ ওচৰেৰে কৰুণা নদী বৈ গৈছিল । তাৰে পাৰত থকা বট গছজোপাৰ তলত এজন যোগীয়ে থাকিবলৈ লৈছিল । প্ৰথমতে মানুহে তেওঁক পাগল বুলিয়ে ভাবিছিল । সঁচা কথা কবলৈ হলে তেওঁৰ মতি ভ্ৰম হৈছিল, পাগল নাছিল । তেওঁ কাৰো কোনো অমঙ্গল কৰা নাছিল । তেতিয়াহে মানুহবোৰে বুজি পালে যে তেওঁ এজন যোগী ।

তেওঁ সদায় মৌন আছিল । কোনো মানুহৰ প্ৰশ্নৰ উত্তৰ দিয়া নাছিল । কোনোবাই ফলমূল দিলে তেওঁ সেইটো লৈ খাইছিল । কিছুমান মানুহে তেওঁক বোবা আৰু কলা বুলিও কৈছিল।

এদিন এটা ষাঁড় গৰু সেই ঠাইলৈ আহিছিল। ষাঁড়টোৱে মানুহবোৰক শিঙেৰে খুজিবলৈ ধৰিলে । সেই কাৰণে ষাঁড়টোৰ ওপৰত মানুহবোৰৰ খং উঠিল । মানুহবোৰে এক লগ হৈ ষাঁড়টোক ধৰিবলৈ চেষ্টা কৰিলে । ষাঁড়টোৱে দৌৰি দৌৰি যোগীয়ে বহি থকা বটগছ জোপাৰ ওচৰলৈ গ'ল । তেতিয়া মানুহবোৰে চিঞৰি কলে, ''যোগীবৰ, তাৰ পৰা উঠি যাওক, নহলে ষাঁড়টোৱে আপোনাক আক্ৰমণ কৰিব ।''

যোগীয়ে কিন্তু স্থিৰ হৈয়ে বহি থাকিল । ষাঁড়টোৱে যোগীৰ ওচৰলৈ আহি কিছু ক্ষণ থিয় হৈ থকাৰ পিছত তাতে মাটিত শুই পৰিল । অনুমান হৈছিল, সি যেন দেহৰ ভাগৰ হে দূৰ কৰিছে ।

ষাঁড়টোৰ এনে কাৰ্য্যত যোগীৰ কোনো হাত নাছিল । এয়া মাথোঁ এক সংযোগ আছিল । কিন্তু এই কথাটোকে লৈ মানুহবোৰে বিভিন্ন ধৰণৰ অৰ্থ উলিয়াবলৈ ধৰিলে ।

এজনে কলে, ''যোগীজন বোবা বা কলাই নহয়, অন্ধও । নহলেনো ষাঁড়টো অহা দেখিও সেইদৰে বহি থাকেনে ?''

অইন এজনে কলে, ''এনে কথা নকবা । তেওঁ এজন মহাযোগী । সেই কাৰণেইতো দাম্ভিক ষাঁড়টোও তেওঁৰ ওচৰত শান্ত হৈ গ'ল । এই যোগীৰ অসাধাৰণ শক্তি আছে । এই যোগীবৰ ইয়াতে থকাতো আমাৰ নগৰৰ বাবেই মঙ্গলজনক হব ।'' তাৰ পাছত যোগীৰ মহানতাৰ বিষয়ে গোটেই নগৰতে প্ৰচাৰ হবলৈ ধৰিলে ।

সেই-দিনাৰ পৰা যোগীৰ ওচৰলৈ অসংখ্য

মানুহ আহিবলৈ ধৰিলে। মানুহবোৰে কিবা নহয় কিবা উপহাৰো আনিছিল । কিন্তু যোগীয়ে সেইবোৰ বস্তু নাৰাখিছিল। অন্য মানুহৰ মাজত ভগাই দিছিল । যোগীৰ ত্যাগ গুণৰ প্ৰশংসাত মানুহবোৰ পঞ্চমুখ হৈছিল।

কিছুমান লোকে যোগীক নিজৰ সমস্যাৰ কথা কৈছিল। কিন্তু তেওঁ কোনো উত্তৰ দিয়া নাছিল। তেতিয়া তেওঁলোকে নিজেই এটা সমাধানৰ বাট উলিয়াই কৈছিল--"এনে কৰিলে ভাল হব, নহয়নে যোগীবৰ ?"

যোগীৰ ব্যৱহাৰ অতি বিচিত্ৰ আছিল । কথাবোৰ শুনা যেনো লাগিছিল আৰু নুশুনা যেনো লাগিছিল । মাজে মাজে 'হয়' ভাব বুজোৱাৰ নিচিনাকৈ মূৰটো দুপিয়াইছিল আৰু কেতিয়াবা 'নহয়' বুজোৱাৰ দৰেকৈ মূৰ লৰাইছিল । সেয়েহে মানুহবোৰে তেওঁক সংকেত যোগী বুলি মাতিবলৈ ললে।

ক্ৰমশঃ মমতাপুৰী আৰু ইয়াৰ দাঁতি-কাষৰীয়া গাওঁবোৰত যোগীৰ খুব প্ৰচাৰ হবলৈ ধৰিলে । ভক্তৰ ভীৰ বাঢ়িবলৈ ধৰিলে । এই সুযোগতে কিছুমান সুবিধাবাদীয়ে বটগছৰ চাৰিওফালে বাঁহৰ বেৰ দি আশ্ৰম নিৰ্মাণ কৰো বুলি কৈ দৰ্শনাৰ্থী সকলৰ পৰা চান্দা তুলিবলৈ ধৰিলে । পিছত সেই ধনবোৰ সিহঁতে নিজৰ মাজতে ভগাই লৈছিল। আনকি যোগীক আহাৰ যোগান ধৰাৰ নাম কৰি কোনোবা নহয় কোনোবাই বেচিকৈ ধনৰ ভাগ লৈছিল । তথাপিতো যোগী মৌন হৈ আছিল। কাকো একো কোৱা নাছিল। এইদৰে দিনবোৰ পাৰ হৈছিল।

এদিন ৰজা কনকসেনও যোগীৰ বিষয়ে শুনিবলৈ পালে । ৰজাই জানিব পাৰিলে যোগীজন বোবা, কলা আৰু অন্ধ। তেওঁ সদায়



মৌন হৈ থাকে আৰু সংকেতৰ দ্বাৰাই মনৰ ভাব প্ৰকাশ কৰে । এইবোৰ শুনি ৰজাৰ এদিন যোগীক দেখা কৰিবৰ ইচ্ছা হ'ল। এদিন ৰাতি ভক্তবোৰ যোৱাৰ পাছত ৰজাই চদ্মবেশ ধৰি যোগীৰ ওচৰলৈ গ'ল।

যোগীৰ সন্মুখত থকা কলপাতখনত মাথোঁ দুখন ৰুটি আছিল। অলপ আঁতৰত এডাল জোৰ জ্বলি আছিল । যোগীৰ চকুৰে চকুপানী বৈ আছিল। এইবোৰ দেখি ৰজাই ভাবিলে যোগীৰ জীৱনত নিশ্চয় কোনো দুখপূৰ্ণ কাহিনী আছে।

"যোগীবৰ, মই এই দেশৰ ৰজা । অন্য মানুহৰ দৃষ্টিত আপুনি বোবা, কলা আৰু অন্ধ হব পাৰে । কিন্তু মোৰ দৃষ্টিত আপুনি নহয় তেওঁলোকহে বিকলাঙ্গ। তেওঁলোকে নাজানি আপোনাক তেনেদৰে কৈছে। এতিয়া আপুনি কথা কোৱাৰ সময় আহিছে । দয়া কৰি আপোনাৰ বিষয়ে কওক," ৰজা কনকসেনে



যোগীক অনুৰোধ কৰি কলে।

"মহাৰাজ আপোনাৰ কথা শুনি মই মৌন-ব্ৰত ত্যাগ কৰাৰ সিদ্ধান্ত ললো। আপোনাৰ পৰিচয় দিয়াৰ আগতে মই বুজিব পাৰিছিলো আপুনি কোনো মহান ব্যক্তি। সত্য সদায় সত্যই হয়। ইয়াৰ শক্তি অনুপম। ইয়াৰ সম্মুখত অসত্যৰ কোনো স্থান নাই। সত্যক ঢাকি ৰাখিব নোৱাৰি।" যোগীয়ে গম্ভীৰ স্বৰে কলে।

যোগীৰ কথাৰ পৰা ৰজাই জানিব পাৰিলে তেওঁ এজন মহান ব্যক্তি। তেওঁৰ ব্যক্তিত্ব অসাধাৰণ। ৰজাৰ তেওঁৰ প্ৰতি সন্মানৰ ভাব বাঢ়ি গ'ল।

যোগীয়ে কলে, "মহাৰাজ, আমাৰ মনৰ দৃষ্টিহে আচল দৃষ্টি। এই বাহিৰৰ চকু দুটাৰে আমি যি দেখি আছো এই সকলো সঁচা নহবও পাৰে। কেতিয়াবা সঁচা বুলি প্ৰমাণ দিবলৈ মিছাকো সঁচা কৰো। কিন্তু আমি অন্তদৃষ্টিৰ পৰাহে জানিবলৈ সক্ষম হওঁ, এয়া সঁচা নহয় মিছাহে। যি চকুয়ে সঁচাটো প্ৰত্যক্ষ কৰিব নোৱাৰে তেনেহলে ইয়াৰ কাম কি! তেতিয়াৰ পৰা মই চকুমুদি থাকিবলৈ ললো। সেয়েহে মোৰ দুটা সুন্দৰ দৃষ্টি শক্তি থকা চকু থাকিও মই অন্ধ।"

"যোগীবৰ, মানুহবোৰে আপোনাক কেৱল অন্ধ বুলিয়ে নকয় বোবা আৰু কলা বুলিও কয়। আপোনাক এই আখ্যা দিয়াৰ কিবা কাৰণ আছে নেকি?" ৰজাই সুধিলে।

"হয় আছে, মহাৰাজ। মোৰ পত্নীৰ এজনেই ভায়েক আছিল। তেওঁ এওঁক বহুত মৰম কৰিছিল। তেওঁ ব্যৱসায় কৰিছিল। এসময়ত তেওঁৰ ব্যৱসায়ত খুব লোকচান হৈ সকলো হেৰুৱালে। ঋণৰ বোজা তেওঁৰ বাঢ়ি গ'ল। ভায়েকৰ দুখ সহ্য কৰিব নোৱাৰি পত্নীয়ে মোক কিবা এটা কৰিবলৈ কলে। পত্নীৰ অনুৰোধ মতে মোৰ পাঁচ একৰ জমিৰ তিনি একৰ গাঁৱৰ মহাজনৰ ওচৰত বন্ধক থৈ যি ধন পালো সকলো তেওঁক দিলো। মোৰ খুলশালীয়েও মোক কথা দিছিল যে, তেওঁ চহৰলৈ গৈ ব্যৱসায় কৰিব আৰু লাভৰ টকাৰে এবছৰৰ ভিতৰতে মোৰ বন্ধকী মাটি উলিয়াই দিব। কিন্তু এবছৰ পাৰ হৈ যোৱাৰ পিছতো তেওঁৰ কোনো দেখা দেখি নাই। এইফালে মহাজনে মোক টকা ঘূৰাই দিবলৈ যোৰ দি ধৰিলে। একো উপায় নেদেখি ওচৰৰ সম্বন্ধীয় মানুহ এঘৰলৈ গৈ ধনৰ কথা কলো। কিন্তু কোনো লাভ নহ'ল। ধন বিচাৰি নিৰ্বাশ হৈ এসপ্তাহৰ পিছত যেতিয়া মই গাঁৱলৈ উভতিছিলো গাঁৱৰ নামঘৰৰ চোতালত মহাজন আৰু অন্যান্য দুই চাৰিজন লোক বহি থকা দেখিছিলো। মোক দেখিয়েই তেওঁলোকে মোক সাৱধান কৰি দি কলে যে যদি পোন্ধৰ দিনৰ ভিতৰত

টকা ওভতাই দিব নোৱাৰো তেতিয়াহলে মই খেতিৰ মাটি, ঘৰ-বাৰী সকলো হেৰুৱাব লাগিব।

"মহাৰাজ, আপুনি নিশ্চয় জানেই গৌৰৱ প্ৰতিষ্ঠা সাধাৰণ গৃহস্থীৰ কাৰণে আৰু দেশৰ ৰজাৰ কাৰণে একেই সমান। মই ঘৰ গৈ পোৱাৰ লগে লগে পত্নীয়ে এটা হাঁহি মাৰি মোৰ ওচৰলৈ আহিল। তেওঁ মোক কিবা কব খুজিছিল। কিন্তু সেই সময়ত মোৰ খং উঠি আছিল। নামঘৰৰ চোতালত মোক কৰা অপমান মই হজম কৰিব পৰা নাছিলো। মই তেওঁৰ ভায়েক আৰু মাকৰ ঘৰৰ সকলোকে গালি পাৰিবলৈ ধৰিলো। তেওঁ কান্দি-কাতি ঘৰৰ পিছ দুৱাৰেৰে দৌৰি গুচি গ'ল। মই তাৰ ওপৰত গুৰুত্ব কোনো নিদিলো। ঘৰৰ ভিতৰলৈ আহি দেখো মোৰ খুলশালীয়ে লিখা চিঠি এখন পৰি আছে। তাত লিখা আছিল এসপ্তাহৰ ভিতৰতে তেওঁ টকা-পইচা লৈ ঘৰলৈ আহি আছে।" ইয়াকে কৈ যোগীয়ে চকুপানী মচিবলৈ ধৰিলে।

"আপোনাৰ পত্নীয়ে পিছ দুৱাৰেৰে গৈ কুঁৱাত জঁপিয়াই পৰি আত্মহত্যা কৰিলে, নহয় নে বাৰু?" ৰজাই সুধিলে।

"হয়, সেয়াই হ'ল। এই কথা জনাৰ পিছত মই দুৱাৰ-ঘৰ বন্ধ নকৰাকৈয়ে ঘৰৰ পৰা ওলাই আহিলো। বহু ঠাই ঘূৰি ঘূৰি শেষত নদীৰ পাৰৰ বটগছৰ তলতে মই ধ্যান কৰিবলৈ বহিলো। তেতিয়াৰ পৰা সকলোৰে দৃষ্টিত মই বোবা আৰু কলা।"

"যোগীবৰ, মানুহে কয় যে আপুনি এজন অতি মানৱ, আপোনাৰ অদ্ভুত শক্তি আছে। এইবোৰ বাৰু সঁচা কথানে?" ৰজাই অতি উৎসুক হৈ সুধিলে।

"কিছুমান বদমাছ আৰু সুবিধাবাদী লোকে মোৰ বিষয়ে এইদৰে মিছা প্ৰচাৰ কৰি আছে। তেওঁলোকে মোৰ মৌন ব্ৰতৰ সুবিধা লৈ নিজৰ মোনা ভৰ্ত্তি কৰি আছে। এই সমস্যাৰ বিষয়ে মই দিনে ৰাতি চিন্তা কৰি আছো। কিন্তু কোনো



সমাধান বিচাৰি পোৱা নাই ।" যোগীয়ে অতি দুখমনে ৰজাক কলে ।

পিছদিনা মৌন যোগীক দৰ্শন কৰিবলৈ যিবোৰ ভক্ত আহিছিল সকলো নিৰাশ হব লগা হ'ল । যোগী তাত নাই । ইয়াৰ পাছতো কোনোৱে যোগীক দেখিবলৈ পোৱা নাই । কেৱল মহাৰাজেহে জানিছিল বৰ্ত্তমানৰ তেওঁৰ উপদেষ্টাজন আৰু আন কোনো নহয়, সেইজন মৌন যোগীয়েই ।

কাহিনীটো শেষ হোৱাৰ পিছত বেতালে ৰজাক কলে, "ৰাজন দীৰ্ঘদিন ধৰি সেই যোগীয়ে বোবা, কলা আৰু অন্ধ হৈ আছিল । কিন্তু ৰজাক দেখিয়েই তেওঁৰ কিয় চকুপানী ওলাল ? যোগী হৈ তেওঁ মানুহৰ নিস্বাৰ্থ সেৱা কৰি আছিল । পিছত গৈ ৰজাৰ উপদেষ্টা হ'ল । এয়াতো স্বাৰ্থৰ কাম, প্ৰজাৰ সেৱা কৰা বুলি কব নোৱাৰি । যোগীৰ জীৱন কটাই তেওঁৰ মনত বিৰক্তি লাগিছিল । ৰজা ঘৰত গৈ সুখ ভোগ কৰাৰ আশাৰে তেওঁ ৰজাৰ উপদেষ্টা হৈছিল নহয়নে ? যদি তুমি ইয়াৰ উত্তৰ জানিও মৌন থাকা তেতিয়াহলে তোমাৰ মূৰটো টুকুৰা-টুকুৰ হৈ যাব ।"

তেতিয়া ৰজা বিক্ৰমাদিত্যই কলে, "ৰজা কনকসেনে যোগীক যি প্ৰশ্ন সুধিছিল তাৰ দ্বাৰা যোগীয়ে তৎক্ষণাত বুজিব পাৰিছিল যে তেওঁ এজন জ্ঞানী, বিৱেকী আৰু অনিসন্ধিৎসু ব্যক্তি। যোগীয়ে নিজকে বোবা, কলা আৰু অন্ধ বনাই লৈছিল । তেওঁৰ কাৰণে কোনো বেয়া কাম হোৱাতো তেওঁ বিচৰা নাছিল । ধূৰ্ত্ত আৰু বদমাছ সকলৰ ধূৰ্ত্তালী তেওঁ সহ্য কৰিব পৰা নাছিল । সেই কাৰণে তেওঁৰ দুচকুৰে চকুপানী বৈ আহিছিল। যোগীৰ চকুত চকুপানী দেখি ৰজাই উপলব্ধি কৰিছিল যে যোগীৰ মন অতি অশান্ত আৰু মনত শান্তিৰ আৱশ্যক । ৰজাই ইচ্ছা কৰিলে ধূৰ্ত্ত, বদমাছ সকলক সহজতে ধৰিব পাৰিলেহেতেন । কিন্তু সেয়া সমস্যা সমাধানৰ উচিত পথ নহয় । প্ৰথম কেইজনমানক ধৰি লৈ গলেও পিছত আৰু এচামে আহি সেই একে কামকে কৰিব । যোগীক লৈ ব্যৱসায় আৰম্ভ কৰিব । সেই কাৰণে ৰজাই যোগীয়ে তাত থকাতো বিচৰা নাছিল । যোগীয়ে যাতে এক শান্তিৰ জীৱন কটাব পাৰে সেই উদ্দেশ্যে ৰজাই তেওঁক নিজৰ পৰামৰ্শদাতা কৰি লৈ গৈছিল । এইটো স্পষ্ট যে ৰজাৰ আশ্ৰয়ত থাকি সুখ ভোগ কৰা ইচ্ছা যোগীৰ মনত অকণো নাছিল ।"

ৰজাৰ মৌনতা ভঙ্গ কৰাত সফল হৈ বেতালে শটোৱে সৈতে অদৃশ্য হৈ গ'ল আৰু গছৰ ডালত গৈ ওলমি থাকিল ।

- মহেশ ৰাঠীৰ ৰচনাৰ আধাৰত

মুনিয়ে দেৱতা আৰু মানুহবোৰক ৰক্ষা কৰিবলৈ আহিছে



বহুদিন আগতে বৃত্ৰাসুৰ নামৰ এজন দৈত্য আছিল । লাহে লাহে তেওঁ ইমান উচ্চাকাঙ্খী হৈ উঠিছিল যে তেওঁ স্বৰ্গ, মৰ্ত্ত আৰু পাতাল - তিনিওলোকৰে ৰজা হবলৈ বিচাৰিছিল । দেৱৰাজ ইন্দ্ৰই সেই দৈত্যৰ সৈতে দীৰ্ঘদিন যুদ্ধ কৰিব লগা হৈছিল । অৱশেষত দৈত্যক বধ কৰা হৈছিল, কিন্তু তথাপিতো শান্তি ঘূৰি অহা নাছিল ।

ইয়াৰ কাৰণ আছিল বৃত্ৰাসুৰৰ প্ৰতি আনুগত্য থকা কালকেয় নামে জনজাত এদল দৈত্যাই মানুহ আৰু দেৱতাসকলৰ ওপৰত অত্যাচাৰ চলাই গৈছিল । এই শক্তিশালী দৈত্যটো পৰাস্ত হোৱা স্বত্বেও তেওঁৰ অনুচৰবোৰে কেনেকৈ মৃত্যুপৰা হাত সাৰিব পাৰিলে ? বৃত্ৰাসুৰৰ মৃত্যুৰ পাছত এই দৈত্যবোৰ পলাই গৈছিল । কোনেও নাজানিছিল তেওঁলোক কলৈ গৈছিল । প্ৰথমতে ইয়াকে ভবা হৈছিল যে এই দৈত্যবোৰ কোনো পৰ্বত অথবা অৰণ্যৰ মাজত গৈ আছে আৰু তেওঁলোকে ঘূৰি আহিবলৈ সাহস নকৰিব । কিন্তু হঠাতে এদিন নিশা দৈত্যসকলে কিছুমান মানুহৰ ওপৰত আক্ৰমণ চলাইছিল আৰু তেওঁলোকৰ ঘৰ-দুৱাৰ ভাঙি পেলাইছিল। তেওঁলোকৰ লক্ষ্য আছিল নিৰীহ জনসাধাৰণ আৰু ঋষি-মুনি-সকল । এই দৈত্যসকলৰ স্বভাৱ বৰ দুষ্ট আছিল । নিৰীহ মানুহৰ ওপৰত অত্যাচাৰ চলাই তেওঁলোকে আনন্দ পাইছিল । দৈত্যবোৰে দেৱতা-সকলক বধ কৰিব পৰা নাছিল সঁচা, কিন্তু তেওঁলোকক শান্তিত থাকিব নিদিছিল ।



ৰজা আৰু বীৰসকলে কালকেয় সকলৰ কাৰ্য্যত বাধা দিবলৈ চেষ্টা কৰিছিল । কিন্তু তেওঁলোকে দৈত্যসকলক বিচাৰি উলিয়াব পৰাই নাছিল । এই আচৰিত প্ৰাণীবোৰ ঠাইতে অদৃশ্য হৈ গৈছিল । মানুহবোৰে দৈত্যসকলৰ বিৰুদ্ধে একত্ৰিত হোৱাৰ আগতে তেওঁলোকে মানুহৰ ঘৰবোৰত জুই লগাই দিছিল । দৈত্যসকলে আক্ৰমণ কৰা দেখি তেওঁলোকে চিঞৰ-বাখৰ কৰি পলাবলৈ ধৰিছিল । কিন্তু খুব কম সংখ্যকেহে তেওঁলোকৰ আক্ৰমণৰ পৰা হাত সাৰিব পাৰিছিল ।

ৰাতিপুৱাৰ লগে লগে এই দৈত্যৰ দলটোক আৰু কতো দেখা নগৈছিল । ৰজাৰ সৈন্য-সকলে তেওঁলোকক বিচাৰি চাৰিও ফালে গৈছিল । কিন্তু সকলো চেষ্টাই বৃথা হৈছিল ।

তেওঁলোকে বাৰু বায়ুৰ মাজত সোমাই গৈছিল নেকি ? ইয়াকে ভাবি সকলো হতবুদ্ধি হৈছিল ।

অৱশেষত এই ৰহস্য উদ্‌ঘটন হৈছিল । এই দৈত্যসকলৰ এনে এক অপাৰ্থিব শক্তি আছিল যাৰ বাবে সাগৰৰ তলিত লুকাই থাকিব পাৰিছিল । সেয়েহে দৈত্যসকলে দুষ্কৰ্ম কৰি সাগৰৰ তলিত গৈ আশ্ৰয় লৈছিল।

দৈত্যসকলে লুকাই থকা ঠাইৰ কথা জানিলেনো বাৰু কি হব ? সাগৰৰ তলিত কোনে তেওঁলোকৰ লগত যুদ্ধ কৰিবলৈ যাব?

এই বিষয়ে কিবা ব্যৱস্থা লবলৈ ইয়াত মাথোঁ এজন ব্যক্তিয়েই আছে -- দেৱতাসকলে কৈছিল । সেইজন হ'ল অগস্ত্য মুনি, যাৰ বিষয়ে তোমালোকে আগতে পঢ়িছা । মুনিয়ে উত্তৰ ভাৰতৰ পৰা বিন্ধ্যা পৰ্বত অতিক্ৰম কৰি দক্ষিণ ভাৰতলৈ আহিছিল । এইদৰে অহাৰ তেওঁৰ এক বিশেষ কাৰণ আছিল । বিন্ধ্যা পৰ্বতে এবাৰ সূৰ্য্যৰ ওপৰত কোঁপিত হৈ উঠিছিল । পৰ্বতে সূৰ্য্যৰ পূবৰ পৰা পশ্চিমলৈ যোৱা পথটো বন্ধ কৰি দিব বিচাৰিছিল । এই উদ্দেশ্যে বিন্ধ্যা পৰ্বত দিনে দিনে ওখ হৈ গৈ আছিল । দেৱতা আৰু ঋষি-মুনিসকলে বিন্ধ্যাক এইকাম নকৰিবলৈ অনুৰোধ কৰিছিল, কিন্তু বিন্ধ্যাই তেওঁলোকৰ কথা কৰ্ণপাত নকৰিলে ।

বিন্ধ্যা পৰ্বত আছিল অগস্ত্য মুনিৰ শিষ্য। দেৱতাসকলে মুনিক গৈ অনুৰোধ কৰি কৈছিল, তেওঁ যেন তেওঁৰ শিষ্যক সূৰ্য্য অথবা চন্দ্ৰৰ দৰে দেৱতাৰ দৈনন্দিন গতিপথত বাধা দিয়াৰ পৰা বিৰত কৰায় ।

অগস্ত্য মুনিয়ে এক নতুন উপায় অৱলম্বন

কৰিছিল । মুনিয়ে পৰ্বতৰ ফালে আগবাঢ়ি যাওঁতে পৰ্বতে মুনিক সন্মান জনায় শিৰ নত কৰিছিল । মুনিয়ে পৰ্বতক আশীৰ্বাদ দি কৈছিল, "মই উভতি নহালৈকে তুমি এইদৰে থাকিবা !

পৰ্বতে গুৰুৰ বাক্য অৱমাননা কৰাৰ প্ৰশ্নই নুঠে । কিন্তু গুৰুৱে আৰু কোনো দিন উভতি অহা নাছিল । দেশৰ দক্ষিণ অঞ্চলত তেওঁ থাকিবলৈ লৈছিল । সেয়েহে বিন্ধ্যা পৰ্বতে শিৰ নত কৰিয়ে থাকিল । পূবৰ পৰা পশ্চিমলৈ যোৱা সূৰ্য্যৰ পথটোও বাধাহীন হৈ থাকিল ।

আকৌ এবাৰ দেৱতাসকলে মুনিক অনুৰোধ কৰি কৈছিল, "মুনিবৰ কালকেয় সকলৰ অত্যাচাৰৰ অন্ত পেলাবলৈ আমাক সহায় কৰক ।" মুনিয়ে দেৱতাসকলৰ কথাত সন্মতি জনাই সাগৰ অভিমুখে আগবাঢ়ি গৈছিল । দেৱতা আৰু ৰজাসকলো তেওঁৰ পিছে পিছে গৈছিল । মুনিয়ে সাগৰৰ পাৰত উপস্থিত হৈ কিছুসময় থিয় হৈ আছিল । মুনিয়ে কি কৰিব বিচাৰিছে কোনেও একো অনুমান কৰিব পৰা নাছিল ।

মুনি কিছু সময় মৌন হৈ থাকি হাতৰ তলুৱাখন চোল পাতি ধৰিছিল । কিন্তু কি আচৰিত ! সমুদ্ৰই পৰিহাস কৰি মুনিৰ হাতৰ চলুৱাত গৈ ঠিছিল । তাৰ পাছত মুনিয়ে হাতৰ চলুৱাৰ পানীবোৰ ঢোক ঢোক কৈ পি খাইছিল । সমুদ্ৰ শুকাই যোৱাত দৈত্যসকল ওলাই পৰিছিল । নকলেও হব যে ইয়াৰ পাছত দেৱতা সকলৰ পক্ষে দৈত্যসকলক বধ কৰাত সহজ হৈছিল ।

সদৌ শেষত আমি তোমালোকক কিছুমান আৱশ্যকীয় কথা কব বিচাৰিছো । যিসকলে ভাৰতীয় পুৰাণ আদি অধ্যয়ণ কৰিছে তেখেতসকলে কৈছে যে এই কাহিনীবোৰৰ কিছুমান ভিতৰুৱা অৰ্থ আছে। ইয়াতে সমুদ্ৰই সচেতনতাৰ কথা বুজাইছে । তোমালোকে এতিয়া কাহিনীটোৰ কথাই জানি থোৱা । সময়ত তোমালোকে ইয়াৰ প্ৰতি আৰু বেচি আকৃষ্ট হবা আৰু তেতিয়া অতি গভীৰ ভাবে অধ্যয়ন কৰি এনেধৰণৰ কাহিনীৰ আঁৰত লুকাই থকা সত্যবোৰৰ কথা জানিব পাৰিবা ।

-বিন্দুসাৰ

ভাৰতৰ বিষয়ে জানি লোৱা

প্ৰশ্নাৱলী

স্কুলত তোমালোকে ভাৰত বুৰঞ্জী আৰু ভূগোল পঢ়িছা। তোমালোকে সম্ভবতঃ বুৰঞ্জীৰ ঘটনাবোৰৰ কথা বেচিকৈ মনত ৰাখিব পাৰিছা। এই মাহৰ প্ৰশ্নৱলীত ভূগোল আৰু তাৰ সৈতে যুক্ত বিষয়ৰ প্ৰশ্ন সোধা হৈছে।

১. উত্তৰ পূৰ্বাঞ্চলৰ এশাৰী পৰ্বতৰ এনে এক নাম আছে যাৰ সাহিত্যিক অৰ্থ হ'ল 'সাপৰ বাসস্থান'। পৰ্বতশ্ৰেণীৰ নাম কি কোৱা ?

২. শ্ৰীৰঙ্গপতনম দ্বীপটো কোন নদীত অৱস্থিত ?

৩. পইন্ট পালমাইৰাচ উৰিষ্যাৰ এটা নদীৰ মোহনাত আছে। নদীটোৰ নাম কোৱা ?

৪. কোনখন ৰাজ্যত অভ্যন্তৰীণ জলপৰিবহন ব্যৱস্থা বেচি আছে।

৫. স্পিটি উপত্যকাৰ কোনখন গাঁৱক সাধাৰণতে বিশ্বৰ উচ্চতম গাওঁ বুলি কোৱা হয় ? ইয়াৰ উচ্চতা কিমান ?

৬. কেৰেলাৰ কোনটো হ্ৰদলৈ পম্বা, পেৰিয়াৰ আৰু মৰিমালা নদীৰ নলা বৈ আহিছে ?

৭. মহাৰাষ্ট্ৰৰ পশ্চিম ঘাট পৰ্বতত থকা কোনখন চহৰ উচ্চতম পাৰ্বত্য চহৰ ?

৮. জোগ জলপ্ৰপাতটো ভাৰতৰ কোনটো নদীৰ আতাইতকৈ উচ্চতম জলপ্ৰপাত ?

৯. বুন্দীৰ দুৰ্গত এটা কৃত্ৰিম হ্ৰদ আছে আৰু তাত আধা ডুব গৈ থকা এটা বৰুণৰ মন্দিৰ আছে। হ্ৰদটোৰ নাম কি ?

১০. বিন্ধ্যাই মধ্যপ্ৰদেশৰ এটা ৰাজপুত গোষ্ঠীক নামটো ধাৰলৈ দিছিল ? সেই জনগোষ্ঠীটোৰ নাম কি ?

(উত্তৰ অহা সংখ্যাত)

মে মাহৰ প্ৰশ্নাৱলীৰ উত্তৰ

১. বাহমিনি, চুলতান আলাউদ্দিন, ১৩৪৭।

২. আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ মাজৰ টেন ডিগ্ৰী প্ৰণালী।

৩. কটক

৪. বোম্বাই (বৰ্তমানে মুম্বাই)

৫. দিল্লী

৬. কলিকতা (এতিয়াৰ ক'লকাতা)

৭. মাদুৰাই - ভৈ গৈ নদী

৮. পম্বন যোজক



জোঁৰ লোৱা পিশাচ

ৰামপুৰ গাঁৱত কমল নামৰ এজন মানুহে তেওঁৰ পৰিয়ালৰে সৈতে বাস কৰিছিল । হাবিৰ কাষতে গাঁওখন অৱস্থিত । তাৰ অলপ দূৰত থকা এখন সৰু চহৰত কমলৰ নাৰিকলৰ দোকান আছিল ।

সেইদিনা দোকানৰ পৰা ঘৰলৈ উভতি আহোতে অলপ পলম হৈছিল । কিনকিনীয়া বৰষুণ দি আছিল । সদায় তেওঁ যিটো বাটেৰে যায় সেইটো বাটোৰেই খোজকাঢ়ি গৈ আছিল। লাহে লাহে বৰষুণ ডাঙৰ হবলৈ ধৰিলে । কমলে দৌৰি দৌৰি গৈ এখন শিৱৰ থানত সোমাল ।

তাত সোমোৱাৰ লগে লগে সাপৰ ফোচ্ফোচনি শুনি তেওঁ ভয় খাই গ'ল । তেওঁ ভাবিলে কোনো সাপে কামোৱাৰ আগতে ইয়াৰ পৰা যোৱাই ভাল হব । বৰষুণত তিতি তিতি ঘৰলৈ যোৱাই মঙ্গল হব ।

হাবিৰ মাজত এন্ধাৰ হৈ আহিছিল । এঠাইত গছৰ মাজেৰে পোহৰ দেখা গৈছিল। তেওঁ সেইফালে আগবাঢ়ি গ'ল । তাত গৈ তেওঁ দেখিলে এটা বুঢ়া পিশাচে হাতত এগছি জোঁৰ লৈ এচটা শিলৰ ওপৰত বহি আছে ।

পিশাচক দেখিয়ে কমলে ভয়তে থৰ্থৰকৈ কঁপিবলৈ ধৰিলে আৰু তাৰপৰা ঘূৰি আহিব খোজোতে পিশাচে মাত লগালে --"ভয় নকৰিবা । ওচৰলৈ আহা । পথ হেৰোৱা নাইতো ? ৰামপুৰলৈ যোৱা যদি সোঁফালে ঘূৰিবা । ভৰতপুৰলৈ যোৱা যদি আৰু সোঁফালে ঘূৰিবা ।" এইবুলি কৈ জোঁৰটো ইফালে সিফালে লৰাই পিশাচে ৰাস্তা দেখুৱাবলৈ ধৰিলে ।

পিশাচৰ কোমল মাত শুনি কমলৰ মনত সাহস আহিল । তেওঁ সুধিলে, "এই ঘোৰ অন্ধকাৰ ৰাতি, তাতে ধাৰসাৰে বৰষুণ দি আছে । এই সময়ত জোঁৰটো হাতত লৈ তুমি ইয়াত বহি থকাৰ কি আৱশ্যক ?"

তেতিয়া পিশাচে জোৰে হাঁহি মাৰি কলে, "মোৰ পুণ্যৰ আৱশ্যক । যেতিয়া জীৱিত

আছিলো মোৰ অৱস্থা ভালেই আছিল । কোনো বস্তুৰে অভাৱ নাছিল । কিন্তু তেতিয়া মই নিজৰ স্বাৰ্থই দেখিছিলো । কোনো মানুহকে সহায় কৰা নাই । কোনো পুণ্য কাম কৰি পোৱা নাই । ফলস্বৰূপে মই পিশাচ হলো। এতিয়া মোৰ পুণ্য কাম কৰাৰ ইচ্ছা হৈছে । মোৰ পাপবোৰ ধুই পেলাব খুজিছো। এনে কৰিলে ভগবানে মোক ক্ষমা কৰিব আৰু পুণ্যলোকলৈ যাব দিব ।”

কমলে অনুমান কৰিলে পিশাচটো পাগল। তেওঁ কলে, “বনৰ মাজত থাকি পথিকক অন্ধকাৰত জোঁৰ দেখুৱাই থাকিলে কিনো পুণ্য মিলিব । তুমি মানুহক পথ দেখুৱাহে আৱশ্যক । মোৰ ঘৰত যদি সোণৰ বৰষুণ অনাব পাৰা তোমাৰ বহুত পুণ্য হব।”

পিশাচে অলপ সময় ভাবি কলে, “স্বাৰ্থপূৰ্ণ ইচ্ছা মই পুৰণ নকৰো । তুমি অন্য কিবা খোজা ।”

তেতিয়া অসন্তুষ্ট হৈ কমলে কলে, “শুনা, মোৰ ওচৰতে থকা মঙ্গল মানুহজন বৰ দুখীয়া । তাৰ খাবলৈকে নাই । তাৰ ঘৰটো সোণেৰে ভৰাই দিয়া ।” তেওঁৰ কথাৰ সুৰত ব্যঙ্গ ভাব আছিল ।

পিশাচে সেইটো বুজিব পাৰি কলে, “ইমান বৰষুণটো মোৰ জোঁৰটো নুমুৱা নাই। ইয়াৰ মানে হ'ল আনৰ ইচ্ছা পুৰণ কৰাৰ শক্তি মোৰ আছে । তুমি এইটো নাজানা । ঠিক আছে । তুমি গৈ মঙ্গলক কবা তেওঁৰ ঘৰৰ পিছফালে যিডাল নাৰিকল গছ আছে তাৰ তলখন খন্দিলে টকা পাব । কিন্তু, যিজন ইয়াৰ বাবে যোগ্য নহয় তেওঁ খান্দিলে সাপহে ওলাব।”

কমলে ঘৰ আহি পাই তেওঁৰ পত্নীৰ আগত সকলো কথা বিবাৰি কলে আৰু তাৰ পাছত এইবুলি মন্তব্য কৰিলে, “যিয়েই নহওক, মঙ্গল খুব ভাগ্যবান ।”

তেতিয়া তেওঁৰ পত্নী দুৰ্গাই কলে, “মুখমী নকৰিবা । এই কথা মঙ্গলক নজনাবা । তাক কবা, সি যেন বনলৈ গৈ পিশাচক লগ ধৰে আৰু পিশাচক কৈ আমাৰ ঘৰলৈ লক্ষ্মীক লৈ আহে । সেই ধন আমি ক'ত পাম সেই কথাটো জনাৰ পিছতহে আমি তাক নাৰিকল গছৰ তলত থকা টকাৰ কথা কম । বুজিলানে?”

কমলে মঙ্গলক তাকেই কলে । মঙ্গলে তৎক্ষণাত হাবিলৈ গৈ পিশাচক লগ ধৰি উলতি আহিল । সি আহি কমলক কলে,

"পিশাচে কৈছে, তুমি যদি তোমালেকৰ ৰান্ধনী ঘৰৰ বেৰখন ভাঙি দিয়া প্ৰচুৰ সোণৰ মুদ্ৰা পাবা।"

"ঠিক আছে, তাকেই কৰিম। আৰু তুমিও শুনা। তোমাৰ ঘৰৰ পিছফালে যিডাল নাৰিকল গছ আছে তাৰ তলখন খান্দিলে বহুত টকা পাবা।" কমলে কলে।

তাৰ পাছত কমল আৰু পত্নী দুৰ্গাই মিলি ৰান্ধনীঘৰৰ বেৰখন ভাঙি দিলে। তাৰ পৰা কোনো সোণৰ মুদ্ৰাৰ কলহতো নোলালেই বৰং বেৰখন বহুদিনৰ পুৰণি হোৱা হেতুকে তাৰ মাজৰ পৰা বিছা আৰু সাপহে ওলাল।

কমলে খঙতে একো নাই হৈ জোঁৰলোৱা পিশাচক বিচাৰি ওলাই গ'ল। কিন্তু পিশাচক বিচাৰি নাপালে। নিৰ্জন শিৱৰ থানত শুই থকা সাধুজনে কমলক খুব বিৰক্ত যেন দেখি সুধিলে, "বাচা, তুমি জোঁৰলোৱা পিশাচটোক বিচাৰি আছা নহয় নে? মই তাক এইবুলি কৈ পঠাইছিলো, তোমাৰ যদি পুণ্য অৰ্জনৰ ইচ্ছা আছে এনে ঠাইলৈ যাবা য'ত মানুহক দেখা নোপোৱা। মই তাক একান্ত মনে ভগবানৰ ধ্যানত বিলীন হৈ যাবলৈ কৈছিলো। পিছে সেই পিশাচৰ সৈতে তোমাৰ কি সম্পৰ্ক মই জানিব পাৰোনে?"

কমলে সকলো কথা সাধুৰ আগত কলে। লগতে ইয়াকো কলে, "পিশাচে মোক ঠগীলে। সি কোৱা মতে বেৰখন ভাঙিলো। টকাতো নাপালোৱে বৰং মোৰ ঘৰটোহে এতিয়া ভাঙি পৰিব।"

সাধুৱ হাঁহি মাৰি কলে, "বাচা, ইয়াত পিশাচৰ দোষ ক'ত? প্ৰথমতেইতো তোমাক সি স্বাৰ্থ থকা বৰ খুজিবলৈ বাধা দিছিল। তেতিয়াহলে ইচ্ছা পুৰণ নহব। তুমি মঙ্গলৰ কাৰণে যি খুজিছিলা তাত তোমাৰ স্বাৰ্থ নাছিল। সেই বাবে সেই ইচ্ছা পুৰণ হৈছে। কিন্তু তোমাৰ কাৰণে লক্ষ্মীক খুজি আনিবলৈ তুমিহে মঙ্গলক কৈ পঠাইছা। সি তোমাৰ বাবে নিজে খুজি অনা নাই। ইয়াতে তোমাৰ স্বাৰ্থ জৰিত আছে। মনত ৰাখিবা স্বাৰ্থপূৰ্ণ ইচ্ছা কেতিয়াও পুৰণ নহয়। এতিয়া বুজিলা নে?"

তেতিয়াহে কমলৰ জ্ঞানোদয় হ'ল। তেওঁ বুজিব পাৰিলে ভাগ্যত যি লিখা থাকে তাকেহে পায়। তেওঁৰ ভাগ্যত পৰিশ্ৰম কৰি ধন অৰ্জন কৰাৰ কথা লিখা আছে। তাকে কৰাই ভাল হব।



ৰসিক ব্যক্তি -- গোপাল ভাড়



কৃষ্ণনগৰৰ ধনী মানুহবোৰৰ ভিতৰত মণিবাবুও এজন । কিন্তু তেওঁ বৰ কৃপণ আছিল । তেওঁ কেতিয়াও চুলিত তেল নিদিছিল যাৰ কাৰণে তেওঁৰ চুলিবোৰ জপৰা হৈ আছিল । তেওঁ পিন্ধিথকা ধুতিখনো সপ্তাহত এদিন হে ধুইছিল। তেওঁ লেতেৰা-পেতেৰা হৈ থকা কাৰণে কোনোৱে তেওঁৰ বন্ধু হব নুখুজিছিল ।

এবাৰ উৎসৱৰ সময়ত কিছুমান ল'ৰা তেওঁৰ ওচৰলৈ চান্দাৰ কাৰণে গৈছিল । "তোমালোকক ফটকা মাৰিবলৈ টকা লাগে ? এইবোৰ মাথোঁ টকা অপব্যয় কৰাহে কথা ! গুচি যোৱা ইয়াৰ পৰা ।" তেওঁ ধমক দি কৈছিল । ল'ৰাকেইজনে অসন্তুষ্ট মনে গুচি আহিছিল ।



বাটতে তেওঁলোকে গোপাল ভাড়ক লগ পাইছিল। তেওঁলোকে গোপালৰ আগত তেওঁলোকৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি কৈছিল, "চুবুৰীৰ সকলো মানুহেই চান্দা দিছে। তেওঁনো অন্ততঃ পঞ্চাশ টকাও দিব নোৱাৰিলে নে ?" ল'ৰাকেইজনে খেদ কৰি কৈছিল ।

"মণিবাবু এজন কৃপণ বুলি তোমালোকে নাজানানে ?" গোপাল ভাড়ে সান্ত্বনা দি কৈছিল, লগতে সহায় কৰিব বুলিও কৈছিল । গোপালে ভাবিলে মণিবাবুক অলপ শিক্ষা দিব পাৰিলে নিশ্চয় সকলোৱে ভাল পাব । "সন্ধিয়ালৈ আহিবা, মই তেওঁৰ পৰা এশটকা চান্দা আদায় কৰি দিম।" কথা শুনি ল'ৰাবোৰৰ মুখত হাঁহি বিৰিঙিল ।





মণিবাবুৱে বাগিছাত পাচলি চিঙাত ব্যস্ত হৈ আছিল । গোপাল-ভাড় অহা দেখি তেওঁ সেইবোৰ তৎক্ষণাত লুকাই থৈছিল । "মই উপবাসে আছো, মই মাথোঁ ৰাতিৰ সাজহে খাম।" ৰাতিৰ কাৰণে তুমি পাচলিখিনি ৰাহি কৰিব পাৰা; কিন্তু ভাবি চোৱাচোন তুমি কিমান টকা অপব্যয় কৰিছা ?" গোপালে কৈছিল ।



"মই ? টকা অপব্যয় কৰিছো ?" মণিবাবুৱে আচৰিত হৈ চাইছিল । "ৰাতি কোনোবা আলহী আহিলেহে মই চাকি জ্বলাও । আলহী বহাৰ পিছত আকৌ নুমাই থওঁ । কথা পতাৰ সময়ত পোহৰৰ দৰকাৰ কি !" মণিবাবুৱে বুজাই কৈছিল। "কথা যদি সেইটোৱে, আন্ধাৰত বহি থকাৰ সময়ত কাপোৰ পিন্ধি থকাৰ আৱশ্যাক কি ? মিছাতে চকীত ঘহনি খাই কাপোৰখন ক্ষয় হৈ যাব," গোপালে কৈছিল ।



"তুমি এটা চকুৰে দেখা নে ?" গোপালে সুধিছিল । "নিশ্চয় দেখা পাও ।" মণিবাবুৱে উত্তৰ দিছিল । "তেনেহলে তুমি দুখন গ্লাছ থকা চচমা পিন্ধি টকা অপব্যয় কৰিছা কিয় ? এখন গ্লাছ থকা চচমা পিন্ধিলে হয় দেখো ।" গোপালে কৈছিল । মণিবাবুৱে ভাবিছিল গোপাল তেওঁতকৈও বেচি বুদ্ধিমান । গোপালক আৰু বলে নোৱাৰি ।



"গোপাল তোমাৰ আচল উদ্দেশ্য কি ?" মণিবাবুৱে পোনে পোনে সুধিছিল । "অতি সাধাৰণ । তুমি টকা খৰছ নকৰি, সেইবোৰৰ মাথোঁ অপব্যৱহাৰ কৰিছা ! অলপ চান্দা দি আমাৰ ল'ৰাবোৰক উৎসৱটো উপভোগ কৰিবলৈ দিয়াচোন ।" গোপালে কৈছিল । মণিবাবুৱে লজ্জিত ভাবে এশটকীয়া নোট এখন গোপালৰ ফালে আগবঢ়াই দিছিল ।



কোন্দপল্লিৰ পুতলা

অদূৰ ভৱিষ্যতলৈ যদি তুমি তিৰুপতি তিৰুছানূৰলৈ ফুৰিবলৈ যোৱা তেতিয়াহলে অন্ধ্ৰপ্ৰদেশৰ ঐতিহ্যপূৰ্ণ কাঠৰ পুতলা কিনাতোও তোমাৰ বজাৰৰ তালিকাত ধৰি থবা । এই লোক-শিল্পৰ কাৰণে অন্ধ্ৰ প্ৰদেশৰ চাৰিটা কেন্দ্ৰ অতি জনপ্ৰিয় । সেয়া হ'ল -- কোন্দাপল্লি, তিৰুছানুৰ, নিৰ্মল আৰু এতিকিওপক্ক । এই চাৰিটা কেন্দ্ৰৰ ভিতৰত কোন্দাপল্লিৰ পুতলাবোৰ অতি বিখ্যাত । কাৰণ এইবোৰ টেলা পেনিক্কি নামৰ এবিধ কোমল কাঠত খোদাই কৰি তৈয়াৰ কৰা হয় । পোনিক্কি গছৰ পৰা তৈয়াৰ কৰা এই কাঠ এই অঞ্চলৰ গাওঁবোৰত প্ৰচুৰ পৰিমাণে পোৱা যায় ।

কোন্দাপল্লিৰ শিল্পীবোৰ আৰ্য্যক্ষত্ৰিয় জাতিৰ লোক । তেওঁলোকে পুৰুষাণুক্ৰমে এই পুতলা তৈয়াৰ কৰা কাম কৰি আহিছে ।

পুতলাবোৰ পৌৰাণিক আখ্যানৰ চৰিত্ৰ, ঘটনা আৰু গ্ৰাম্য বিষয়বস্তু চিত্ৰিত কৰি তৈয়াৰ কৰা হয় । তুমি বোধহয় গাঁৱলীয়া চৰিত্ৰ -- বোৱনী, কৃষক, বেপাৰী, সাপৰ খেলা দেখুৱা লোক, ধুবী আদিক চিত্ৰিত কৰা ধুনীয়া পুতলা দেখিছাই । ইয়াৰ বাহিৰেও ম'ৰা চৰাই, ভাটৌ, সাৰেং উট, গাহৰি, ঘোঁৰা, বাঘ আৰু হাতী আদি পশু পক্ষীবোৰ ধুনীয়াকৈ পোনিক্কি কাঠত কাটি পুতলা তৈয়াৰ কৰে । আগৰ দিনত শিল্পীবোৰে সম্পূৰ্ণ প্ৰাকৃতিক ভাবে তৈয়াৰ কৰা ৰং ব্যৱহাৰ কৰিছিল । কিন্তু আজি কালি ৰাসায়নিকভাবে তৈয়াৰ কৰা ৰং ব্যৱহাৰ কৰে ।

কোন্দপল্লিৰ পুতলাবোৰ তুমি সংগ্ৰহ কৰিলে তোমাৰ ড্ৰইং ৰুমৰ শ্ব'কেছত ই এটা নতুন সংযোজন হব । তামিলনাডুৰ লোক সকলে ইয়াক বোম্বাই কুলুত প্ৰদৰ্শন কৰিব পাৰিব (নৱৰাত্ৰি বা দশহাৰা উৎসৱত তামিলনাডুত পুতলা প্ৰদৰ্শন কৰা হয় ।)

চান্দমামাৰ

বসুধা

In collaboration with
KALPAVRIKSH
& NBSAP



Sponsored by National Foundation for India

নেচনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়া (এন এফ আই)

এন এফ আই হ'ল সমাজৰ অৱহেলিতসকলৰ উন্নয়নত সহায় কৰিবলৈ গঢ়ি উঠা এক স্বতন্ত্ৰ সংস্থা । এই সংস্থাই এখন বৈষম্যহীন সমাজৰ প্ৰতিজন ব্যক্তিৰে জীৱনৰ মৰ্য্যাদা আৰু আত্মসন্মানৰ অধিকাৰৰ কথা স্বীকাৰ কৰে । ইয়ে সামাজিক বাধা নেওচি অৱহেলিত ব্যক্তি তথা গোষ্ঠীৰ জীৱনৰ মান উন্নয়নত সহাৰি জনাই আহিছে ।

আমাৰ কাৰ্য্যসূচী

লিঙ্গ পক্ষপাতহীনতা আৰু ন্যায্যতা : লিঙ্গ পক্ষপাতহীনতা কাৰ্য্যসূচীৰ দ্বাৰা কন্যা সন্তানবোৰে সন্মুখীন হোৱা বঞ্চনাৰ নিচিনা বিষয়বোৰৰ ওপৰত প্ৰাথমিক ভাৱে দৃষ্টি আকৰ্ষণ কৰা হয় । কন্যা সন্তান হত্যা, ভ্ৰূণ হত্যা আৰু দ্ৰুতভাৱে নামি অহা লিঙ্গ অনুপাতৰ দৰে বিষয়বোৰৰ ওপৰত আলোচনা কৰা হয় আৰু কৌশলগতভাৱে নীতি নিৰ্দ্ধাৰণৰ ওপৰত হস্তক্ষেপ কৰা হয় ।

ৰাজহুৱা বিষয় আৰু নগৰীয়া শাসন : এই কাৰ্য্যসূচী মতে এনে এক শাসন পদ্ধতিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে যিয়ে মানুহৰ সাৰ্বিক উন্নতি ঘটায় । ক্ষমতা বিকেন্দ্ৰীকৰণ, স্বচ্ছতা আৰু দায়িত্ব পালন, আৰু দাৰিদ্ৰতা দূৰীকৰণ আদিও এই শাসন ব্যৱস্থাত থাকিব । এন এফ আই-এ ৰিপোৰ্ট কাৰ্ড অধ্যয়ন আৰু নিৰ্বাচিত প্ৰতিনিধিবোৰক প্ৰশিক্ষণ দিয়া আদি কাৰ্য্যকো সমৰ্থন কৰে । এই সংস্থাই ভাল স্থানীয় শাসনৰ কাৰণে পুৰস্কাৰবো প্ৰবৰ্তন কৰিছে ।

আঞ্চলিক অসমতা দূৰীকৰণ : উত্তৰ পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক অসমতা দূৰ কৰাৰ কাৰণে সংস্থাই স্থানীয় স্বেচ্ছাসেৱী সংস্থাবোৰৰ লগত লগ লাগি সামাজিক উন্নয়ন কাৰ্য্যসূচীবোৰত সহায় কৰি আহিছে । এই সংস্থাৰ আৰু উদ্দেশ্য হ'ল স্থানীয় স্বেচ্ছাসেৱী সংস্থাবোৰে কাম কৰি থকা অঞ্চলবোৰত সন্মুখীন হোৱা সমস্যাবোৰ সমাধান কৰাৰ কাৰণে সংস্থাবোৰৰ ক্ষমতা আৰু সামৰ্থ বৃদ্ধি কৰা, তথ্য আদান প্ৰদান কৰিবলৈ সক্ষম কৰা আৰু গৱেষণাৰ কামত সহায় কৰা ।

যোগাযোগ ব্যৱস্থা উন্নয়ন : সমাজৰ উন্নয়নমূলক কামবোৰত সহায়ক হবলৈ সমাজৰ লোকসকলে যোগাযোগৰ আহিলা পাতিবোৰ ব্যৱহাৰ কৰিবলৈয়াতে সক্ষম হয় সেই উদ্দেশ্যে যোগাযোগ ব্যৱস্থা উন্নয়ন কাৰ্য্যসূচী হাতত লোৱা হৈছে । যোগাযোগ ব্যৱস্থাৰ উন্নতিকল্পে এন এফ আই-এ উন্নয়নমূলক বিষয়ৰ ওপৰত লিখা আৰু গৱেষণাৰ কাৰণে সাংবাদিক সকলৰ বাবে মেডিয়া ফেলোশ্বিপ আৰু নৰ্থইষ্ট মেডিয়া এক্সচেঞ্জ প্ৰগ্ৰেম্ প্ৰবৰ্তন কৰিছে ।

এন এফ আই উদ্ভাৱন পুঁজি : এই সংস্থাই ইউ.কে-ৰ চেণ্টাৰ এফ ইন্নোভেশ্বনচ্ ইন ভলেণ্টাৰী একশ্বন্ আৰু আক্সফাম (OXFAM)ৰ সহযোগিতাত এন এফ এই দ্বাৱন পুঁজি আৰম্ভ কৰিছিল । এই পুঁজিৰ পৰা স্বাস্থ্য আৰু স্বেচ্ছাসেৱামূলক ক্ষেত্ৰত উদ্ভাৱনমূলক প্ৰকল্পবোৰৰ কাৰণে কম কম অনুদান দিয়া হয় ।

সবিশেষ জানিবলৈ : **নেচনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়া**
কোৰ IVএ, ইউ জি ফ্লোৰ, ইণ্ডিয়া হেবিটেট্ চেণ্টাৰ, লোডি ৰোড, নতুন দিল্লী - ১১০০০৩.
Ph: 464 18 64/65, 464 84 90/92 Fax: 464 18 67
Email: root@nfi.org.in Website: www.nfi.org.in

মৰমৰ বন্ধুসকল,

জীৱবৈচিত্ৰৰ বিষয়ে পৰিশিষ্ট, জুন ২০০২

প্ৰতি বছৰে ৫ জুনৰ বিশ্ব পৰিবেশ দিৱসৰ দিনাখন আমি একেলগে বহি বন্য প্ৰাণী আৰু গছ-গছনি সংৰক্ষণ কৰাতো কিমান আৱশ্যক এই বিষয়ে আলোচনা কৰো। পিছত আমি এইবোৰ কথা পাহৰি যাওঁ। এই বছৰ অলপ বেলেগ হব বুলি ভাবো। আমাৰ দেশৰ আচৰিত ধৰণৰ বিভিন্ন প্ৰাণী-উদ্ভিদ, জীৱ-জন্তু, সাগৰীয় জীৱ, ক্ষুদ্ৰ ক্ষুদ্ৰ জীৱ, মানৱ জীৱন আৰু তাৰ বাসস্থান সম্পৰ্কে জানিব পাৰিবা।

বিভিন্ন জীৱ-জন্তু আৰু উদ্ভিদ সম্পৰ্কে তোমালোকক জনাবলৈ চান্দমামাই জীৱ বৈচিত্ৰৰ ওপৰত বসুধা নামৰ এক সংযোজন উলিয়াইছে। বসুধাৰ পৃষ্ঠপোষকতা কৰিছে নেচনেল ফাউণ্ডেচন এফ ইণ্ডিয়াই। ইয়াৰ বিষয়বস্তু আহিছে কল্পবৃক্ষ নামৰ পৰিবেশৰ সৈতে জৰিত এটা সংস্থাৰ পৰা। জাতীয় জীৱবৈচিত্ৰ কৌশল আৰু কাৰ্য্য-পৰিকল্পনা।

বসুধাই জীৱ-বৈচিত্ৰ সংৰক্ষণ সম্পৰ্কে ভালদৰে বুজাই কব। ইয়াতে ভাৰতৰ কিছুমান বিৰল প্ৰজাতিৰ জন্তু, উদ্ভিদ আৰু শস্যৰ বিষয়ে প্ৰকাশ কৰা হৈছে। এই সংখ্যাটোৱে তোমাক জীৱবৈচিত্ৰ সংৰক্ষণৰ সৈতে জৰিত কিছুমান মানুহৰ লগত পৰিচয় কৰাই দিব।

কিন্তু ঠাইৰ অভাবৰ কাৰণে আমি বিচৰা মতে জীৱবৈচিত্ৰৰ আটাইকেইটা দিশকে সামৰি বসুধাত বিস্তাৰিত ভাবে প্ৰকাশ কৰিব পৰা নগল। উদাহৰণ স্বৰূপে পানীত থকা জীৱ আৰু ইকোচিষ্টেমৰ বিষয়ে জানিবলৈ তোমালোকে আৰু এটা সংখ্যাৰ কাৰণে অপেক্ষা কৰিব লাগিব। ইয়াৰ দ্বাৰা আমি মাথোঁ জীৱবৈচিত্ৰ সম্পৰ্কে তোমালোকৰ আগ্ৰহ জন্মাব খোজো আৰু তোমালোকে প্ৰকৃতিপ্ৰেমী হোৱাতো বিচাৰো। তোমালোকে সকলো জীৱৰ বিষয়ে অবগত হোৱা আৰু সেইবোৰৰ বিষয়ে চিন্তা ভাবনা কৰাতো আমি আশা কৰো। এইটো কেৱল বিশ্ব পৰিবেশ দিৱসৰ দিনাখন বক্তৃতা দিয়া বা ৰচনা লিখাতেই সীমাবদ্ধ থাকিব নালাগে। মনত ৰাখিবা, সৰু সৰু পানীৰ টোপাল লগলাগিয়েই বৃহৎ সাগৰৰ জন্ম হয়।

বহুত মৰমেৰে।

বিশ্বম

সম্পাদক, চান্দমামা

Technical Consultant :
Kalpavriksh/NBSAP
Address : Apt.5, Shri Dutta Krupa,
908, Deccan Gymkhana,
Pune - 411 004. India. Tel/Fax : 020-5654239
E-mail : kalpavriksh@vsnl.net

চৰক ৰ আৰু জীৱবৈচিত্ৰ :

ভাৰতৰ জীৱ-জন্তু আৰু উদ্ভিদবোৰক ৰক্ষা কৰি ৰখাতো ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব। সেয়েহে কিছুমান অৰণ্যক 'জাতীয় উদ্যান' অথবা 'অভয়াৰণ্য' হিচাবে ঘোষণা কৰি সংৰক্ষণ কৰা হয়, যাতে মানুহে যধেমধে গৈ অৰণ্যৰ প্ৰাণীবোৰৰ শান্তিত ব্যাঘাত ঘটাব নোৱাৰে। ভাৰতৰ মুঠ মাটিৰ ৫ শতাংশ আগুৰি ৫৫০ খনতকৈও অধিক এনে ধৰণৰ উদ্যান আছে। চিকাৰিৰ হাতৰ পৰা বন্য জন্তুবোৰক ৰক্ষা কৰাৰ কাৰণে বন্য জন্তু (সংৰক্ষণ) আইন আছে। বিভিন্ন ধৰণৰ শস্য আৰু গৰু ম'হৰ লালন-পালনৰ কাৰণে বীজ বেঙ্ক আৰু বিশেষ প্ৰজনন কেন্দ্ৰ আছে। তথাপিতো বহুতো উদ্ভিদ আৰু জীৱ-জন্তু বিলুপত হোৱাৰ পথত। চৰকাৰে অনুভব কৰিব পাৰিছে এইটো কেৱল জীৱবৈচিত্ৰইহে ৰক্ষা কৰিব পাৰিব, যদিহে আমি সকলোৱে সহযোগ কৰো।...তুমিও যোগদান কৰিব খোজা নেকি ? তোমাৰ ওচৰৰ সংৰক্ষিত অঞ্চল এটা বাচি উলিয়া আৰু তাক তুমি কেনেকৈ সংৰক্ষণ কৰিবা ...।

Designed and produced by Chandamama India Ltd., 82 Defence Officers Colony
Ekkatuthangal, Chennai - 600 097. Phone : 234 7384, 234 7399. Website : www.chandamama.org.

সৰু ডাঙৰ জীৱ

তুমি কিমান বিধ জন্তু আৰু উদ্ভিদৰ নাম কব পাৰিবা ? দহ ? পঞ্চাশ ? যদি তুমি ৫০ বিধতকৈ অধিক নাম কব পাৰা তোমাক প্ৰতিভাশালী বুলি ধৰা হব ! কিন্তু তুমি জানানে যিসকল শিশুৱে হাবিৰ কাষত অথবা সমুদ্ৰ উপকূল অঞ্চলত বাস কৰে তেওঁলোকে এশতকৈও অধিক নাম কব পাৰিব, আৰু কিছুমানে আনকি একেলগে কেইশমান নাম কব পাৰিব ? সেইসকল শিশুৱে কিজানি কেতিয়াও স্কুললৈ যোৱাই নাই !

ঠিক আছে, তোমালোকে কিমান বিধ ধান অথবা গম ধানৰ নাম কব পাৰিবা দুই ? পাঁচ ? যদি তুমি দহতকৈ বেচি বিধ ধানৰ নাম কব পাৰা তোমাক বাঃ বাঃ দিয়া হব ! কিন্তু তুমি গাঁৱত বাস কৰা মণিপুৰ, কেৰেলা অথবা ছত্তিশগড়ৰৰ শিশুবোৰক সোধা, তেওঁলোকে কেই ডজনমান শস্যৰ নাম কব পাৰিব !

তুমি বাৰু জানানে, অকল ভাৰততে ১২৫,০০০ প্ৰকাৰতকৈও অধিক উদ্ভিদ আৰু জন্তু আছে ? আৰু বহু প্ৰকাৰ (যিবোৰ চকুৰে মনিব নোৱাৰি) এতিয়াও আৱিষ্কাৰেই হোৱা নাই । পৃথিৱীত থকা ৫,০০,০০০ প্ৰকাৰতকৈও অধিক উদ্ভিদ আৰু প্ৰাণীৰ এইটো এক ক্ষুদ্ৰ অংশ । এই অংশটোকে কোৱা হয় বায়োডাইভাৰচিটি বুলি । ইকোচিষ্টেমৰ পৰিসৰ (হাবি-বননি, হ্ৰদ, নদী, উপকূল, সাগৰ, পৰ্বত, ঘাঁহনী, মৰুভূমি...) আদি পৰ্য্যন্ত বিয়পি আছে ।

আমাৰ চাৰিওকাষে থকা এই জীৱবৈচিত্ৰ দ্ৰুতভাবে বিলুপ্ত হৈ আহিব ধৰিছে । জন্তুবোৰ চিকাৰীয়ে বধ কৰিছে অথবা সিহঁতৰ থকা ঠাইবোৰ ধবংস কৰি পেলাইছে, গছ-গছনিবোৰ কাটি পেলোৱা হৈছে, যাৰ বাবে পৰিবেশ দূষিত হৈ পৰিছে । তোমালোকে তোমাৰ ককাৰ বয়স পোৱালৈকে ইয়াৰে প্ৰায় চাৰিভাগৰ



এভাগ জীৱ-বৈচিত্ৰ নোহোৱা হৈ যাব।

কোনে সেইবোৰ ধ্বংস কৰিছে ? আমিয়েই! আমাৰ উদ্যোগ আৰু চহৰবোৰে, প্লাষ্টিক, পলিথিন আৰু কাগজৰ পেকেটৰ বস্তু খোৱা প্ৰবণতাই, বিদ্যুতে আৰু কিয়েই বা নহয়!

ভাবি চোৱাচোন, আমাৰ চাৰিওফালে যদি কেৱল মানুহকে দেখি থাকো কিমান বিৰক্তি লাগিব! তাৰোপৰি অন্যান্য কাৰণতো জীৱবৈচিত্ৰৰ আৱশ্যক। তুমি খোৱা গাখীৰ, তুমি পিন্ধা কপাহী কাপোৰ, বিভিন্ন প্ৰকাৰৰ আহাৰ, তুমি ব্যৱহাৰ কৰা কিছুমান ঔষধ, আনকি পানী আৰু অক্সিজেনো পৃথিবীৰ জীৱৰ সৈতে সম্পৰ্কিত।

তুমি এইবোৰৰ ৰক্ষাৰ কাৰণে কিবা কৰিব বিচৰানে ? বহুতো শিশুৱে নেচনেল বায়োডাইভাৰচিটি ষ্ট্ৰেটেজি এণ্ড এক্চন প্লেন (NBSAP) প্ৰকল্পৰ জৰিয়তে এনে ধৰণৰ কাম কৰি আছে। এইটো এটা পৰিবেশ আৰু বন মন্ত্ৰালয়ৰ প্ৰকল্প আৰু ইয়াৰ সমন্বই সাধন কৰিছে কল্পবৃক্ষ নামৰ ২২ বছৰ পুৰণি পাৰিপৰ্শ্বিকতাৰ সৈতে জৰিত এটা সংস্থাই, যাৰ পৰিচালনাত আছে বায়োটেক কন্‌চ'ৰ্‌টিয়াম ইণ্ডিয়া লিমিটেড।

মহাৰাষ্ট্ৰৰ বিদৰ্ভত স্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰে

এচিকটা মাটিত ১০ বিলিয়ন বেক্টেৰীয়া থাকিব পাৰে বুলি তুমি বিশ্বাস কৰানে? এক বিলিয়নত কিমান বাক? যদি তুমি তোমাৰ পেনৰ সোঁপাটোৰ আকাৰ এক বিলিয়নবাৰ বঢ়াব পাৰা তেতিয়া তাত পৃথিৱীখন ফিট কৰি ৰাখিব পাৰিবা।

যোৱা এশ বছৰত ভাৰতৰ পৰা লুপ্ত হোৱা এবিধ স্তন্যপায়ী প্ৰাণীৰ নাম কোৱা।

চিতা বাঘ। প্ৰকৃত বিৱৰণ মতে ছত্তিশগড়ৰ বস্তাৰত ১৯৪৮ চনত ভাৰতৰ শেষ চিতা বাঘ দেখা গৈছিল।

উদ্ভিদৰ দ্বাৰা তৈয়াৰী বস্তু যেনে - কৃষি সঁজুলি, ভেষজ টুথব্ৰাচ, ৰচী আৰু অন্যান্য সামগ্ৰীৰ এখন প্ৰদৰ্শনী পাতিছিল। দিল্লী আৰু চেন্নাইৰ পৰা অহা প্ৰতিবন্ধী শিশুবোৰে এখন কৰ্মশালাত ভাগ লৈছিল, য'ত জীৱবৈচিত্ৰ ৰক্ষা কৰাত শিশুসকল জৰিত হোৱাৰ ওপৰত জোৰ দিয়া হৈছিল। কৰ্ণাটকৰ শিশুবোৰে জীৱ বৈচিত্ৰৰ মানচিত্ৰ তৈয়াৰ কৰি তেওঁলোকৰ গাঁৱত থকা উদ্ভিদ আৰু জীৱ-জন্তুবোৰৰ এখন তালিকা প্ৰস্তুত কৰিছিল।

NBSAP-ৰ অধীনত হাজাৰ হাজাৰ লোক জৰিত হৈ পৰিছে। তেওঁলোকে ভাৰতৰ অৱশিষ্ট জীৱবোৰৰ ৰক্ষাৰ কাৰণে আঁচনি প্ৰস্তুত কৰিছে, যাতে আমি সকলোৱে প্ৰকৃতিৰ দান ভালদৰে উপভোগ কৰিব পাৰো।

এতিয়া তোমালোকে তোমালোকৰ চাৰিওকাষে থকা উদ্ভিদ আৰু জীৱ-জন্তুবোৰৰ ৰক্ষাৰ কাৰণে কিবা অলপ কৰিব নিবিচৰানে ?

- সুজাতা পদ্মনাভন
আশিশ কোঠাৰী

মনোমুগ্ধকৰ উদ্ভিদ জগত !

এই ছবিবোৰলৈ চোৱা । ভাৰতত থকা ৪৭,০০০ প্ৰকাৰ উদ্ভিদৰ ভিতৰত ইয়াত মাথোঁ ৬ বিধহে দেখুৱা হৈছে । উদ্ভিদৰ ছবিবোৰ (য'ত নম্বৰ দিয়া আছে) আৰু তাৰ বিৱৰণবোৰ (তাতো নম্বৰ দিয়া আছে) সানমিহলিকৈ দিয়া আছে । বিৱৰণবোৰ ভালদৰে পঢ়ি ছবি আৰু বিৱৰণ সঠিকভাবে মিলাব পাৰানে চেষ্টা কৰি চোৱা !

মজা আছে !

1

B

কুসুম

তুমি দেখা প্ৰায়বোৰ ধুনীয়া সপুষ্পক উদ্ভিদেই অন্য ঠাইত জন্মহোৱা । কিন্তু কুসুম গছ দক্ষিণ ভাৰতৰ স্থানীয় গছ । গ্ৰীষ্ম আৰম্ভ হোৱাৰ লগে লগে কুসুম গছত নতুন পাত ধৰে । ইয়াৰ পাতবোৰ উজ্জ্বল ৰঙা ৰঙৰ আৰু পাতকেই ফুল বুলি তুমি ভুল কৰিব ও পাৰা ।

বুঢ়া কুসুম গছৰ গা-গছডালৰ ভিতৰখন ফোপোলা হৈ যায় আৰু ইয়াৰ ভিতৰত জেঠী আৰু অন্যান্য প্ৰাণীবোৰে বাস কৰে । চৰাই আৰু কেৰ্কেটুৱাই ইয়াৰ ফলবোৰ খায় আৰু ইয়াৰ গুটিৰ পৰা মূৰত ঘঁহা আৰু মহ খেদা দুয়োবিধ তেলেই তৈয়াৰ কৰা হয় । গতিকে তুমি ইয়াৰ পিছৰ বাৰ গছ ৰোৱাৰ সিদ্ধান্ত কৰিলে এডাল কুসুম গছ ৰোবা ।

A

শেলুৰৈ

এই শেলুৰৈ বিধ শেলুৰৈ আৰু ভেঁকুৰ দুয়ো বিধৰে সংমিশ্ৰন । এইবিধ উদ্ভিদৰ শেলুৰৈ অংশটো নিজে নিজে শুকাই সোনকালে মৰি যায় । ভেঁকুৰৰ আঁহবোৰে ইয়াক শুকাই যোৱাৰ পৰা ৰক্ষা কৰে । ইয়াৰ পৰিবৰ্তে শেলুৰৈ অংশটোৱে সালোক সংশ্লেষণৰ দ্বাৰা আহাৰ তৈয়াৰ কৰি ভেঁকুৰ অংটোকো দিয়ে, কাৰণ এই অংশটোৱে নিজে আহাৰ তৈয়াৰ কৰিব নোৱাৰে । প্ৰদূষণৰ কাৰণে এই শেলুৰৈবিধ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে । যিটো অঞ্চলত এই শেলুৰৈবিধ থাকে, যদি হঠাতে তাৰপৰা নোহোৱা হৈ যায় বুজিব লাগিব তাত প্ৰদূষণৰ মাত্ৰা বাঢ়ি গৈছে ।

2

C

চানডিউ



3

এই বিধ উদ্ভিদে লৰচৰ কৰিব পাৰে আৰু পতঙ্গ ধৰি খায়। বিশ্বাসযোগ্য নহয় বুলি কব পাৰা কিন্তু এইটো সঁচা। ভাৰতৰ পতঙ্গভোজী উদ্ভিদবোৰৰ ভিতৰত চানডিউও এবিধ। এইবিধ অতি সৰু উদ্ভিদ ইয়াৰ ব্যাস এটকাৰ মুদ্ৰাটোৰ সমান আৰু উচ্চতাও সিমানেই। এই উদ্ভিদ বিধ জলাহ ভূমি অঞ্চলত গজি উঠে। ইয়াৰ পাতত থকা এঠাযুক্ত জুলীয়া টোপালৰ পৰা ইয়াৰ নামটো দিয়া হৈছে। ইয়াৰ ওপৰত পৰা বা ইয়াৰ ওপৰেৰে বগাই যোৱা সৰু সৰু পতঙ্গবোৰ পাতত থকা এঠাযুক্ত জুলীয়া অংশত লাগি ধৰে তাৰ পাছত পাতটোৱে মেৰাই ধৰি পতঙ্গটো হজম কৰে।

4

D

গুলভেল

এই ঔষধি গুণ থকা উদ্ভিদ বিধ লতাজাতীয় উদ্ভিদ। ইয়াৰ পাতবোৰ হৰ্তনৰ আকৃতিৰ। এই লতা বিধ এনে ভাবে প্ৰসাৰিত হয় যে কেতিয়াবা ই গোটেই গছডালকে বেঢ়ি ধৰে। এই উদ্ভিদ বিধ ভাৰতৰ পৰিমিত খৰাং অঞ্চলত গজি উঠে। সাধাৰণতে এই লতাৰ ঠাৰিবোৰ টুকুৰা-টুকুৰকৈ কাটি পানীত সিজাই লৈ ইয়াৰ নিৰ্য্যাস বহুতো বেমাৰৰ চিকিৎসাত ব্যৱহাৰ কৰা হয় আৰু টনিক হিচাবেও ব্যৱহাৰ কৰা হয়। অন্যান্য লতাৰ ঠাৰিডাল কাটি দিলে ওপৰৰ অংশটো শুকাই যায়। কিন্তু এইবিধ লতাৰ ঠাৰি কাটিলেও ওপৰৰ অংশটোৱে মাটিলৈ শিপা মেলিদিয়ে।

E

কপৌফুল

এই অৰ্কিড বিধ অন্য গছৰ ওপৰত গজি উঠে। ইয়াক উত্তৰ পূব ভাৰতত আৰু ভাৰতীয় উপদ্বীপ ভাগৰ সেমেকা অঞ্চলত পোৱা যায়। বসন্ত আৰু গ্ৰীষ্ম কালত ইয়াৰ শিয়ালৰ নেজৰ আকৃতিৰ বেগুনীয়া ফুলৰ থোপা হয়। এই অকিৰ্ড যিডাল গছত জন্ম হয় তাৰ বাকলিত মেলি দিয়া ঘন শিপাৰ সহায়ত ই বতাহৰ পৰা পানী আৰু খাদ্য দ্ৰব্য সংগ্ৰহ কৰে। গছডালৰ আশ্ৰয়ৰ বাহিৰে ই গছডালৰ পৰা একো নলায় আৰু গছৰ ক্ষতিও নকৰে।

5

কথা আৰু ছবি : বিবেক গৌৰ-ব্ৰুমে

সঞ্চিত বীজ

অঞ্জম্মাই অন্ধ্ৰপ্ৰদেশৰ এখন গাঁৱৰ এটি সৰু জুপুৰী ঘৰত বাস কৰে। তাইৰ ঘৰটোৰ এটি কোণত ৫০ টা সৰু সৰু খৰাহি ৰাখি থোৱা আছে। প্ৰতিটো খৰাহিতে তেওঁলোকৰ নিজৰ খেতিৰ ধান, মাহ সৰিয়হ আদি শস্যৰ বীজ ৰখা আছে। প্ৰতিবছৰে শস্য চপোৱাৰ পিছত অঞ্জাম্মাই ভাল ভাল শস্যৰ বীজ বাচি ইলিয়াই সেইবোৰ খৰাহি বোৰত থৈ দিয়ে। বোকাৰে লেও দিয়া খৰাহিবোৰত শস্যত পোকে নধৰিবৰ কাৰণে নিম পাত আৰু চাই দি থয়।

অঞ্জাম্মাৰ নিচিনাকৈ আমাৰ দেশৰ বহুতো কৃষকে শস্যৰ ভাল ভাল বীজবোৰ পিছৰ বছৰৰ ব্যৱহাৰৰ কাৰণে ৰাখি থয়। এইদৰে যদি সংৰক্ষণ কৰি ৰখা নহয় তেতিয়াহলে বৰ্ত্তমান উৎপাদিত হোৱা কিছুমান শস্য লুপ্ত হৈ যাব। শস্যৰ ধৰন কি? কলৰ কথাকে ধৰা। তুমি কিমান ধৰণৰ কল খাই পাইছা? ডাঙৰ হালধীয়া, সৰু হালধীয়া, সেউজীয়া, ৰঙচুৱা... এইবোৰেই হ'ল শস্যৰ ধৰণ বা প্ৰকাৰ! তুমি বাৰু জানিছিলা নে যে ভাৰতত ১৬ প্ৰকাৰৰ আলু ৪২ প্ৰকাৰৰ নাৰিকল, ১২৪ প্ৰকাৰৰ আদা, এহেবজাৰতকৈ বেচি বিধ আম আৰু ৫০,০০০ - ৬০,০০০ প্ৰকাৰৰ ধান আছে?

এই বিভিন্ন প্ৰকাৰৰ শস্যৰ ভিতৰত আমি এক প্ৰকাৰো শস্য হেৰুৱাব নলাগে কিয়? এজন কৃষকে ইয়াৰ বহুতো কাৰণ দেখুৱাব...বিভিন্ন প্ৰকাৰৰ শস্যৰ বাবে বিভিন্ন ধৰণৰ মাটি আৰু বিভিন্ন পৰিমাণৰ পানীৰ আৱশ্যক। সেইবোৰ বছৰৰ বিভিন্ন সময়ত চপোৱা হয় (সেয়েহে কিছুমান খাদ্য বছৰৰ সকলো সময়তে পোৱা যায়) আৰু শস্যৰ বিভিন্ন প্ৰকাৰৰ পোক প্ৰতিৰোধৰ ক্ষমতাও বেলেগ বেলেগ। সেয়েহে কৃষকে যদি এবিধ শস্যৰ বিভিন্ন প্ৰকাৰৰ শস্য ৰোপন কৰে খৰাং, বানপানী অথবা পোকৰ আক্ৰমণ যিয়েই নহওক সকলোবোৰেই নষ্ট হৈ নাযায়। উৎসৱ আদিত ব্যৱহাৰ কৰাৰ কাৰণেও প্ৰায়ে বিভিন্ন ধৰণৰ শস্য উৎপাদন কৰা হয়।

গতিকে ইয়াৰ পিছৰবাৰ তুমি গেলামাল, শাক-পাচলি অথবা ফল কিনিবলৈ বজাৰলৈ গলে অঞ্জাম্মাৰ নিচিনা লাখ লাখ কৃষকক ধন্যবাদ জনাবা, যিয়ে বিভিন্ন প্ৰকাৰৰ শস্য জীয়াই ৰাখিছে!

- সুজাতা পদ্মনাভন

এচিয়াটিক সিংহ
ভাৰতৰ..................ৰাজ্যৰ
..................তপোৱা যায়।

য’ত সংৰক্ষণ এক ধৰ্ম

ৰাজস্থানৰ শুকান মৰুভূমি অঞ্চলত কৃষ্ণষাঁড় আৰু চিঙ্কাৰৰ পালবোৰে গৰু আৰু ম’হবোৰৰ কাষে কাষে অতি শান্তভাৱে ঘাঁহ খাই আছে, এই কথাটো কল্পনা কৰাচোন ? অবাস্তৱ বুলি কবা, কিন্তু এইটো সঁচা । ইয়াৰ কাৰণে ধন্যবাদৰ পাত্ৰ হ’ল বিছনোই সম্প্ৰদায়, যিয়ে বিশ্বাস কৰে সকলো জীৱিত বস্তুৱে জীয়াই থকাৰ অধিকাৰ আছে ।

এইটো আৰম্ভ কৰিছিল ৰাজস্থানৰ নাগুৰাৰ জিলাৰ জাম্বোজী নামৰ এজন গাওঁবাসীয়ে। ১৫০৩ চনত জন্ম গ্ৰহণ কৰা গুৰু মহাৰাজ জাম্বোজীয়ে অনুভৱ কৰিছিল, থৰ মৰুভূমি অঞ্চলত বাস কৰিবলৈ হলে জীৱবৈচিত্ৰ সংৰক্ষণ কৰাতো অতি আৱশ্যক । ১৫৪২ চনত তেওঁ বিছনই সম্প্ৰদায় এটা আৰম্ভ কৰি ২৯ টা সাধাৰণ নিয়ম বান্ধি দিছিল।

বিছনই সকলে সকলো প্ৰকাৰ জীৱকে ৰক্ষা কৰে । তেওঁলোকে আনকি খৰি জ্বলোৱাৰ সময়ত খৰিত থকা পৰুৱাবোৰো গুচাই লয় ! তেওঁলোক নিৰামিষ ভোজী আৰু ধুম পানো নকৰে । ইয়াৰে বাহিৰে তেওঁলোকে গছ লতাৰ পৰা তৈয়াৰ কৰা ৰঙো ব্যৱহাৰ নকৰে । বিছনই কৃষকসকলে পথাৰত হাল বাওতে ইমান সাৱধানে হালবায় যাতে ইকোচিষ্টেমৰ কোনো ক্ষতি নহয় । তেওঁলোকে ভেড়া আৰু ছাগলি নোপোহে, কাৰণ এ ইজিন্তুবোৰে মৰুভূমিত গজি উঠা গছ বনবোৰ খাই দিয়ে।

সকলো প্ৰকাৰ জীৱৰ প্ৰতি তেওঁলোকৰ অসীম ভাল পোৱাৰ বহুতো কাহিনী আছে । ১৭৩৭ চনত যোধপুৰৰ ৰজা অভয় সিঙে বহুতো খৰিৰ কাঠ কাটি আনিবলৈ আদেশ দিছিল । যেতিয়া ৰজাৰ মানুহবোৰে সেই অঞ্চলত থকা গছবোৰ কাটিবলৈ ধৰিছিল তেতিয়া বিছনইবোৰে গৈ গছ-বোৰত সাবোত মাৰি ধৰিছিল আৰু কাটিবলৈ বাধা দিছিল । ৰজাৰ সৈনিকে ৩৬৩ জন বিছনইক হত্যা কৰিছিল । ৰজাই এই কথা জানিব পাৰি গছ কটা বন্ধ কৰিবলৈ আদেশ দিছিল । বিছনই সকলক ৰাজস্থান, হাৰিয়ান আৰু পঞ্জাৱৰ কিছু অঞ্চলত পোৱা যায় ।

- বীণা থমাচ

ভাৰতৰ স্থলভাগত থকা বৃহত্তম স্তন্যপায়ী প্ৰাণী হ’ল এচীয় হাতী, ক্ষুদ্ৰতম প্ৰাণী কোন বিধ ? এইটো এবিধ সৰুচিকা জাতীয় প্ৰাণী, যিটো এটা বুঢ়া আঙুলিৰ সমান ডাঙৰ ।

জীৱৰ বিচিত্ৰ চিত্ৰ



এই ছবিখনত থকা প্ৰতিটো চিত্ৰই অতি মনোযোগেৰে লক্ষ্য কৰিলে

এই চিত্ৰবোৰ মহাৰাষ্ট্ৰৰ ওৰলি জনজাতিৰ চিত্ৰ কলাৰ অনুকৰণত অঁকা হৈছে ।

দেখিবা প্ৰকৃতিৰ প্ৰতিটো বস্তুৱে কেনেদৰে পৰস্পৰ নিৰ্ভৰশীল ।

জৰধাৰগাওঁৰ পুনৰ্জন্ম

আজি, জৰধাৰ গাওঁৰ এজন অতি সন্মানিত ব্যক্তি বিজয়ে পৰ্বতৰ ওপৰলৈকে খোজকাঢ়ি উঠি যোৱাৰ সিদ্ধান্ত কৰিছে।

জৰধাৰ গাওঁখন উত্তৰাঞ্চল ৰাজ্যৰ পৰ্বতৰ হেলনীয়া অঞ্চলত অৱস্থিত। বিজয়ে গাওঁখনৰ ওপৰত থকা ওক আৰু ৰোডোড্রেনড্রন গছ থকা হাবি খনলৈ যাবলৈ বিচাৰিছে। তেওঁ ওপৰলৈ উঠি গৈ থকোতে মনত কৰি গৈছিল এই হাবিখন নতুনকৈ পাতোতে তেওঁৰ গাৱৰ মানুহবোৰে কিমান কষ্ট কৰিব লগা হৈছিল। ১৯৮০ চনৰ সেই দিনটোৰ কথা মনত কৰি তেওঁ এটা হাঁহি মাৰিছিল।

তাৰ বহু বছৰ আগতে গাঁৱৰ মানুহবোৰে এই হাবিখনৰ গছ কাটি বাহিৰৰ মানুহৰ ওচৰত বিক্ৰী কৰিছিল। বন বিভাগেও এই বিষয়ত চকু কাণ মুদি আছিল। গাঁৱৰ মানুহবোৰে এইখন তেওঁলোকৰ নিজৰ হাবি বুলি লোৱা নাছিল। এইখন চৰকাৰী হাবি হৈ পৰিছিল।

এদিনাখন ৰঘুবীৰ নামৰ মানুহ এজনে গৈ হাবিখনত বাকী থকা একমাত্ৰ সৰল গছডাল কাটি আনিছিল। গাঁৱৰ সকলোৱে সেই গছডালৰ ওপৰত চকু পেলাই আছিল। কিন্তু ৰঘুবীৰে সকলোকে চেৰ পেলাই এদিন ৰাতি গছডাল কাটি আনিছিল। গাঁৱৰ মানুহবোৰে খণ্ডতে বন বিভাগত গোচৰ দিছিল। বন বিভাগে তেওঁক জৰিমনা বিহিছিল। তেতিয়া ৰঘুবীৰে কৈছিল, তেওঁৰ আগতে গাঁৱৰ কোনে কোনে হাবিৰ গছ কাটি আনিছে তেওঁ চিনাক্ত কৰি দিব পাৰিব।

বিজয়ে দেখিছিল যে ইয়াৰ দ্বাৰা গাঁৱৰ মানুহৰ মাজত কাজিয়াহে বাঢ়িব। গতিকে তেওঁ ৰঘুবীৰৰ বিপক্ষে গোচৰ তুলি লবলৈ গাওঁবাসীক সন্মত কৰাইছিল।

এই ঘটনাই সকলোৰে চকু মুকলি কৰি দিছিল। জৰধাৰ গাওঁৰ মানুহবোৰে হঠাতে অনুভব কৰিছিল যে তেওঁলোকৰ গাঁৱৰ ওচৰৰ হাবিখন লাহে লাহে নোহোৱা হৈ যাব ধৰিছে। নিজৰাবোৰ শুকাই গৈছে, আৰু গৰু ছাগলিয়ে খোৱাৰ বাবে মাথোঁ অলপ কেইডালমান ঘাঁহ হে আছে। মহিলাবোৰে খৰি বিচাৰি বহুদূৰলৈ যাব লাগে। তেওঁলোকে বুজিব পাৰিছিল খৰাং আৰু আকাল হবলৈ আৰু বেচি দিন নাই।

গাঁৱৰ গাওঁপ্ৰধানে এখন সভা আহ্বান কৰিছিল। সেই সভাত সিদ্ধান্ত কৰিছিল যে যদি হাবিখন পুনৰ জীয়াই তোলা নহয়

তেতিয়াহলে তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ। তেওঁলোকে এখন বন সুৰক্ষা কমিটি গঠন কৰিছিল। গছ কটাতো সম্পূৰ্ণৰূপে নিষেধ কৰি দিয়া হৈছিল আৰু হাবিৰ অন্যান্য বস্তুৰ ব্যৱহাৰো সীমিত কৰা হৈছিল। পৰমেশ্বৰ আৰু ৰন্নোদেৱীক ৰক্ষী নিৰ্বাচিত কৰা হৈছিল। যিসকলে বান্ধি দিয়া নিয়ম উলঙ্ঘা কৰিছিল তেওঁলোকক কঠোৰ জৰিমনা বিহা হৈছিল। পৰমেশ্বৰে কৰ্ত্তব্য পালনৰ সময়ত লাঠি ব্যৱহাৰ কৰিছিল। কিন্তু ৰন্নোদেৱীক মানুহবোৰে ভয় কৰিছিল। যোৱা তিনি মাহে নিষিদ্ধ কৰি থোৱা বনাঞ্চলত গাঁৱৰ মানুহে ঘূৰি ফুৰোতে এটা শিলৰ বান্ধ দেখিবলৈ পাইছিল।

বছৰ বাগৰি যোৱাৰ লগে লগে পৰ্বতৰ হেলনীয়া অঞ্চল আকৌ সেউজীয়া গছ বনেৰে ভৰি পৰিছিল। গ্ৰীষ্ম কালত শুকাই যোৱা নিজৰাবোৰ আকৌ ববলৈ আৰম্ভ কৰিছিল। গোটেই ঠাইখনেই সেউজীয়া হৈ পৰিছিল।

এসময়ৰ তকলা পৰ্বতখন ২০ বছৰৰ ভিতৰতে ঘন জঙ্ঘলেৰে ভৰি পৰিছিল।

বিজয়ে পৰ্বতৰ ওপৰত উপস্থিত হৈ চাৰিওফালে এবাৰ ঘূৰি চাইছিল। গভীৰ অৰণ্যৰ মাজত তেওঁ এটা বাঘৰ গোজৰনী শুনিবলৈ পাইছিল। ঘন জঙ্ঘল গজি উঠাত বনৰ ৰজাও আনকি নিজৰ ঠাইলৈ ঘূৰি আহিছিল। বনৰ ৰজা বনত থকা মানেই চোৰাং কাঠৰ বেপাৰীৰ পৰা হাবিখন কিছু পৰিমানে ৰক্ষা পৰিব। বিজয়ৰ মুখত এক আনন্দৰ হাঁহি বিৰিঙি উঠিছিল।

- ৰোশ্নি কুট্টী

ভাৰতৰ জনজাতিসকল আৰু গাওঁবাসীৰ মাজত যে স্থানীয় চিকিৎসাৰ এক সুস্থ পৰম্পৰা আছে তুমি বাৰু অনিছিলা নে? তেওঁলোকে ৫০,০০০ বিধ ঔষধ তৈয়াৰ কৰিবলৈ ৪৫০০ প্ৰকাৰৰো কেচি উদ্ভিদ ব্যৱহাৰ কৰে।

পাৰ্থক্য বাচি উলিয়া

গাৱৰ এই পুখুৰীটো দেখিবলৈ দহ বছৰ আগৰ....

....আৰু এয়া বৰ্তমানৰ দৃশ্য

এই চিত্ৰ দুখনৰ প্ৰভেদবোৰ চিনাক্ত কৰিব পাৰিবানে ?

বন্য আৰু আশ্চৰ্য্যজনক

আমাৰ দেশৰ জীৱ জগতৰ কেইটামান আশ্চৰ্য্যজনক জীৱৰ বিষয়ে ইয়াত দিয়া হ'ল। ভাৰতবৰ্ষত তালিকাভুক্ত হোৱা ৮১,০০০ প্ৰজাতিৰ জীৱৰ ভিতৰত ইয়াত মাথোঁ ৫ টাৰ কথাহে উল্লেখ কৰা হৈছে।

হলৌ বান্দৰ

Abi Tamim

এই হলৌ বান্দৰ উত্তৰপূব ভাৰতৰ হাবিত পোৱা যায়। এই বিৰল প্ৰজাতিৰ জন্তু বিধ ভাৰতৰ একমাত্ৰ প্ৰকৃত বান্দৰ। (এই বান্দৰৰ নেজ নাথাকে। আৰু অন্য বান্দৰতকৈ বেলেগ ধৰণৰ)। প্ৰাপ্তবয়স্ক মতা হলৌ বান্দৰ আৰু কম বয়সীয়া মাইকী হলৌ বান্দৰৰ শৰীৰটো ক'লা আৰু প্ৰাপ্তবয়স্ক মাইকী হলৌ বান্দৰৰ শৰীৰটো ইষৎ হালধীয়া ৰঙৰ। ইয়াৰ ঠেং দুখনতকৈ হাত দুখন দীঘল। এই হলৌ বান্দৰবোৰে জীৱনৰ বেচিভাগ সময় গছৰ ওপৰতে থাকে আৰু ইডাল গছৰ পৰা সিডাল গছলৈ জাঁপিয়াই ফুৰে। ইহঁতে সাধাৰণতে পাল পাতি থাকে আৰু গছৰ ফল, কুঁহিপাত, পতঙ্গ, পতঙ্গৰ পলু আৰু মকৰা আদি খায়। ৰাতিপুৱা গছৰ পাতত থকা নিয়ৰবোৰো ইহঁতে খায়।

জুৱেল বীট্‌ল

Vivek Gour-Broome

ডাঙৰ জুৱেল বীট্‌লৰ শৰীৰটো চিকমিকাই থকা উজ্বল ৰঙৰ। প্ৰাপ্তবয়স্ক বীট্‌লবোৰক প্ৰধানকৈ বৰ্ষা কালত দেখা যায়। ইহঁত বেচিদিন জীয়াই নাথাকে। সাধাৰণতে ইহঁতে বাৰিষাৰ শেষত যৌনসঙ্গম কৰাৰ কিছুদিন পিছতে মৰি যায়। ইহঁতে শিৰিশ গছৰ শিপাৰ ওচৰত কণী পাৰে। পলু হোৱাৰ পিছত পলুবোৰে শিপাৰ বাকলি খায়। এইবোৰ প্ৰাপ্তবয়স্ক হবলৈ প্ৰায় ন মাহ সময় লাগে। ডাঙৰ বীট্‌লবোৰে একেডাল গছৰ পাতৰ পৰাই আহাৰ খায়। কিছুমান জনজাতীয় লোকে ইয়াৰ উজ্জ্বল পাখী দুখন গহনা হিচাবে ব্যৱহাৰ কৰে।



Vivek Gour- Broome

লেডাৰবেক টাৰ্টল

এই চমৎকাৰ প্ৰাণীবিধ বিশ্বৰ বৃহত্তম সামুদ্ৰিক কাছ । অন্য কাছবোৰৰ দৰে ইয়াৰ পিঠিত কঠিন খোলা নাথাকে। ইয়াৰ খোলাটোৰ ওপৰৰ অংশ দেখিবলৈ ডাঠ চামৰাৰ নিচিনা । ই ভালদৰে সাঁতুৰিব পাৰে আৰু গভীৰ সমুদ্ৰতে থাকে । এই কাছবিধৰ প্ৰধান আহাৰ হ'ল জেলিফিচ। মাইকী কাছবোৰে বছৰত এবাৰকৈ আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ আৰু দক্ষিণ পূৰ এচিয়াৰ সমুদ্ৰ উপকূললৈ কণী পৰিবলৈ উঠি আহে। মাছমৰীয়া সকলৰ অত্যাচাৰ আৰু সমুদ্ৰ উপকূল অঞ্চলৰ গোলমালৰ কাৰণে এই লেডাৰবেক কাছ বিধৰ সংখ্যা দিনে দিনে হ্ৰাস পাই আহিব ধৰিছে ।

গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড

গ্ৰেট ইণ্ডিয়ান বাষ্টাৰ্ড এবিধ অতি বিৰল প্ৰজাতিৰ চৰাই। ইয়াক ভৰতৰ খৰং আৰু মুকলি অঞ্চলত পোৱা যায় । কিন্তু এইবিধ চৰাইক এতিয়া আগতে থকা ঠাইবোৰৰ দহভাগৰ এভাগ ঠাইতহে দেখা যায় । এই চৰাইবিধে স্থানীয় উদ্ভিদ, জেঠী, ফৰিং, চেলা জাতীয় জীৱ আৰু অন্যান্য সৰু সৰু কীট পতঙ্গ খায় । বহু বছৰ ধৰি চিকাৰী সকলে চিকাৰ কৰা আৰু মুকলি অঞ্চল বোৰলৈ কৃষিকাৰ্য্য প্ৰসাৰিত হোৱাৰ ফলত ইয়াৰ সংখ্যা দিনে দিনে কমি আহিছে । এইবিধ চৰাইক এতিয়া ভাৰতৰ মধ্য আৰু পশ্চিম অঞ্চলতহে দেখা যায়, কিন্তু বনাঞ্চলত ইয়াক খুব কম দেখা যায় ।

Asad Rahmani/Sanctuary Photolibrary

প্ৰবাল

Pankaj Sekhsaria

প্ৰবাল এবিধ সাগৰত জাক পাতি বাস কৰা সৰু সৰু জন্তুৰ সমষ্টি । এই ক্ষুদ্ৰ ক্ষুদ্ৰ জন্তুবোৰে সাগৰৰ পানীৰ পৰা কেলচিয়াম কাৰ্বনেট আহৰণ কৰি নিজৰ দেহৰ সুৰক্ষিত টান খোলাটো তৈয়াৰ কৰে । এটা প্ৰবাল পুঞ্জ হ'ল বিভিন্ন ধৰণৰ প্ৰাবাল কীটৰ কঙ্কালৰ দ্বাৰা তৈয়াৰী এক হাঁফলু । এইটো শশ সাগৰীয় জীৱৰ বাসস্থান । জীৱিত প্ৰবালৰ নীলা, সেউজীয়া, মুগা আৰু হালধীয়া ৰঙৰ উজ্বল খোলা থাকে। প্ৰবালবোৰ সাধাৰণতে গ্ৰীষ্মমণ্ডলীয় অঞ্চলৰ অগভীৰ পৰিষ্কাৰ পানীত থাকে । লাক্ষাদ্বীপ আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জত বহুতো আচৰিত ধৰণৰ প্ৰবালপুঞ্জ আছে ।

- বিৱেক গৌৰ-ব্ৰুমৰ দ্বাৰা সংকলিত

জীৱবৈচিত্ৰ আৰু তুমি

আমি প্ৰতিদিন স্কুল আৰু ঘৰত যি কাম কৰো অথবা যেতিয়া আমি বন্ধত ফুৰিবলৈ যাওঁ আমাৰ ওচৰৰ আৰু দূৰত থকা উদ্ভিদ আৰু জন্তুবোৰৰ প্ৰভাৱ পৰিব পাৰে। উদাহৰণ স্বৰূপে, বহুতো চহৰ বাসীয়ে ঘৰ সাজোতে মাৰ্বল আৰু গ্ৰেণাইট পাথৰ ব্যৱহাৰ কৰে। ঠিক আছে বাৰু, এইবোৰেৰে তৈয়াৰী মাজিয়াবোৰ দেখিবলৈ সুন্দৰ হয়। কিন্তু মনত ৰাখিবা, মাৰ্বল আৰু গ্ৰেণাইট আনোতে বহুতো হাবি ধ্বংস হয় আৰু তাত থকা জন্তুবোৰবো থকা ঠাই নোহোৱা হয়।

তলত দিয়া প্ৰশ্নবোৰৰ দুটা বিকল্পৰ ভিতৰত এটা বাচি লবা। তলত দিয়া স্কোৰিং নিৰ্দেশনা মতে তুমি নিজে নিজে চিহ্ন দিবা আৰু তেতিয়া তুমি জানিব পাৰিবা তুমি কিমান জীৱ বৈচিত্ৰ প্ৰেমী! ইয়াত পোৱা তথ্যৰ দ্বাৰা আমাৰ দৈনন্দিন কাম-কাজবোৰে পৰিবেশৰ ওপৰত কি প্ৰভাৱ পেলায় সেই ও বিষয়ে জানিব পাৰিম।

১. যেতিয়া তুমি ঘৰৰ পৰা বহুদিনৰ কাৰণে বাহিৰলৈ যোৱাৰ পৰিকল্পনা কৰা, তুমি --
   ক) পিয়াহ লাগিলে পানীৰ বটল কিনা নে তেত্ৰাপেকৰ পাতল পানীয় কিনি খোৱা?
   খ) পানীৰ বটল লগত লৈ যোৱা নে ডাবৰ পানী, নেমুৰ চৰ্বত অথবা গিলাচত থকা ঘোল খোৱা?

২. তুমি কি খেলা খেলি ভাল পোৱা --
   ক) ঘৰৰ বাহিৰত খেলা খেল, য'ত তোমাৰ দেহৰ শক্তিৰ আৱশ্যক?
   খ) বেটাৰীত চলা হাতেৰে খেলা খেল?

৩. তুমি পিন্ধা পোচাক-
   ক) পলিয়েষ্টাৰ, টেৰিকটন নে নাইলন কাপোৰেৰে তৈয়াৰী?
   খ) কাপাহী কাপোৰেৰে তৈয়াৰী?

৪. তুমি নিয়মিত কিহেৰে স্কুললৈ যোৱা ---
   ক) সৰু মটৰ গাড়ী অথবা নিজস্ব গাড়ী?
   খ) খোজ কাঢ়ি, চাইকেল চলাই অথবা বাছত?

৫. যেতিয়া তুমি তোমাৰ বন্ধুলৈ চিঠি লিখা ---
   ক) কাগজৰ এপিঠিত লিখা নে?
   খ) কাগজৰ দুয়োপিঠিত লিখা?

ভাৰতত পেৰট পোৱা নাযায়। সঁচা নে মিছা?

স্কোৰিং : ইয়াতে দিয়া প্ৰশ্নবোৰৰ কাৰণসহ জীৱবৈচিত্ৰ-বন্ধুত্বপূৰ্ণ উত্তৰ আছে। তুমি অভ্যাস কৰা জীৱবৈচিত্ৰ-বন্ধুত্বপূৰ্ণ উত্তৰটোৰ কাৰণে তুমি নিজেই ১০ পইন্ট দিবা, অন্যথা তোমাৰ পইন্টৰ পৰা ১০ পইন্ট কাটিবা। যদি তুমি ৫০ পইন্ট লাভ কৰিব পাৰা তেতিয়াহলে উদ্ভিদ আৰু জন্তুবোৰৰ তুমি এজন সঁচা বন্ধু! যদি তুমি ৪০ তকৈ কম পইন্ট লাভ কৰা তেনেহলে তুমি জীৱন ধাৰণৰ অভ্যাসৰ পৰিবৰ্তন কৰিব লাগিব আৰু জীৱবৈচিত্ৰ বন্ধুত্বপূৰ্ণ হব লাগিব।

১. খ) কোনো কোম্পানীয়ে বিক্ৰী কৰা পানীবোৰ সাধাৰণতে প্লাষ্টিক বটল আৰু পাউচত বিক্ৰী কৰে, যিবোৰ পিছ বা নষ্ট হৈ নাযায়। সেই প্লাষ্টিকবোৰ জন্তু, চৰাই অথবা মাছে ভুলতে আহাৰৰ লগত খাই পেলাব পাৰে। উদাহৰণ স্বৰূপে, কাছই জেলিফিচ বুলি পাতল প্লাষ্টিকৰ পেকেট খায় আৰু যন্ত্ৰদায়ক মৃত্যু ঘটে। তেত্ৰাপেকৰ বাহিৰৰ ফালে ডাঠ কাকতৰ তৰপ থাকে আৰু ভিতৰৰ ফালে পাতল এলুমিনিয়ামৰ তৰপ থাকে। আমি কাগজ তৈয়াৰ কৰিবলৈ গছ কাটো আৰু এলুমিনিয়াম তৈয়াৰ কৰিবলৈ বক্সাইটৰ খনি বিচাৰি অৰণ্য ধ্বংস কৰো। যেতিয়া এই পেকেটবোৰ পেলাই দিয়া হয় এলুমিনিয়ামৰ পাতবোৰ নষ্ট হৈ মাটিৰ লগত মিহলি হৈ নাযায়।

২. খ) বেটাৰীত লিড থাকে। পেলাই দিয়া বেটাৰীয়ে জন্তুৰ অনিষ্ট কৰিব পাৰে। অতিমাত্ৰা লিডে মানুহৰ মানসিক বৃদ্ধিত বাধা জন্মাব পাৰে, যাৰ ফলত নাৰ্ভচ চিষ্টেমৰ বিজুতি ঘটিব পাৰে, আনকি উচ্চ ৰক্তচাপো হ'ব পাৰে। ভাবি চোৱাচোন জীৱৰ ই কিমান ক্ষতি সাধন কৰিব পাৰে! ভাৰতবৰ্ষত পোৱা বেটাৰীবোৰ প্ৰণালীবদ্ধ ভাবে নষ্ট কৰি পেলোৱা নহয়।

৩. খ) পলিয়েষ্টাৰ আৰু অন্য কৃত্ৰিম সূতাবোৰ পেট্ৰোলিয়ামৰ পৰা উৎপাদিত। যেতিয়া পেট্ৰোলিয়ামৰ কাৰণে ড্ৰিল কৰা হয় তেতিয়া বহুতো হাবি বন ধ্বংস হয় আৰু সামুদ্ৰিক জীৱবো ক্ষতি হয়। এইটো নিৰ্ভৰ কৰে ক'ত পেট্ৰোলিয়ামৰ ভাণ্ডাৰ আছে।

৪. খ) যেতিয়া আমি পাব্লিক যানবাহন ব্যৱহাৰ কৰো তেতিয়া এখন গাড়ীতে বহুতো মানুহ উঠি যাব পাৰো। সেয়েহে নিজস্ব গাড়ীতকৈ তুলনামূলক ভাবে বায়ু দূষণো কম হয় আৰু ইন্ধনো ৰাহি হয়।

৫. খ) কাগজ তৈয়াৰ কৰিবলৈ গছ কটা হয়। কাগজৰ এপিঠিত লিখিলে বেছি কাগজৰ আৱশ্যক হ'ব আৰু বেছি কাগজ ব্যৱহাৰ কৰা মানেই বেছি গছ কটা যাব। ইয়াৰ মানেইতো পৰোক্ষ ভাবে হাবি বনৰ ক্ষতি হোৱা।

- শান্তা ভূষণ

সাঁথৰৰ উত্তৰ

সৰু ডাঙৰ জীৱ : ধনেশ পক্ষী, ময়ুৰ, জিঁয়া বা গাঁড়নি, গড়, বাঘ, ঘাঁৰিয়াল, জেঠী, মাডক্সিপাৰ, কেকোৰা, মাছ, ভেকুলী, ৰাজহাঁহ, কেৰ্কেটুৱা, ঘনচিৰিকা, বান্দৰ, কাছ, শামুক, হৰিণ, ভালুক, পখিলা, অজগৰ, মাছৰোকা, পাৰাকীট (ভাটৌজাতীয় চৰাই), কেঁচু, গছ, পদুমফুল, ঘাঁহ, মাণিপ্লেন্ট।

মনোমুগ্ধকৰ উদ্ভিদ জগত : A-3, B-5, C-2, D-1, E-4.

পাৰ্থক্য বাচি উলিয়া : মৌবাহ নাই, কম সংখ্যক চৰাই, মৰা মাছ, গছৰ খুটি, জুপুৰী ঘৰৰ সলনি অট্টালিকা, মহিলাই নদীত আবৰ্জনা পেলোৱা, জুপুৰা বনত কম সংখ্যক ফুল।

সেইবোৰ মিলোৱা : 1-D, 2-A, 3-B, 4-C.

ৰং কৰাতোও ধেমালি হব পাৰে !

হেৰা, তোমাৰ কপাহী কাপোৰ কেতিয়াও ৰাসায়নিক ৰঙেৰে ৰং নকৰিবা । তোমাৰ পিন্ধা কাপোৰ, স্কাৰ্ফ আৰু কাপোৰৰ মোনাবোৰ পাচলিৰে তৈয়াৰী ৰঙেৰে ৰং কৰিবা । চিন্থেটিক কাপোৰ ৰং কৰিবলৈ চেষ্টা নকৰিবা । পুৰণি বগা কাপোৰ অথবা ৰং যোৱা কপাহী টাৱেল এখনেৰে ৰং কৰাৰ আৰম্ভনি কৰা ।

দুটা বা তিনিটা বীট গাজৰ লোৱা আৰু সেইকেইটা টুকুৰা-টুকুৰকৈ কাটা । সেই টুকুৰাবোৰ এটা চৰিয়াত থৈ সেইবোৰ তল যোৱাকৈ পানী ঢালি দিবা । কাৰো সহায়ত এটা ষ্টোভ জ্বলাই লবা আৰু চাৰিয়াটো তাৰ ওপৰত দিবা । পানীখিনি ৰঙা হলে চাৰিয়াটো জুইৰ পৰা নমাই থবা । পানীখিনি ভালদৰে চেকি লবা । এতিয়া তোমাৰ ৰং প্ৰস্তুত । (বীটৰ টুকুৰাবোৰ চালাডৰ কাৰণে ৰাখি থব পাৰা) । চাৰিয়াটো আকৌ জুইৰ ওপৰত তুলি দি পানীখিনি গৰম হবলৈ দিবা । তাৰ পাছত টাৱেলখন চাৰিয়াটোত দি এডাল পৰিষ্কাৰ লাঠিৰে সেইখন ভালদৰে তিয়াই দিবা। টাৱেলখন যেতিয়া পাতল ৰঙচুৱা হৈ উঠিব ষ্টোভটো নুমাই দিবা । টাৱেলখন সেইদৰেই এক ৰাতি ৰাখি থবা।



ৰংখিনি গাঢ় হবলৈ পানীত অলপ ভিনেগাৰ দিব পাৰা ।

বীটৰ বাহিৰেও হলিহক আৰু জবা ফুল, ৰঙা ৰঙৰ কাৰণে, সেউজীয়া ৰঙৰ বাবে স্পাইনেক, হালধীয়া ৰঙৰ বাবে মহুৱা, ক'লা অথবা মুগা ৰঙৰ বাবে আমলখি অথবা গুচবেৰী ফল শুকাই সিদ্ধ কৰি লব পাৰা।

অপৰাজিতা, মন্দাৰ, জকাৰান্দা আৰু চিন্দুভৰমৰ নিচিনা ফুল, আৰু জেতুকাৰ নিচিনা পাত সংগ্ৰহ কৰি শুকাই থলে যিকোনো সময়তে ৰং কৰিব পাৰা । ৰংবোৰ যাতে বিবৰ্ণ নহয় তাৰ কাৰণে সেইবোৰ ছাঁত শুকাবা । গতিকে ইয়াৰ পিছৰবাৰ তোমাৰ ৰং কৰাৰ আৱশ্যক হলে, কাপোৰবোৰ এৰাতি ৰঙৰ পানীত তিয়াই থবা ! - শ্ৰুতি দেৱী

১৯৭০ ৰ দশকত ভাৰতৰ হিমালয় অঞ্চলত হোৱা এটা আন্দোলনৰ নাম কোৱা, য'ত গছবোৰ কটাত বাধা দিবলৈ মানুহে গছক সাবকিত ধৰিছিল ।

- সীমা ভট্টৰ দ্বাৰা সংগৃহীত

নেচনেল ফোউণ্ডচন ফৰ ইণ্ডিয়াৰ (এন এফ আই) দহ বছৰ পূৰ্ণতা পালন



দহ বছৰ পূৰ্ণতা পালন উপলক্ষে মুকলি কৰিছে মিছ সুচান বেৰেচফোৰ্ড- এ সভাপতি, ফোৰ্ড ফাউণ্ডেচন

কিতাপৰ গুণমান আৰু লিখক বাছনি (মোক নিজকে নধৰি) উভয় কাৰ্য্যৰ বাবে মই এন এফ আইক ধন্যবাদ জনাইছো । ভাৰতৰ চিভিল চোচাইটিত এনে ভাল কাম দেখা মোৰ মনত নপৰে ।
এন এফ আই-এ এনে ধৰণৰ কাম আকৌ কৰাৰ কথা চিন্তা কৰে যেন...,

- সুন্দৰ বুৰা
উপদেষ্টা, এচ পি এ আৰ চি, মুম্বাই

"এইটো এটা অতি প্ৰয়োজনীয় আৰু আকৰ্ষণীয় সংকলন...,

- আশিশ কোঠাৰী,
কোঅৰ্ডিনেটৰ, এন বি এচ এ পি

"...ইয়াৰ প্ৰবন্ধবোৰ সম্পূৰ্ণ প্ৰাসঙ্গিক আৰু চিন্তাৰ উদ্ৰেগকাৰী..."

- দীপ জোশী,
প্ৰদান

"...প্ৰখ্যাত লিখকসকলৰ এক সুন্দৰ সংগ্ৰহ-- এন এফ আইৰ ১০ বছৰ পূৰ্ণতা পালন উপলক্ষে অতি উপযুক্ত কাম..."

- নীলিম খৈতান
সেৰা মন্দিৰ

এ কমন কাজ (A common cause)এ কিতাপখন স্বেচ্ছাসেৱী সন্থাৰ ভূমিকা আৰু ইয়াৰ ভবিষ্যতৰ বিষয়ে বিভিন্ন জনৰ মতামত সম্বলিত প্ৰবন্ধেৰে এখন মঞ্চৰ পৰা প্ৰকাশ কৰা হৈছে । তৃণমূল কৰ্মী, আন্দোলনৰ নেতা, এন জি ও-ৰ প্ৰতিষ্ঠাপক, অৰ্থ যোগান এজেন্সিৰ প্ৰগ্ৰেম মেনেজাৰ, ৰাজ্য চৰকাৰৰ পৰ্য্যবেক্ষক আৰু বুদ্ধিজীৱীসকলে স্বেচ্ছাসেৱামূলক কামৰ বিভিন্ন ধৰণে পৰ্য্যবেক্ষণ কৰিছে । ইয়াত থকা প্ৰৱন্ধবোৰে বিভিন্নজনৰ মতামত সুন্দৰভাবে ফুটাই তুলিছে। এ কমন কাজ(A common cause)এ মাথোঁ চিন্তাৰ উদ্ৰেকে নঘটাব, ভাৰতৰ স্বেচ্ছাসেৱী সংস্থাৰ কাৰণে কিছুমান বাণীও দিব ।

কিতাপৰ কাৰণে যোগাযোগ কৰক:

নেচনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়া

কোৰ IVএ, ইউ জি ফ্লোৰ, ইণ্ডিয়া হেবিটেট্ চেন্টাৰ, লোডি ৰোড, নতুন দিল্লী - ১১০০০৩.
Ph: 464 18 64/65, 464 84 90/92 Fax: 464 18 67
Email: info@nfi.org.in Website: www.nfi.org.in

ভাৰত ৰত্ন চি. সুব্ৰামনিয়াম ফেলোশ্বিপ

কমিউনিটি লিডাৰশ্বিপ

আৰু চাচটেইনেবল লাইভলিহুডচ্‌ৰ কাৰণে

দি নেচনেল ফাউণ্ডেচন ফৰ ইণ্ডিয়াই ইয়াৰ প্ৰতিষ্ঠাপক সভাপতি শ্ৰী চি. সুব্ৰামনিয়ামৰ সন্মানাৰ্থে কমিউনিটি লিডাৰশ্বিপ আৰু চাচটেইনেবল্ লাইভলিহুডচ্‌ৰ কাৰণে ভাৰত ৰত্ন চি. সুব্ৰামণিয়াম ফেলোশ্বিপ প্ৰবৰ্ত্তন কৰিছে।
এই বছৰেকীয়া ফেলোশ্বিপ দুই ধৰণৰ : স্বেচ্চাসেৱী সংস্থাৰ কৰ্মীসকলৰ কাৰণে বৃত্তি আৰু সামাজিক স্তৰৰ নেতৃত্বৰ কাৰণে বৃত্তি।
প্ৰতি বছৰ প্ৰতিটো বিভাগতে দুটাকৈ মুঠ চাৰিটা ফেলোশ্বিপ দিয়া হয়। প্ৰতিটো ফেলোশ্বিপৰ মূল্য এক লাখ টকাকৈ।
এই ফেলোশ্বিপবোৰ ফোৰ্ড ফাউণ্ডেচনৰ সহায়ত দিয়া হয়।
ফেলোশ্বিপৰ বাবে মনোনিত স্বেচ্ছাসেৱী সংস্থাৰ কৰ্মীবোৰক প্ৰধান প্ৰধান প্ৰতিষ্ঠান বোৰলৈ পঠোৱা হব, য'ত তেওঁলোকে নিজৰ কাম কাজ আৰু খাদ্য আৰু জীৱিকাৰ নিৰাপত্তাৰ সৈতে যুক্ত শিক্ষা লব পাৰিব। তেওঁলোকক এই ফেলোশ্বিপ দিয়া হব তেওঁলোকৰ কাৰ্য্য নৈপুন্য বৃদ্ধি কৰিবলৈ আৰু নেতৃত্ব দিবপৰা গুণ আহৰণ কৰিবলৈ, ইয়াৰ বাহিৰেও জীৱিকা সম্পৰ্কীয় জ্ঞান অৰ্জন কৰিবলৈ।
সামাজিক স্তৰৰ নেতৃত্বৰ কাৰণে দিয়া ফেলোশ্বিপে স্বেচ্ছাসেৱী সংস্থাবোৰৰ নিজৰ নেতৃত্ব উন্নয়ন কাৰ্য্যসূচী সম্পাদনত সহায় কৰিব।
ইয়ে প্ৰযুক্তিগত ক্ষমতা, আৰু স্থানীয়ভাপোৱা প্ৰাকৃতিক সম্পদবোৰ, যেনে - মাটি, পানী আৰু বনাঞ্চলৰ সংৰক্ষণ আৰু ব্যৱহাৰ সম্পৰ্কে আলোকপাত কৰিব।

যোগ্যতা:

- মধ্যম ধৰণৰ শিক্ষিত স্বেচ্ছাসেৱী সংস্থাৰ কৰ্মীসকল।
- খাদ্য আৰু জীৱিকাৰ প্ৰতি বিশেষ আগ্ৰহ থকা মহিলাসকল।
- চাচটেনেবল লাইভলিহুডচৰ অভিজ্ঞতা থকা সমাজৰ নেতাসকল।

আবেদন পত্ৰৰ সৈতে গাঠি দিব লাগিব :

- পাঠ্যক্ৰমৰ চমু বিৱৰণ।
- আগতে কৰা কামৰ চমু বিৱৰণ।
- আবেদনকাৰীয়ে ফেলোশ্বিপেৰে কৰিব খোজা কাম আৰু কৰ্মক্ষেত্ৰৰ এক চমু বিৱৰণ।

সবিশেষ জানিবলৈ যোগাযোগ কৰক :

নেচনেল ফাউণ্ডেশ্বন ফৰ ইণ্ডিয়া
কোৰ IVএ, ইউ জি ফ্লোৰ, ইণ্ডিয়া হেবিটেট্ চেন্টাৰ, লোডি ৰোড, নতুন দিল্লী - ১১০০০৩.
Ph: 464 18 64/65, 464 84 90/92 Fax: 464 18 67
Email: info@nfi.org.in Website: www.nfi.org.in

প্ৰধানমন্ত্ৰীলৈ লিখা !

বসুধাই যদি তোমাক জীৱবৈচিত্ৰ সংৰক্ষণৰ কাৰণে উৎসাহ যোগাইছে, তেনেহলে এই চিঠিখনত চহী কৰি এই ঠিকনালৈ পঠোৱা -- প্ৰতি, বসুধা এক্টৰ কাৰণে, চান্দমামা ইণ্ডিয়া লিমিটেড, ৮২ ডিফেন্স অফিচাৰ্চ কলʼনী, একাটুথাঙ্গল, চেন্নাই--৬০০০৯৭ । তোমালোকৰ সকলোবোৰ চিঠি বিহিত ব্যৱস্থাৰ কাৰণে আমি আমাৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰিম।

মাননীয় প্ৰধানমন্ত্ৰী মহাশয়,

এক কৰ্মময় আৰু সুস্থ ভৱিষ্যত আশা কৰি থকা ভাৰতৰ ডেকা নাগৰিক হিচাবে আমাৰ দৈনিন্দিন জীৱনত বিষাক্ত পদাৰ্থ ব্যৱহাৰৰ মাত্ৰা বাঢ়ি যোৱা কাৰণে আমি চিন্তিত হৈ পৰিছো । আমাৰ দেউতা আৰু ককাদেউতাহতে এক সাধাৰণ আৰু নিৰাপদ জীৱন যাপন কৰিছিল । কিন্তু, আজি আমাক শিশুসকলক বিজ্ঞাপন তথা অন্যান্য উপায়েৰে কিছুমান উৎপাদিত দ্ৰব্য ব্যৱহাৰ কৰিবলৈ বাৰে বাৰে অনুৰোধ কৰি থকা হৈছে, যিবোৰ মানুহ, জন্তু, উদ্ভিদ আৰু পৃথিৱীৰ স্বাস্থ্যৰ কাৰণে বিপজনক ।

আমি আপোনাক আবেদন জনাও :

১. ৰাসায়নিক ৰং, কীটনাশক দ্ৰব্য, ৰাসায়নিক সাৰ, পিভিচি আৰু কেৰী বেগৰ নিচিনা প্লাষ্টিকবোৰ, খোৱা বস্তুত ব্যৱহাৰ কৰা ৰং, সংৰক্ষণৰ কাৰণে ব্যৱহাৰ কৰা দ্ৰব্য আৰু কৃত্ৰিম ফ্লেভাৰৰ নিচিনা অনিষ্টকাৰী দ্ৰব্যবোৰৰ উৎপাদন আৰু ব্যৱহাৰ বন্ধ কৰিবলৈ যথাসম্ভৱ ব্যৱস্থা লওক ।

২. ইয়াৰ বিকল্প স্বৰূপে, কাপোৰৰ মোনা, উদ্ভিদৰ পৰা তৈয়াৰী ৰং, জৈৱ সাৰ, উদ্ভিদভিত্তিক তৈয়াৰী কীটনাশক দ্ৰব্য আৰু তেনে ধৰণৰ উৎপাদিত বস্তু ব্যৱহাৰ কৰাৰ কাৰণে উৎসাহ যোগাব লাগে, যিবোৰ মানুহ তথা অন্যান্য জীৱ-জন্তুৰ কাৰণেও নিৰাপদজনক ।

আমি বিষাক্ত দ্ৰব্যৰ ব্যৱহাৰ বন্ধ কৰাৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ হৈছো আৰু ইয়াৰ পৰিবৰ্তে আমাৰ দৈনন্দিন জীৱনত পাৰিপৰ্শ্বিকতা নিৰাপদ বিকল্প বস্তুহে মাথোঁ ব্যৱহাৰ কৰিম । আমি আমাৰ পৰিয়ালৰ লোক আৰু বন্ধু বান্ধৱকো তেনে কৰিবলৈ বুজাই কম ।

প্ৰধানমন্ত্ৰী মহাশয়, আমি বিশ্বাস কৰো যে, আপুনি আমাৰ ভৱিষ্যতৰ সুৰক্ষা আৰু পৃথিৱীত থকা লাখ লাখ উদ্ভিদ আৰু জীৱ-জন্তুৰ সুৰক্ষাৰ কাৰণে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিব ।

এই বিষয়ে আপোনাৰ সঁহাৰিৰ কাৰণে বাট চাই থাকিলো ।

আপোনাৰ বিশ্বাসী

পাঠকৰ চহী

নাম: ______________________ বয়স: __________

ঠিকনা: ______________________

____

কাশ্মীৰৰ লোককথা

আমাৰ দেশৰ একেবাৰে উত্তৰত অৱস্থিত ৰাজ্য জন্মু আৰু কাশ্মীৰক ভাৰতৰ 'ভূস্বৰ্গ' বুলি কোৱা হয়। এই ৰাজ্যখন ৩২.২৭ ডিগ্ৰী আৰু ৩৬.৫৮ ডিগ্ৰী উত্তৰৰ অক্ষাংশ আৰু ৩৭.২৬ ডিগ্ৰী আৰু ৮০.৩০ ডিগ্ৰী পূবৰ দ্ৰাঘিমাংশৰ মাজত অৱস্থিত।

এই ৰাজ্যৰ উত্তৰে আৰু পূবে চীন, দক্ষিণে হিমাচল প্ৰদেশ আৰু পশ্চিমে পাকিস্তান আছে। ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলবোৰৰ ভিতৰত আয়তনৰ ফালৰ পৰা এই ৰাজ্যৰ স্থান ৬ষ্ঠ আৰু জনসংখ্যাৰ ফালৰ পৰা ইয়াৰ স্থান ১৭ তম।

জন্মু আৰু কাশ্মীৰ ৰাজ্যখন তিনিটা ভিন ভিন জলবায়ুৰ অঞ্চলক লৈ গঠিত। একেবাৰে উত্তৰৰ লাডাখ শীত প্ৰধান অঞ্চল, কাশ্মীৰ উপত্যকা নাতিশীতোষ্ণ অঞ্চল আৰু জন্মু উপ-গ্ৰীষ্মপ্ৰধান অঞ্চল। এই ৰাজ্যখন সমুদ্ৰ পৃষ্ঠতকৈ ঠায়ে ঠায়ে ১,০০০ ফুটৰ পৰা ২৮,২৫০ ফুট উচ্চতাত অৱস্থিত।

জন্মু আৰু কাশ্মীৰ ৰাজ্যখন একমাত্ৰ ৰাজ্য য'ত দুখন ৰাজধানী আছে। গ্ৰীষ্ম কালৰ ৰাজধানী শ্ৰীনগৰ আৰু শীতকালৰ ৰাজধানী জন্মু। এই ৰাজ্যত প্ৰচলিত ভাষাবোৰ হ'ল -- উৰ্দু, কাশ্মীৰী, হিন্দী, ডোগ্ৰী, পাহাৰী আৰু লাডাখী।

মাছৰ হাঁহিৰ ৰহস্য

এসময়ত কাশ্মীৰত ফিৰোজ ছাহ নামৰ এজন ৰজা আছিল। তেওঁৰ ৰাণীৰ নাম আছিল চকিলা। এদিনাখন এজনী মাছ পোহাৰীয়ে ৰাণীৰ ওচৰলৈ মাছ বিক্ৰী কৰিবলৈ আহিছিল। পোহাৰীৰ পাচিত দেখিবলৈ এটা আচৰিত ধৰণৰ মাছ আছিল।

"তোমাৰ পাচিত মাইকী মাছ আছেনেকি?" ৰাণীয়ে পোহাৰীজনীক সুধিছিল।

"নাই, ৰাণী আই! মোৰ ইয়াতে কেৱল মতা মাছহে আছে," পোহাৰীয়ে উত্তৰ দিছিল।

তৎক্ষণাত তেওঁলোকে এক অদ্ভুত হাঁহি শুনিবলৈ পাইছিল। মাছৰ এই অদ্ভুত হাঁহি শুনি ৰাণী উচপ খাই উঠিছিল।

ৰাণীয়ে এই ৰহস্যময় কথাটো ৰজাৰ আগত কৈছিল। ৰজাৰ সভাসদসকলৰ মাজত হুছেইন নামৰ প্ৰধান মন্ত্ৰীজনো আছিল। ৰজাই নতুন নতুন কামক লৈ মন্ত্ৰীৰ সৈতে প্ৰতিদ্বন্দ্বিতাত লিপ্ত হবলৈ ভাল পাইছিল। ৰজাই এই ৰহস্যটো সমাধান কৰিবলৈ আদেশ দি কৈছিল, "যদি আপুনি ইয়াৰ এক যথোচিত উত্তৰ অহা মাহৰ ভিতৰত দিব নোৱাৰে তেতিয়াহলে আপোনাৰ ডিঙিৰ ওপৰত মূৰ নাথাকিব!"

ইয়াৰ এক উত্তৰ বিচাৰি মন্ত্ৰীয়ে ভ্ৰমণলৈ ওলাই গৈছিল। হুছেইনে গৈ থাকোতে বাটতে পেহেলগামলৈ যোৱা ৰহমান নামৰ এজন মানুহক লগ পাইছিল। হুছেইনে মনতে ভাবিছিল, 'মই এই বুঢ়া মানুহজনৰ লগত বন্ধুত্ব কৰাই ভাল হব। তেওঁ মোক এই বিষয়ে কিবা সহায়ো কৰিব পাৰে।' দিনৰ গৰম বাঢ়ি যোৱাৰ লগে লগে হুছেইন আৰু ৰহমানৰ ভাগৰ লাগিছিল।

"ভ্ৰমণৰ সময়ত আমি যদি ইজনে সিজনক কঢ়িয়াই লৈ যাও সেইটো বাৰু ভাল নহবনে?" হুছেইনে সুধিছিল।

'ইজনে সিজনক কঢ়িয়াই নিয়া! তেওঁ কি কব বিচাৰিছে?' আচৰিত হৈ ৰহমানে ভাবিছিল।

তেওঁলোকে এখন পকা ধাননি পথাৰৰ কাষেৰে পাৰ হৈ গৈছিল। হুছেইনে ৰহমানক হঠাতে সুধিছিল, "ধান খায় নে নাখায়?"

হুছেইনে কি কব বিচাৰিছে ৰহমানে একো বুজা নাছিল, তেওঁ মাথোঁ কৈছিল, "মই নাজানো..."

সেইদিনা সন্ধিয়া তেওঁলোক গৈ এখন গাঁৱত উপস্থিত হৈছিল। তেওঁলোকে মজজিদত প্ৰৱেশ কৰোতে কোনেও তেওঁলোকক অভিবাদন জনোৱা নাছিল আৰু আমন্ত্ৰনো কৰা নাছিল। হুছেইনে কৈছিল, "আমি এই কবৰখানত কি কৰিম?"

"তুমি মানুহবোৰ ইয়াত দেখা নাই নে? এইটো কবৰখানা নহয়," ৰহমানে কৈছিল।

তেওঁলোকে গৈ থাকোতে বাটতে এখন



কবৰখানা পাইছিল। তাত কিছুমান মানুহে তেওঁলোকৰ আপোনজনৰ সোঁৱৰণত মিঠাই বিতৰণ কৰি আছিল। "আঃ! কি ধুনীয়া নগৰ!" সুস্বাদু মিঠাই খাই হুছেইনে চিঞৰি উঠিছিল।

ৰহমানে ভাবিছিল, "এইজন কি পাগল মানুহ! তেওঁ আনকি মাটিক পানী আৰু পানীক মাটি বুলি কব পাৰে।' তথাপি তেওঁ মনে মনে আছিল।

পৰ্য্যটকৰ আকৰ্ষণ



"পৃথিৱীত যদি কিবা স্বৰ্গ আছে তেনেহলে এইখনেই, এইখনেই, এইখনেই"। এই কথাখিনি মোগল সম্ৰাট ছাজাহানে নিৰ্মাণ কৰা দিল্লীৰ লাল কিল্লাৰ দেৱান-ই-আমৰ চিলিঙত খোদিত কৰা আছে। কাশ্মীৰ চাই অহাৰ পিছত ভ্ৰমণকাৰীবোৰৰ এই কবিতা ফাকি প্ৰায়ে মনত পৰিছিল।

কাশ্মীৰক সদায় 'ভূস্বৰ্গ' বুলি কৈ অহা হৈছে। ধুনীয়া হ্ৰদ, বৰফে ঢকা পৰ্বত, ছবিৰ দৰে উপত্যকা, বিভিন্ন ৰঙৰ ফুলেৰে ভৰা পথাৰ...কৈ থাকিলেও শেষ নোহোৱা তালিকা।

চাৰ ৱালটাৰ লৰেঞ্চে ডাল লেকক 'লেক পাৰ এক্চেলেঞ্চ' বুলি বৰ্ণনা কৰিছে। ইয়াক কাশ্মীৰৰ শিৰৰ মুকুতৰ এটা ৰত্ন বুলিও কোৱা হয়। চিকাৰা আৰু হাউচবোটৰ বাবেও ডাল লেক বিখ্যাত। এই লেকৰ পাৰত ধুনীয়া ধুনীয়া বহুতো বাগিছা আছে।

যিসকলে দুঃসাহসীক কাম কৰি ভাল পায় তেওঁলোকে পৰ্বত বগাব যাব পাৰে অথবা পৰ্বতৰ এঢলিয়া ঠাইবোৰত য'ৰ পৰা নদীবোৰ বৈ আছে তাত স্কী খেলিব পাৰে। অন্যান্যবোৰে চিকাৰত উঠি ঘূৰিব পাৰে।

তেওঁলোকে গৈ গৈ যেতিয়া ৰহমানে বাস কৰা চহৰখন পাইছিল, তেওঁ হুচেইনক নিজৰ ঘৰলৈ আমন্ত্ৰন কৰাৰ সিদ্ধান্ত কৰিছিল। ৰহমানে কৈছিল, 'হুছেইন, ইয়ালৈ আহিছা যেতিয়া আমাৰ ঘৰলৈকে যাওঁ বলা।"

হুচেইনে কৈছিল, "তোমাৰ আমন্ত্ৰণৰ বাবে ধন্যবাদ। মই সন্ধিয়া তোমাৰ ঘৰলৈ যাম। তোমালোকৰ ঘৰৰ চটি কাঠ শক্তিশালী নে?

ৰহমানে ঘৰলৈ গৈ জীয়েক জোহৰাৰ আগত বাটত লগ পোৱা আচৰিত্ সঙ্গীজন আৰু তেওঁৰ অদ্ভুত ধৰণৰ প্ৰশ্নবোৰৰ কথা কৈছিল।

"মই তেওঁক ইয়ালৈ আমন্ত্ৰণ কৰিছো। সেই আচৰিত যুৱকজনে আমাৰ ঘৰৰ চটি কাঠৰ কথা সুধিছিল। তেওঁ মূৰ্খ যেন অনুমান হয়।" ৰহমানে কৈছিল।

জোহৰা বৰ বুদ্ধিমতী ছোৱালী। তাই



পিতাকক কৈছিল, “কিন্তু পিতা, যুৱকজন জ্ঞানীও হব পাৰে!”

“তুমি তেনেকৈ কিয় কৈছা জোহৰা ? তেওঁৰ প্ৰশ্নবোৰ আছিল বুৰ্বকৰ দৰে ?” ৰহমানে কৈছিল।

“নহয় পিতা, তেওঁ যে আমাৰ চটি কাঠৰ কথা সুধিছিল তাৰ মানে তেওঁ আমাৰ ঘৰৰ অৱস্থাৰ কথা জানিব বিচাৰিছিল,” জোহৰাই বুজাই কৈছিল।

কথাটো ৰহমানৰ মনত লাগিছিল। তেওঁ ভাবিছিল, ‘জোহেৰাই হয়তো তেওঁৰ অন্য কথাবোৰৰো অৰ্থ উলিয়াব পাৰে। কোনে জানে, ছুছেইন সুবিবেচকো হব পাৰে ?’

“ঠিক আছে, তেওঁ তেতিয়াহলে ইজনে সিজনক কঢ়িয়াই নিয়া কথাৰে কি বুজাব খুজিছিল ?” ৰহমানে জীয়েকক সুধিছিল।

“তেওঁ ইয়াকে কব বিচাৰিছিল, খোজকাঢ়ি গৈ থাকোতে পথৰ ভাগৰ দূৰ কৰিবলৈ তোমালোকে ইজনে সিজনক গল্প কৈ যাবা,” জোহেৰাই অৰ্থ ভাঙি দি কৈছিল।

“তেওঁ যে ধান খায় নে নাখায় সুধিছিল, তাৰ মানে কি ?” ৰহমানে সুধিছিল।

জোহেৰাই হাঁহি মাৰি কৈছিল, “আঃ, পিতা, তুমি এজন কৃষক হৈয়ো কথাটো অনুমান কৰিব পৰা নাই ? যেতিয়া কৃষকে খাজানা দিব নোৱাৰে তেতিয়া পিয়াদা আহি জৰিমনা হিচাবে শস্যবোৰ লৈ যায়। সেই ক্ষেত্ৰত শস্যবোৰ কৃষকে খাবলৈ পায় নে নাপাই সুধিছিল।”

“ঠিক আছে বাৰু, কিন্তু তেওঁ নগৰ এখনক কবৰখানা বুলি আৰু কবৰখানা এখনক কিয় নগৰ বুলি কৈছিল ?” ৰহমানে আকৌ সুধিছিল।

“তেওঁৰ মতে, নগৰ এখনৰ মানুহবোৰ দয়ালু দানশীল আৰু প্ৰাণচঞ্চল হব লাগে আৰু

এটি উপাখ্যান

এটি উপাখ্যান মতে গোটেই কাশ্মীৰ উপত্যকাটোৱে এসময়ত সাগৰৰ দৰে বিশাল এটা হ্ৰদ আছিল। সেই ঠাইত এক ভয়ানক দৈত্যাই ব্যাপক ধ্বংস কাৰ্য্য চলাইছিল। ব্ৰহ্মাৰ নাতি কশ্যপৰ প্ৰচেষ্টাত হ্ৰদৰ পানীবোৰ সাগৰলৈ খাল কাটি উলিয়াই দিয়াৰ পিছত পাৰ্বতীয়ে এখন পৰ্বত দৈত্যৰ ওপৰত পেলাই দি বধ কৰিছিল। এই উপাখ্যানৰ পৰ্বতখন শ্ৰীনগৰৰ হৰি পৰ্বতৰ বাহিৰে আন কোনো পৰ্বত নহয়।

যেতিয়া এইবোৰৰ অভাব হয় সেই ঠাইখন কবৰখানাৰ নিচিনা শান্ত আৰু নিমাত্তমাও হৈ থাকে । কিন্তু তেওঁ নগৰৰ মানুহবেৰক উদাসীন যেন দেখিছিল আৰু কবৰখানাৰ দৃশ্য ইয়াৰ বিপৰীত আছিল । সেয়েহে তেওঁ প্ৰথমৰ খনক কবৰখানা আৰু পিছৰখনক নগৰ বুলি কৈছিল," জোহেৰাই পিতাকক বুজাই কৈছিল ।

"তোমাৰ ব্যাখ্যাৰ দ্বাৰা অনুমান হয় তেওঁ এজন জ্ঞানী পুৰুষ ।" ৰহমানে কৈছিল ।

জোহেৰাই হুছেইনক লগ পোৱাৰ কাৰণে অপেক্ষা কৰি আছিল । সন্ধিয়া হুছেইনে ৰাতিৰ আহাৰ খাবলৈ ৰহমানৰ ঘৰত উপস্থিত হৈছিল।

"এতিয়ালৈ আপুনি কিমান ভ্ৰমণ কৰিলে ?" জোহেৰাই সুধিছিল ।

কথা প্ৰসঙ্গত হুছেইনে মাছৰ হাঁহি আৰু ৰজাৰ আদেশৰ কথা তেওঁলোকৰ আগত কৈছিল ।

জোহেৰাই কৈছিল, "এই ৰহস্যটো বা সাঁথৰটো তেনেই সাধাৰণ, ইয়াৰ মানে, কোনোবা এজনে ৰাজভৱনত ভেশছন কৰি থাকি ৰজাক হত্যা কৰাৰ পৰিকল্পনা কৰিছে ।"

জোহেৰাৰ কথাটো ঠিক বুলি হুছেইনৰ বিশ্বাস হৈছিল । তেওঁ জোহেৰা আৰু ৰহমানক লগত লৈ ৰাজভৱনলৈ উলতি গৈছিল ।

হস্তশিল্প

কাৰ্পেটৰ কাৰণে কাশ্মীৰ অতি বিখ্যাত। সেইবোৰ হাতেৰে তৈয়াৰ কৰে। এইবোৰ ঘাইকৈ উল আৰু চিল্কেৰে তৈয়াৰী। নানা ধৰণৰ আৰ্হিৰে ৰংচঙীয়াকৈ এইবোৰ বোৱা হয় ।

অন্যান্য জনপ্ৰিয় হস্তশিল্পবোৰ হ'ল-- কাশ্মীৰী শ্বল, পেপিয়ে মাশ্বেইৰ বস্ত, বেজী সূতাৰে নানা ধৰণৰ ফুলতোলা কাম, খৰাহী তৈয়াৰ কৰা আৰু আখৰোট কাঠৰ ওপৰত খোদাই কৰা কাম । কাশ্মীৰী শ্বল, বিশেষকৈ শাহতুশবোৰ, ইয়াৰ উম, কোমলতা আৰু ফুলৰ কাৰণে বিখ্যাত । কিছুমান শ্বল ইমান নৰম যে ইয়াক এটা আঙঠিৰ মাজেৰেও পাৰ কৰি নিব পাৰি ! শাহতুশ ভেড়াৰ সংখ্যা কমি অহা কাৰণে ইয়াক ৰক্ষা কৰাৰ বাবে শাহতুশ শ্বল তৈয়াৰ কৰা বন্ধ কৰি দিছে ।

মন্ত্ৰীয়ে গৈ ৰজাক কৈছিল, "জাহাপনা, আমি মাছৰ হাঁহিৰ অৰ্থ উলিযাব পাৰিছো । এই জোহেৰাই আপোনাক বুজাই কব ।"

"হুজুৰ ! মাছটোৱে যে হাঁহিছিল, সেইটো ভৱিষ্যদ্বক্তা আছিল । মাছটোৱে ইঁহাৰ কাৰণ হ'ল সি এক প্ৰতাৰণাৰ গোন্ধ পাইছিল । মাছটোৱে আপোনাক এজনী তিৰোতা সম্বন্ধে সাৱধান কৰি দিব বিচাৰিছিল, যিজন আচলতে পুৰুষ আৰু সি তিৰোতাৰ ভেশ ধৰি আছে আৰু তায়ে আপোনাৰ জীৱনৰ ভয়ৰ কাৰণ হব পাৰে।" জোহেৰাই কৈছিল ।

"কিন্তু তুমি ইয়াৰ প্ৰমাণ দিব পাৰিবানে ?" ৰাণীয়ে কৈছিল ।

"ৰাণী আই, দোষীক বিচাৰি উলিয়াবলৈ আমাক পৰীক্ষা কৰিবলৈ দিয়ক," হুছেইনে কৈছিল ।

ৰজা আৰু ৰাণীয়ে সেই কথাত সন্মতি জনাইছিল ।

উৎপাদিত দ্ৰব্য

কুমকুম, এই অতি সুগন্ধীযুক্ত মছলা-বিধ কাশ্মীৰত প্ৰচুৰ পৰিমাণে পোৱা যায়। শ্ৰীনগৰৰ দাঁতি-কাষৰীয়া ঠাই প্ৰধানকৈ পেম্পোৰত ইয়াৰ খেতি কৰা হয় । স্পেইনৰ বাহিৰে বিশ্বৰ ভিতৰত এই এখন একমাত্ৰ ঠাই য'ত কুমকুম উৎপাদন হয় । গোটেই বছৰৰ ভিতৰত এমাহৰ বাবেহে মাথোঁ ই এবাৰ ফুলে । গাঢ় ৰঙা ৰঙৰ পুংকেশৰবোৰ সংগ্ৰহ কৰি শুকাই তৈয়াৰ কৰা এই মছলাবিধ বিশ্বৰ ভিতৰতে দামী মছলা বুলি বিবেচনা কৰা হয় ।

বাদাম আৰু আখৰোট উৎপাদনৰ কাৰণে কাশ্মীৰৰ জলবায়ু অতি ভাল । এইবোৰ ইয়াত প্ৰচুৰ পৰিমাণে পোৱা যায়।

হুছেইনে এটা বহল আৰু গভীৰদ গাঁত খান্দিবলৈ দিছিল আৰু তাৰ পাছত সেই গাঁতটোৰ ওপৰেৰে লিগিৰীবোৰক জাঁপ মাৰি পাৰ হৈ যাবলৈ দিছিল । এজনীৰ বাহিৰে আতাইকেইজনীয়ে পাৰ হৈ গৈছিল । যিজনীয়ে পাৰ হব পৰা নাছিল সেইজনী আছিল ছদ্মবেশত থকা এজন পুৰুষ যিজনে ৰজাৰ জীৱন লবলৈ সুযোগ চাই আছিল ।

দোষীক ধৰিব পাৰি ৰজা আৰু ৰাণী সুখী হৈছিল আৰু ৰজাৰ জীৱন ৰক্ষা কৰা কাৰণে জোহেৰা আৰু হুছেইনক পুৰস্কৃত কৰিছিল । অতি সোনকালে হুছেইনৰ লগত জোহেৰাৰ বিয়া হৈছিল । বুদ্ধিমতী জীয়েকৰ কাৰণে এজন উপযুক্ত দৰা পাই ৰহমান অতি আনন্দিত হৈছিল।

ঋণদাতা

সকলো মানুহেই জানিছিল যে গণপতি বৰ বুদ্ধিমান লোক আছিল । কিন্তু এবাৰ হঠাতেই তেওঁৰ কিছু টকাৰ প্ৰয়োজন আহি পৰিল । তেওঁ ভাবিছিল ওচৰৰ গাঁৱত থকা তেওঁৰ বন্ধু চমনৰ পৰা তেওঁ নিশ্চয় সহায় পাব । সেই আশালৈ তেওঁ চমনৰ তালৈ গ'ল । দুৰ্ভাগ্যবশত চমন নিজেই বিপদত পৰিছিল ।

"আমাৰ গাওঁ শ্ৰমিকৰ গাওঁ । তোমালোকৰ গাঁৱত কিন্তু বহুতো ধনী মানুহ আছে। মই আচৰিত হৈছো যে তোমাৰ গাঁৱতো ধনৰ নাটনি হৈছে । এই গাৱত তোমাক টকা ধাৰলৈ দিয়া কোনো লোক নাইনে ?" গণপতিয়ে সুধিছিল ।

চমনে নিৰুৎসাহ ভৰা মাতেৰে কলে, "কিয় নহব ? আছে । ইয়াৰে বাসিন্দা দিবাকৰ যাক সকলোৱে দাতাকৰ্ণ বুলিয়েই জানে । কিন্তু মানুহজনে আনৰ লগত লগ নহয় । আন মানুহৰ লগত কথা-বতৰা নাপাতে আৰু মানুহৰ লগত মিলিবও নোখোজে । কেতিয়াবা দহহাজাৰ টকা দান হিচাবেও দিয়ে । কেতিয়াবা আকৌ দুশটকা ধাৰলৈ দিবলৈ মান্তি নহয় । তেওঁক বুজি পোৱাটো বৰ কঠিন ।"

গণপতিয়ে এইটো কথাত আচৰিত হ'ল যে যিজন মানুহে দহহাজাৰ টকা দান হিচাবে তেওঁ দুশ টকা ধাৰলৈ দিব কিয় নোখোজে । দিবাকৰে কাক কেতিয়া টকা ধাৰলৈ দিছিলে, কাক কাক টকা ধাৰলৈ দিবলৈ অমান্তি হৈছিল এইসকলোবোৰ বিৱৰণ গণপতিয়ে চমনৰ পৰা জানি ললে ।

সকলো বিৱৰণ দিয়াৰ পাছত চমনে সুধিলে, "এই সকলোবোৰ ঘটনা তুমি কিয় জানিব বিচাৰিছা ?"

"সকলো মানুহৰ কথা বতৰা বা ব্যৱহাৰৰ পাছত কিবা নহয় কিবা শক্তিশালী কাৰণ থাকে। ভাল ভাবে বিচাৰ কৰি চালে উপায়ো পোৱা যায়। মোৰ বোধেৰে দিবাকৰৰ মনৰ কোনো অস্থিৰতা নাই । তেওঁক এবাৰ লগ কৰিয়ে আহো । ইয়াৰ পাছত গণপতিয়ে দিবাকৰক দেখা কৰিবলৈ ওলাল ।

সেইসময়ত দিবাকৰে ঘৰৰ পাছফালে থকা

ৰমেশ ৰাঠী

বাগিছাত ফুৰি আছিল । তেওঁ ফুলৰ বাগিছা খুব ভাল পাইছিল । বিভিন্ন ফুলৰ পুলি গোটাই আনি নিজৰ বাগিছাত ৰোপন কৰিছিল । গণপতিয়ে পোনে পোনে বাগিছালৈ গৈ তেওঁক দেখা কৰিলে । তেওঁৰ ভূয়সী প্ৰশংসা কৰি গণপতিয়ে নিজৰ পৰিচয় দিলে ।

"অ,' তাৰমানে তুমি আমাৰ চমনৰ বন্ধু ? তেওঁতো মোৰ খুব ভাল বন্ধু । তেওঁ তোমাক ইয়ালৈ পঠালে, কিন্তু নিজে কিয় নাহিলে ?" দিবাকৰে সুধিলে ।

"আচলতে মই ক'লা গোলাপ বিচাৰি আছিলো । যেতিয়া জানিব পাৰিলো যে আপোনাৰ বাগিছাত ক'লা গোলাপ আছে, তেতিয়া মই গুচিয়ে আহিলো । এই ক'লা গোলাপ মোৰ দৰকাৰ," এইবুলি কৈ তেওঁ এজোপা ক'লা গোলাপৰ ওচৰলৈ গ'ল ।

দিবাকৰে আচৰিত হৈ সুধিলে, "এই ক'লা গোলাপৰ বিশেষত্ব কি ?"

গণপতিয়ে সেই ক'লা গোলাপলৈ একেথৰে চাই কলে, "এই ফুল অকেৰাহে যদি দহ জন পুৰুষে নিজৰ হাতৰ তলুৱাৰে স্পৰ্শ কৰে আৰু তাৰপিছত পানীত দি গৰম কৰিলে ইয়াৰ কথাই বেলেগ হয় । সেই পানী খালে পুণ্য আৰ্জন কৰিব পাৰি । ধৰিলব পাৰে আপুনি কৈলাশ পৰ্বত দৰ্শন কৰিলে বুলি।"

দিবাকৰে তৎক্ষণাত পঞ্জিকা আনিলে আৰু সেই সময় শুভ হয় নে নহয় চাব ধৰিলে।

"এতিয়া এইটো ঠিকযে আমি দুয়ো ভাগ্যৱান। আপুনি ওচৰে পাজৰে থকা সাত জন পুৰুষক মাতি আনক। এই সময়তে মই চমনকো ইয়ালৈ লৈ আহো । আপোনাকে ধৰি দহজন হৈ যাব । আমি পুন্যবান হবলৈ ওলাইছো ।



গণপতিয়ে খুব উৎফুল্লিত হৈ কলে।

দিবাকৰে সাতজন লোক তেওঁৰ লগত লৈ আহিল। অলপ পাছতেই ক'লা গোলাপ পানীত দিলে আৰু গৰম কৰিলে। সেই পানী কেৱল দহজন পুৰুষেই নহয় বৰং ঘৰৰ গোটেই লৰা তিৰোতায়ো খালে। সকলোৰে খুব আনন্দ পালে। তেতিয়াই গণপতিয়ে চমনক কানে কানে কলে, "এতিয়া তুমি দিবাকৰৰ ওতৰলৈ গৈ পাঁচ হাজাৰ টকা ধাৰলৈ খোজা। এহেজাৰ মোক দিবা আৰু বাকী চাৰিহাজাৰ তুমি ৰাখিবা। তুমি অলপো সঙ্কোচ নকৰিবা, তেওঁ নিশ্চয় দিব। যদি তেওঁ নিদিয়ে, তেতিয়াহলে মইয়ে তোমাক দহ হাজাৰ টকা দিম।"

দ্বিধাযুক্ত মনেৰেই চমনে নিজৰ অৱস্থাৰ কথা দিবাকৰক কলে। "ইয়াত ইমান সঙ্কোচ কৰিব লগা কি আছে? মইতো তোমাক দান নিদিও, টকা ধাৰলৈহে দিম। তুমি এনেকুৱা হৈছা যেন মোৰ পৰা তুমি দানহে লৈছা। মই তোমাক খুব ভাল পাওঁ। মোৰ ভাল বন্ধু তুমি। পাঁচ হাজাৰ কিয়, লাগিলে দহ হাজাৰেই লবা।" দিবাকৰে কলে।

"দহ হাজাৰ নালাগে, পাঁচ হাজাৰেই ঠিক, এই বুলি কৈ চমনে তেওঁৰ পৰা পাঁচ হাজাৰ টকা ললে।

ইয়াৰ পাছত সিহঁত দুয়ো ঘৰলৈ আহিল, আৰু চমনে গণপতিক এহেজাৰ টকা দিলে আৰু কলে, "গণপতি তুমি জোৰ দি ধৰা বাবেহে মই দিবাকৰক ধাৰৰ কথা কলো। ভিতৰে ভিতৰে মোৰ বৰ ভয় লাগিছিল কাৰণ যদি তেওঁ নিদিও বুলি কয়। তুমি কেনেকৈ ইমান নিশ্চিত হৈছিলা যে তেওঁ টকা ধাৰলৈ দিবয়ে?"

"দিবাকৰক ভালদৰে বুজি লবা। যেতিয়া মানুহ থাকিব তেতিয়াহে তেওঁক খুজিবা, যিকোনো বস্তুয়ে দিব। তেওঁ বিচাৰে যে মানুহে তেওঁক দাতাকৰ্ণ বুলি কওক। অকলে খুজিলে অনেক কোনো বস্তুয়ে নিদিয়ে। যিসকলক তেওঁ ঋণ দিবলৈ অমান্তি হৈছিল এইটোয়ে কাৰণ আছিল। আনহাতে দিবাকৰ বৰ বুদ্ধিমানো। তেওঁ খুব সজাগ আৰু সতৰ্ক লোক। আন মানুহৰ উপস্থিতিত কোনোবাই ঋণ বিচাৰিলে তেওঁক না নকৰিছিল। সেয়েহে তেওঁ অকলশৰে থাকিব বিচাৰিছিল। মই তেওঁৰ এই স্বভাৱৰ বিষয়ে জানিব পাৰিছিলো আৰু দহজন লোকৰ উপস্থিতিত তোমাক টকা ধাৰলৈ খুজিব দিছেলো।" গণপতিয়ে বন্ধুৰ আগত নিজৰ বুদ্ধিৰ কথা কলে।

নিজৰ বন্ধুৰ বুদ্ধিক প্ৰশংসা কৰি চমনে কলে, "বাহ! বাহ! তোমাৰ বুদ্ধিক প্ৰশমসা কৰিবই লাগিব।"



গণেশ

"হে বিঘ্নেশ্বৰ ! গজাসুৰক নিৰ্মূল কৰাৰ ঘটনা সোঁৱৰাই দি ভালেই কৰিছা । ডাঙৰ ডাঙৰ 'নৱৰাত্ৰি'ৰে সৈতে প্ৰতিখন পূজা বা অনুষ্ঠানৰ আগে আগে সকলোৱে আগতেই তোমালৈহে পূজা আগ কৰিব । তোমালৈ পূজা আগ নকৰি কোনেও কোনোবিধ শুভকাৰ্য্য আৰম্ভ নকৰিব । আৰম্ভ কৰিলেও সেই কাৰ্য্য সফল নহ'ব ।" এই বাণীসমূহ আকাশৰপৰা ধ্বনিত হ'ল ।

বিষ্ণুৱে গণেশক ক'লে, "হে পাৰ্বতী-নন্দন, তোমাৰ সৈতে যে মোৰ আত্মীয়তা সম্পৰ্ক আছে -- সেই কথাটো কৈ ভালেই কৰিছা । আজিৰ এই শুভক্ষণৰপৰা তেন্তে তোমাৰ সৈতে মোৰ মোমাই-ভাগিনৰ সহজ সুন্দৰ সম্পৰ্ক স্থাপিত হ'ল ।"

"প্ৰত্যেকেই কিবা নহয় কিবা সম্পৰ্কৰ ভিত্তিত জন্মগ্ৰহণ কৰে । বিশেষ উদ্দেশ্য সাধনৰ বাবে কাৰো নহয় কাৰোবাৰ গৰ্ভত জন্ম ল'ব লাগে । কংসক এইদৰে তুমি বধ কৰিছিলা যে মনত নপৰেনে ? কাক কেতিয়া কেনেদৰে বধ কৰিব লাগিব-- সকলো তোমাৰেই পৰিকল্পনা । তুমি আগৰেপৰাই যিবোৰ পৰিকল্পনা কৰা, সেইবোৰকে সময়মতে সম্পাদন কৰা । সকলো কৰ্মকাণ্ড তোমাৰ নিৰ্ধাৰিত পৰিকল্পনামতেই হৈছে । তোমাৰ হাতত থকা চক্ৰেৰে কৰিব নোৱাৰা কাৰ্য্য জগতত একো নাই । তোমাৰ চক্ৰৰ ওচৰত আন সকলো তুচ্ছ ।" গণেশে বিষ্ণুক ক'লে ।

"হে বিঘ্নেশ্বৰ ! তোমাৰ কুঠাৰৰ ওচৰত মোৰ চক্ৰ তেনেই তুচ্ছ বস্তু । মোৰ চক্ৰৰ ক্ষমতা সীমিত । কিন্তু তোমাৰ অস্ত্ৰৰ ক্ষমতা

অসীম ।" বিষ্ণুৱে কলে ।

"বাৰু, মোৰ কুঠাৰলৈ যেতিয়া তোমাৰ ইমানেই লোভ, তেতিয়া এসময়ত মই তোমাক মোৰ কুঠাৰ ব্যৱহাৰ কৰিবলৈ দিম বাৰু । পৰশুৰাম অৱতাৰৰ কালত এই কুঠাৰেৰে তুমি অহংকাৰী, দাম্ভিক ক্ষত্ৰিয় সকলক শাস্তি দিবা ।" গণেশে ক'লে ।

বিষ্ণুৱে ক'লে, "তুমি যেতিয়া গজ-বিঘ্নাসুৰৰ ওপৰত উঠি তাক গছকি আছিলা, তেতিয়া তোমাক চাই মইমুগ্ধ হৈছিলোঁ । নৃত্যৰ তালে তালে গছকি থকাৰ অপূৰ্ব কৌশল দেখি মই তেতিয়া আশ্চৰ্য্যান্বিত বোধ কৰিছিলোঁ ।"

"ঠিক আছে, তোমাৰ সেই ইচ্ছাও এদিন পূৰণ হ'ব । এদিন বামন অৱতাৰ হৈ ভৰিৰে গছকি বলিক পাতাললৈ পঠাব পাৰিবা ।" গণেশে হাঁহি মাৰি ক'লে ।

"কিন্তু--সকলো পালেওবা তোমাৰ জ্ঞান আৰু বুদ্ধি মই কেনেকৈ পাম ?" বিষ্ণুৱে খেদ প্ৰকাশ কৰি ক'লে ।

"যি যুগত যি ধৰ্ম স্থাপন কৰা আৱশ্যক সেই যুগত সেই ধৰ্ম স্থাপন কৰিবলৈ বিভিন্ন অৱতাৰ হৈ তুমি জনমিবা । ধৰ্ম-সংস্থাপনৰ আচল অৰ্থ হ'ল মূঢ়তাক স্তব্ধ কৰা, হিংসা দূৰ কৰি মানৱ-সমাজক সুখী আৰু সমৃদ্ধ কৰি তোলা । তাৰ বাবে এবাৰ মহাপ্ৰাণ বুদ্ধ হৈও জন্মগ্ৰহণ কৰিব লাগিব ।" গণেশে ক'লে ।

গণেশৰ পৰম বাণী শুনি আনন্দ চিত্তেৰে বিষ্ণু তাৰপৰা ওলাই গুচি গ'ল ।

ইমান সময় ধৰি মুষিকাসুৰে মুষিকৰ ৰূপত গণেশৰ পিছফালে লুকাই থিয় হৈ আছিল । বিষ্ণু গুচি যোৱাৰ পাছত দাঁত-মুখ কৰচি মুষিকাসুৰ পৰ্বত সদৃশ দেহৰে গণেশৰ আগত থিয় হ'লহি ।

গণেশে মুষিকাসুৰৰ বিৰাট বলিষ্ঠ দেহলৈ এবাৰ চালে । গণেশলৈ তুচ্ছতা প্ৰদৰ্শন কৰি মুসিকাসুৰে ক'লে, "তুমি বিঘ্নক তোমাৰ পদতলত চেপি ৰাখিব পাৰা; কিন্তু মই তোমাক মুঠেই ভয় নকৰোঁ । মই এতিয়াই সিংহৰূপ ধাৰণ কৰি তোমাৰ পেট ফালি পেটুনাড়ী উলিয়াই আনিম ৰ'বা ।"

গণেশে নিৰ্বিকাৰ কণ্ঠেৰে ক'লে, "সিংহ হ'ল জগজননীৰ বাহন । ই এক অতিশয় গৌৰৱজনক কথা ।"

গণেশৰ কথা শুনি সেই সিংহৰূপী মুষিকাসুৰে তৰ্জন-গৰ্জন কৰি থাকিল । তেতিয়া গণেশে শৰভক সুঁৱৰিলে । শৰভ চকুৰ পচাৰতে সিংহৰ মুখামুখি হৈ থিয়

হ'ল। শৰভৰ দেহও সিংহৰ দৰেই বলিষ্ঠ । অধিকন্তু হাতীৰ শু'ৰৰ দৰে শুঁৰো আছে তাৰ । শৰভৰ নেজৰপৰা জুই আৰু মুখৰপৰা উত্তপ্ত ধোঁৱা ওলায় । শৰভে প্ৰথমেই তাৰ শুঁৰেৰে সিংহৰ কাণে-মুখে চাৰিয়ালে । কাণতলীয়া চৰ খাই সিংহ বপুৰা দৌৰি পলাল আৰু লগে লগে শৰভো তাৰ পৰা অদৃশ্য হ'ল । তাৰ কৰ্তব্য আপাততঃ শেষ।

এই ঘটনা ঘটাৰ পাছমুহূৰ্ততে নাৰদে আকাশপথত হিন্দোল ৰাগ বজাবলৈ ধৰিলে। সকলো কথা-কাণ্ড চাই দেৱতা-সকল বিস্ময়াভিভূত হ'ল । বিষ্ণুৱে গণেশক ক'লে, "তুমি যিটো সিংহক আটক কৰিছা তাক মই মোৰ ওচৰত ৰাখিব খুজিছোঁ । মোক দিবানে?"

"সিংহক লৈ কি কৰিবানো মোমাই ? আচলতে তুমি সিংহৰ মুখ আৰু তাৰ নখবোৰহে কামত লগাব খুজিছা, নহয় জানো? সেইটো নহ'ব । এই সিংহই যেতিয়া দাম্ভিকতাৰে মোক ভয় খুৱাব বুলি ভাবিছে তাক ময়েই ৰাখিম । নৰসিংহ অৱতাৰৰ কালত তুমি নিজেই প্ৰায় সিংহৰূপ ধাৰণ কৰিবা আৰু হিৰণ্যকশিপুৰ বুকু সহজেই ফালি পেলাব পাৰিবা ।"

মহাশ্বেতাই সহস্ৰবাৰ নিষেধ কৰা সত্বেও মুষিকাসুৰে পুনৰ নিজৰূপ ধাৰণ কৰি গণেশৰ বিৰুদ্ধে যুঁজিবলৈ ওলাল । নিৰুপায় মহাশ্বেতাই তেতিয়া দেৱীলৈ খাটিলে । দেৱীয়ে মহাশ্বেতাক ক'লে "তুমি ভয় নকৰিবা । মুষিকাসুৰ অমৰ হ'ব । সিয়েই হ'ব গণেশৰ বাহন । তুমিও তাৰ ওচৰত থাকিব পাৰিবা । তুমি হ'বা শ্বেতচক্ৰ । তোমালোকে অনন্তকাল ধৰি মহাগণাধিপতি বিঘ্নেশ্বৰ গণেশৰ সেৱাত আত্মনিয়োগ কৰিব পাৰিবা।" এই বুলি কৈ দেৱী তৎক্ষণাৎ অন্তৰ্হিতা হ'ল ।



যেতিয়া যি ৰূপ ধাৰণ কৰা আৱশ্যক- বজ্ৰদন্তই সেই ৰূপ ধাৰণ কৰিব পাৰিছিল । হঠাৎ তাৰ প্ৰকাণ্ড চৰাইৰ ৰূপ ধাৰণ কৰাৰ মন গ'ল । তাৰ পাছত সি আন দুটা চৰায়ে ছোঁ মাৰি কিবা এটা বস্তু লৈ উৰি যোৱা দেখা পাই সিহঁতক খেদা মাৰিলে আৰু তীব্ৰ চিৎকাৰ কৰিবলৈ ধৰিলে । গছ এজোপাৰ ওপৰত ধ্যানমগ্ন হৈ বহি থকা গৰুড়ৰ ধ্যানভংগ হ'ল । গৰুড়ে খঙতে তাৰ ঠোঁটেৰে বজ্ৰদন্তক খুটি দিয়াত গৰুড়ৰ সেই প্ৰচণ্ড আঘাত সহিব নোৱাৰি বজ্ৰদন্তই আকৌ নিজৰূপ ধাৰণ কৰি মাটিত বাগৰি পৰিল ।

কৰিবলৈ ধৰিলে । এই আঘাতৰ ফলত বজ্ৰদন্ত ক্ষত-বিক্ষত হ'ল । তাৰ দেহৰপৰা ধাৰাসাৰে তেজ ওলোৱা দেখি তাৰ পত্নী মহাশ্বেতা মূৰ্ছিতা হৈ পৰিল । মুহূৰ্ততে বজ্ৰদন্তই নিগনিৰ ৰূপ ধাৰণ কৰি পলাল ।

বজ্ৰদন্তই নিগনিৰ ৰূপ ধৰি পলাল, কিন্তু গণেশৰ দাঁতৰ সৰু টুকুৰাটোয়ো তাৰ পিছ নেৰিলে । নিগনিটো পলাই ভূমিলৈ আহিল। কিন্তু তাতো তাৰ নিস্তাৰ নাই । সি পলাই পাতাললৈ গ'ল, তথাপি দাঁতৰ টুকুৰাটোৱে তাক নেৰিলে । তেতিয়া এন্দূৰৰূপী বজ্ৰদন্ত আকৌ গণেশৰ ওচৰলৈ গ'ল আৰু ক'লে, "মোক মাৰি পেলোৱাহেঁতেন কোনো কথা নাছিল, কিন্তু মোকনো এনেকৈ ক্ষত-বিক্ষত কৰিছে কিয় ? মই আৰু সহ্য কৰিব নোৱাৰিছোঁ।"

তেতিয়া গণেশে তাক অভয় দান কৰি ক'লে, "মুষিকাসুৰ, তোমাৰ বহু ধৰণৰ ক্ষমতা আছে । কূৰ্ম অৱতাৰৰ কালত বিষ্ণুৱে ভূমিক দাঙি ধৰিছিল । তুমি কিজানি বিষ্ণুতকৈ শক্তিশালী । ইপিনে--মোৰ সমস্যা হ'ল এই শুঁৰডাল । ইমান দীঘল শুঁৰডাল লৈ সহজভাৱে ঘূৰা-ফুৰা কৰাটো অসন্তৱেই। তোমাৰ দৰে এটি--"

গণেশে আৰু ক'ব নোৱাৰিলে । তেওঁ যথেষ্ট অস্বস্তি পোৱা যেন বোধ হ'ল ।

তেতিয়া মুষিকাসুৰে গণেশক ক'লে, "হে প্ৰভু ! তোমাৰ দন্তখণ্ডেৰে মোৰ মাজত থকা অজ্ঞানতাক উলিয়াই দিলা । মই এতিয়া মোৰ ভুল বুজি পাইছো ।" এই বুলি কৈ সি হাতীৰ সমান ওখ এটা এন্দুৰৰ ৰূপ ধাৰণ কৰিলে ।

তেতিয়া গৰুড়ে বজ্ৰদন্তক ক'লে, "হেৰা বজ্ৰদন্ত, তোমাৰ কপালত আৰু বহুত দুখ পাবলগীয়া আছে । সাৱধান !"

মুষিকাসুৰে গণেশক ক'লে, "তুমি তোমাৰ প্ৰকাণ্ড দাঁতেৰে কি কৰা ? এই দাঁতেৰে কথবেল ফটোৱাৰ বাহিৰেনো আৰু কি কাম কৰিব পাৰা ? আনহাতে, মই মন কৰিলে স্বৰ্গ তচনচ কৰিব পাৰোঁ, বজ্ৰায়ুধক চূৰ্ণ-বিচূৰ্ণ কৰিব পাৰোঁ ।"

গণেশে তাৰ কথা শুনি ক'লে, "হয় হয়, তুমি ঠিকেই কৈছা । মই মোৰ এই দাঁতেৰে একোৱেই কৰিব নোৱাৰোঁ ।" এই বুলি কৈ নিজৰ দাঁতৰপৰা সৰু টুকুৰা এটা সন্মুখলৈ দলিয়াই পেলালে আৰু লগে লগে দাঁতৰ সেই টুকুৰাটোৱে বজ্ৰদন্তক আঘাত



তেতিয়া তাৰ পিঠিৰ ওপৰত ভৰিৰে চেপা মাৰি গণেশে ক'লে, চোৱাঁহে বোপা, দেহটোক ইমান ডাঙৰ কৰি তোমাৰ আৱশ্যকতা নাই । তুমি তোমাৰ ক্ষমতাৰে সৰু এন্দুৰ এটি হৈয়েই মোকসহজে বহন কৰিব পাৰিবা ।" লগে লগে হাতীৰ সমান এন্দুৰটোৱে আকৌ ক্ষুদ্ৰ আকাৰ ধাৰণ কৰিলে। সি গণেশকে তাৰ পিঠিৰ ওপৰত উঠাই লৈ ৰংমনে ঘূৰিফুৰি থাকিল ।

অলপ পাছত এন্দুৰটোৱে ক'লে, "হে প্ৰভু আপুনি ঠিকেই কৈছিল, মোৰ অলপো গধুৰ যেন লগা নাই । মোৰ পিঠিৰ ওপৰত কোনোবা বহি আছে বুলি গমেই পোৱা নাই দেখোন্ ।"

তেতিয়াহে মহাশ্বেতাই চেতনা ঘূৰাই পালে । তাই গণেশক ক'লে, "হে প্ৰভু ! মোৰ স্বামীয়ে যেতিয়া আপোনাক বহন কৰাৰ গৌৰৱ অৰ্জিছে, মোকো দয়া কৰি আপোনাৰ সেৱাত নিযুক্ত হ'বলৈ দিয়ক ।"

গণেশে ক'লে, "তুমি হ'বা মোৰ শ্বেতচক্ৰ । মোৰ মস্তকোপৰি ছত্ৰ হৈ থাকিবা তুমি । সেই ছত্ৰতলত মই থাকিম । তোমাক যে মই পালোঁ --এয়া মোৰ সৌভাগ্য । শুনা বজ্ৰদন্ত, তোমাৰ পত্নীয়ে দেৱীৰ অনুগ্ৰহ লাভ কৰিলে । ভাল কথা, মোলৈ প্ৰসাদ হিচাপে যি উছৰ্গা কৰা হ'ব, তাৰপৰা তুমিও খাব পাৰিবা । মোলৈ আগবঢ়োৱা বস্তু তোমা-লৈকো আগবঢ়োৱা হৈছে বুলি ভাবিবা। তুমি যে মোক কঢ়িয়াবলৈ সন্মত হৈছা--সেয়া মোৰ পৰম সেভৈগ্য । কেৱল মানুহেই নহয়, দেৱতাসকলেও মোক পূজা কৰা তোমা-লোকে দেখা পাবা ।"

এনেতে বিষ্ণু তালৈ আহিল । গণেশৰ বাহনলৈ চাই বিষ্ণুৱে ক'লে, "সঁচা কথা গণেশ, ইমান ধুনীয়া বাহন এটি যোগাৰ কৰাটো কেৱল তোমাৰ পক্ষেহে সম্ভৱ ।"

তেতিয়া নাৰদমুনিও তাত ওলালহি । তেওঁ ক'লে, "আমাৰ মহাগণাধিপতি বিঘ্নেশ্বৰৰ জয় হওক । বিষ্ণুৰ নৱম অৱতাৰ হৈ গ'ল, এতিয়া দশম অৱতাৰহে বাকী ।"

বিষ্ণুৱে নাৰদক ইংগিতেৰে ক'লে, "নটা হ'লেই যেতিয়া, বাদবাকীটোও হ'ব। কিহৰ চিন্তা ? ইমান খৰখেদা কৰিব নালাগে। শুভ কামৰ সময়ত হ'ব ।"

"কাৰ শুভ কাম ?" নাৰদে সুধিলে ।

"আৰু নো কাৰ ? বিশ্ববিজয়ী বিঘ্নেশ্বৰৰ শুভ কাম ।" বিষ্ণুৱে ক'লে ।

গণেশে বিষ্ণুলৈ ঘোপাকৈ চাই ক'লে "এহেজাৰ বিঘ্ন উপস্থিত নহয়মানে মোৰ বিয়া কদাপি নহ'ব ।"

বিষ্ণুৱে টপৰাই ক'লে, "ওহোঁ, তেনেকুৱা কথা উচ্চাৰণো নকৰিবা । ইমান বিঘিনি সৃষ্টি হ'ব কিহলৈ ?"

নাৰদেও ক'লে, "এহেজাৰ বিঘ্ন আহে যদি আহকেই । তাৰ পাছত তো বিয়াখন হ'ব।" এই বুলি কৈ নাৰদে তম্বুৰা বজাই তাৰপৰা গুচি গ'ল ।

শিৱৰ অন্তৰত পাৰ্বতীলৈ যি মোহ-অনুৰাগ আছিল, সেই মোহানুৰাগ বীৰ্য্য-শক্তিলৈ ৰূপান্তৰিত হ'ল । সেই শক্তি অগ্নিদেৱে যথাস্থানলৈ লৈ গ'ল । তাৰ ফলত কাৰ্তিকৰ সৃষ্টি হ'ল । ছগৰাকী ঋষি-পত্নীয়ে কাৰ্তিকক লালন-পালন কৰিবলৈ ধৰিলে । অলপ ডাঙৰ হোৱাৰ পাছত গৰুড়ে কাৰ্তিকক ময়ূৰ প্ৰদান কৰিলে । ময়ূৰৰ পিঠিত উঠি কাৰ্তিক অনাই-বনাই ঘূৰি ফুৰিব ধৰিলে। ইন্দ্ৰই কাৰ্তিকক দিলে অস্ত্ৰ । পাৰ্বতীয়ে দিলে অসীম ক্ষমতা । এইদৰে, কাৰ্তিক যিমানেই ডাঙৰ-দীঘল হ'বলৈ ধৰিলে, তাৰকাসুৰৰ মনতো সিমানেই ভয় সোমাল ।

কাৰ্তিক বিভিন্ন বিদ্যাত পাৰংগম হ'ল । শিৱক তেওঁ ওংকাৰধ্বনিৰ নিগূঢ় ৰহস্য শিকাই শিৱৰ গুৰু হ'ল । গণেশ আৰু কাৰ্তিক হ'ল ককাই-ভাই । স্বৰ্গধামত কাৰ্তিকৰ ক্ষমতাৰ লেখ-জোখ নাই । কাৰ্তিকৰ জ্ঞান আৰু ক্ষমতা আছিল অসীম। সেয়েহে কাৰ্তিক যেনেকৈ সকলোৰে প্ৰিয়, তেনেকৈয়ে শ্ৰদ্ধেয় ।

জানা--নাজানো

মঙ্গলপুৰী ৰাজ্যত মায়া বৰ্মা নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল । সেই ৰাজ্যৰ মন্ত্ৰীৰ মৃত্যুৰ পিছত ৰজাই আৰু কোনো মন্ত্ৰী নিযুক্ত কৰা নাছিল । সেই ৰজাই ৰজা আৰু মন্ত্ৰী দুয়োটা কাৰ্যভাৰ চলাইছিল ।

তেওঁ শুনিবলৈ পাইছিল যে প্ৰজাসকলৰ সুখ-দুখ ৰজাই নিজে জানি লোৱা উচিত । সেয়েহে মায়া বৰ্মাই ছদ্মবেশ ধৰি দুজন দেহৰক্ষক লগত লৈ যেতিয়াই তেতিয়াই প্ৰজাৰ মাজত ঘূৰি ফুৰিছিল । কিন্তু ৰজা নিজেই বৰ বুদ্ধিমান তথা সাৱধান নাছিল ।

এদিন ৰজাই ছদ্মবেশ ধৰি ঘূৰি ফুৰোতে এঘৰ মানুহৰ পতি-পত্নীৰ মাজত হোৱা বাদ-বিবাদৰ কথা শুনিবলৈ পালে ।

"ছিঃ ছিঃ এয়া তুমি কি কৰিলা ? যদি তুমি নাজানো বুলি কলাহেতেন মৱেই কৰিলোহেতেন ।" পতিয়ে কৈছিল ।

"আপুনি কি জানে ? সকলো কথা জানো বুলিহে কয় । কিন্তু সৰু ল'ৰাটোৱে যিমান জানে সিমানখিনিও আপুনি নাজানে।" পত্নীয়ে কৈছিল ।

"বক্‌বক্‌ নকৰিবা । তুমি কিবা জানিলেহে ! এই সৰু কামটোও মই কৰিব নোৱাৰিলোহেতেন নে ? তুমি মোক কি বুলি ভাবিছা ? সুবিধা পালে এই ৰাজ্য ভাৰ চলোৱাৰো মোৰ যোগ্যতা আছে ।" পতিয়ে কৈছিল ।

এই কথা শুনাৰ পাছতে ৰজাই নিজৰ কানদুখন বন্ধ কৰি ৰাজভৱনলৈ উলতি আহিল। তাৰ পিছদিনাই ৰজাই এক নতুন আইন জাৰি কৰি দিলে । সেই আইন মতে ৰাজ্যৰ কোনো ব্যক্তিয়ে এই কথা কব নোৱাৰিব যে মই সকলো জানো । যদি কোনোবাই এই বুলি কয়, 'মই জানো' তেতিয়া তেওঁক উচিত শাস্তি দিয়া হব ।

এই আইনৰ দ্বাৰা মানুহবোৰৰ বৰ কষ্ট হবলৈ ধৰিলে । শাস্তিৰ ভয়ত মানুহবোৰে সকলো কথাৰে উত্তৰ 'নাজানো' বুলি কবলৈ

ধৰিলে । এইটোৱে সকলোৰে অভ্যাস হৈ পৰিল ।

কিছুদিন পিছত সেই ৰাজ্যলৈ অন্য দেশৰ দুজন মানুহ আহিল । তেওঁলোকে জানিব পাৰিলে কাৰোবাক যদি কিবা সোধা হয় তেতিয়া তেওঁ "মই নাজানো" এই বুলিয়ে উত্তৰ দিয়ে । এঠাইত কিছুমান মানুহ একত্ৰিত হৈ থকা দেখি তেওঁলোক দুয়ো সুধিলে-- "আপোনালোকে সকলো কথাৰে উত্তৰ "নাজানো" বুলি কয় । এইদৰে কিয় কয়?"

"নাজানো মহাশয় ! আমি একো নাজানো । আপোনালোকে যি কথাই সুধিব তাৰ এটাই উত্তৰ আমি নাজানো ।" তেওঁলোকে এই উত্তৰকে আকৌ দিলে ।

তেওঁলোক দুয়ো নিজৰ ভিতৰতে ভুনভুনাই কবলৈ ধৰিলে--"এইখন আকৌ কেনে দেশ ! কাৰোবাক যদি কিবা কথা সোধা হয় ইয়াকেই কয় -- মই একো নাজানো !"

যেতিয়া তেওঁলোকে এইদৰে কথা হৈ আছিল তেতিয়া ৰজাই ছদ্মবেশ ধৰি মানুহৰ মাজতে আছিল । বিদেশী আৰু প্ৰজাবোৰৰ মাজত হোৱা কথাও ৰজাই শুনি আছিল ।

সেই কাৰণে পিছদিনা ৰজাই অন্য এক আইন জাৰি কৰিলে । সেইমতে 'গোটেই ৰাজ্যতে কোনো লোকে কোনো অৱস্থাতে 'নাজানো' বুলি কব নোৱাৰিব ! যিয়ে এইবুলি কব তেওঁক কঠোৰ শাস্তি দিয়া হব ।'

সেইদিনাৰ পৰা ৰাজ্যৰ কোনো ঠাইতে 'জানো' বা 'নাজানো' এই শব্দদুটা শুনিবলৈ পোৱা নগৈছিল । এনে লাগিছিল যেন প্ৰজাৰ মুখত সোপাহে দিয়া হৈছে ।

এইবোৰ কাম বিদেশীসকল থকাৰ সময়তে হৈছিল । সেয়েহে তেওঁলোকৰ সকলো কাম পণ্ড হৈ গ'ল । তেওঁলোকে ৰজাক দৰ্শন কৰিবলৈ গৈ তেওঁৰ হাতত এখন পত্ৰ দিছিল । তাত লিখা আছিল । "মহাৰাজ,

আমি অন্য দেশৰ লোক। আপোনাৰ আইনে সকলোৰে মুখ বন্ধ কৰি ৰাখিছে। আমি বিদেশী হোৱা কাৰণে এই আইনে আমাৰ কামত বাধা প্ৰদান কৰিছে। আপুনি এই আইন জাৰি কৰাৰ নিশ্চয় কোনো কাৰণ আছে। যদি আপুনি সেই কাৰণটো আমাক জনায় আমি ইয়াৰ সমাধান কৰিব চেষ্টা কৰিব পাৰো।"

ৰজাই বিদেশী দুজনক মাতি আমি তেওঁলোকৰ আগত সেই দম্পতিৰ কথা কলে। বিদেশী দুজনে ৰজাৰ কথা শুনি কলে, "সেই দম্পতিয়ে কি সন্দৰ্ভতনো কথাখিনি কৈছে তাক জনাটো অতি জৰুৰী।

ৰজাই ছদ্মবেশ ধৰি বিদেশী দুজনক লগত লৈ সেই দম্পতিৰ ঘৰলৈ গ'ল আৰু ঘৰৰ গিৰিহঁতক মাতি সুধিলে --"তুমি কিছুদিন আগতে তোমাৰ পত্নীৰ আগত কৈছিলা নহয় তুমি সকলো জানা, আনকি তুমি ৰাজ্য চলাবলৈকো প্ৰস্তুত আছা। এইকথা তোমাৰ মনত আছে?"

"হয়, মই কৈছিলো। কিন্তু এই কথাটো মই ৰাজ্যত আইন জাৰি হোৱাৰ আগতে কৈছিলো। সেইদিনা মোৰ পত্নীয়ে ৰন্ধা আহাৰ নষ্ট কৰি পেলাইছিল। সেয়েহে মই তেওঁক ধমক দি এই কথা কৈছিলো। যি স্ত্ৰীয়ে একো নাজানে আৰু সকলো সময়ত এইবুলি কৈ ফুৰে যদি 'আপুনি একো নাজানে,' তেতিয়া মোৰ কেনে লাগিব? তেতিয়া বাৰু খং নুঠিবনে? সেই খঙতে মইও বকিছিলো।" গিৰিহঁতে কলে।

"শুনিলেনে, মহাৰাজ! সাধাৰণ মানুহে যি কোনো কথা কলেই আপুনি তাক গভীৰভাবে লৈ ইমান কঠোৰ আইন জাৰি কৰি দিয়ে! ইয়াৰ দ্বাৰা ৰাজ্যৰ প্ৰজাসকলৰ কিমান অসুবিধা হৈছে জানেনে? আপোনাক ৰাজ কাৰ্য্য চলোৱাত পৰামৰ্শ দিবলৈ কোনো মন্ত্ৰীও নাই নে?" বিদেশী দুজনে ৰজাক কলে।

মোৰ আগৰ মন্ত্ৰীজনৰ মৃত্যু হৈছে। এতিয়ালৈ মই নতুন মন্ত্ৰী নিয়োগ কৰা নাই। তোমালোক দুয়ো মোৰ মন্ত্ৰী হৈ মোক সহায় কৰিব পাৰিবানে? তোমালোক দুয়ো বৰ জ্ঞানী বুলি অনুমান হৈছে।" ৰজাই কলে।

তেওঁলোক দুয়ো মন্ত্ৰী হবলৈ সন্মত হ'ল আৰু সেই ৰাজ্যতে চিৰদিনৰ কাৰণে থাকি গ'ল। সেইদিনাৰ পৰা ৰাজ্যৰ কাম-কাজ সুচাৰুৰূপে চলিবলৈ ধৰিলে আৰু প্ৰজাসকলেও সুখেৰে দিন কটাবলৈ ধৰিলে।

চোৰ দামোদৰ

কৌশল ৰাজ্যৰ এখন নগৰত দামোদৰ নামৰ এজন চোৰ আছিল । তেওঁ এজন যুৱক আছিল । চোৰ কাৰ্য্যত তেওঁ বৰ নিপুন আছিল। যিকোনো প্ৰকাৰৰ তলা তেওঁ সহজেই খুলিব পাৰিছিল । মেকুৰীৰ দৰে খুব লাহে লাহে তেওঁ খোজ কাটি ছিল । কোনো শব্দই নকৰিছিল । যিমানেই অন্ধকাৰ নহওক কিয়, কি বস্তু ক'ত থাকে তেওঁ ভালদৰে জানিছিল । এইটো তেওঁৰ বিশেষত্ব আছিল।

চোৰ কাৰ্য্যত তেওঁৰ নিপুনতা দেখি বয়সীয়া লগৰ এজনে জীয়েকক দামোদৰলৈ বিয়া দিবলৈ খুজিছিল । কিন্তু দামোদৰে কলে, "ৰজাৰ খাজনা চোৰ কৰাই মোৰ প্ৰধান লক্ষ্য । মই প্ৰতিজ্ঞা কৰিছো যে যেতিয়ালৈ মই এই লক্ষ্য পূৰণ কৰিব নোৱাৰো তেতিয়ালৈ বিয়া নকৰাওঁ ।"

দামোদৰ চোৰে যিসকল লোক জানিছিল, তাৰে ভিতৰৰ এজন আছিল সুবনন্দন নামৰ লোক । এদিনা খন অকস্মাৎ দামোদৰে সুবঁনন্দনৰ জীয়েক গৌৰীক দেখিলে । তাই দেখিবলৈ বৰ ধুনীয়া আছিল। ইমান ধুনীয়া ছোৱালী আগতে দামোদৰে দেখায়ে নাছিল । তেওঁ তাইৰ ৰূপত মোহিত হৈ পৰিল । যিকোনো ভাবেই গৌৰীক বিয়া কৰাবলৈ তেওঁ মনতে ভাবিলে।

দামোদৰে ভাবিব ধৰিলে যে ৰজাৰ খাজনা লুট কৰা ইমান সহজ কথা নহয় । যদি এবছৰ লাগে আৰু সফল নহও । হয়তো ইয়াৰ মাজতে কোনোবাই গৌৰীক বিয়া কৰাই লৈ যাব । সেয়েহে এই বিষয়ত তেওঁ বেছি দেৰি নকৰি গৌৰীৰ দেউতাকক লগ ধৰিবলৈ গ'ল।

সুবনন্দনে সুধিবই খুজিছিল দামোদৰক অহাৰ কাৰণ, কিন্তু ঠিক সেই সময়তে দামোদৰে নমস্কাৰ জনাই কলে, "মোৰ নাম দামোদৰ । সকলোৱে জানে যে চোৰ কাৰ্য্যত মোৰ সমকক্ষ কোনো নাই । চোৰ কৰা অপৰাধত আজিলৈ মোক কোনেও ধৰিব পৰা নাই ।" তেতিয়া সুবনন্দনে কলে, "তোমাৰ বিষয়ে মই শুনিছো । পিছে কোৱা তুমি ইয়ালৈ কি কামত আহিছা ?"

দামোদৰে সংকোচ কৰি কলে, "বিয়া কৰাবলৈ মোৰ ইচ্ছা," এইবুলি কৈ বৈ গ'ল।

এইকথাত সুৰনন্দনে হাঁহিমাৰি কলে, "তোমাৰ ইচ্ছাটো ঠিকেই আৰু তোমাৰ বয়সো বিবাহযোগ্য । কিন্তু এই ক্ষেত্রেত তোমাক মই কি সহায় কৰিব পাৰো । ছোৱালী পচন্দ কৰিছা নেকি ? কোন সেইজনী ?

দামোদৰে এইবাৰ ধৈৰ্য্য সহকাৰে কলে, "আপোনাৰ ছোৱালী গৌৰীক মোৰ ভাল লাগিছে । তাইক বিয়া কৰাবলৈ মোৰ তীব্ৰ ইচ্ছা।"

এইকথাত সুৰনন্দন আচৰিত হ'ল আৰু কলে, "তাৰমানে তুমি মোৰ ছোৱালী গৌৰীক চিনিপোৱা । সুন্দৰতাৰ ফালৰ পৰা তাইৰ লগত ফেৰ মাৰিব পৰা আন কোনো ছোৱালী নাই । কিন্তু তোমাক এটা কথা জনাই থও যে তাই কোনো কথা কবলৈ সংকোচ নকৰে আৰু তাই বৰ বুদ্ধিমানো । চোৰ কাৰ্য্যৰ প্ৰতি তাইৰ সাংঘাটিক ঘৃণা । তোমাক জোৱাই হিচাবে পোৱাত মোৰ কোনো আপত্তি নাই। এই সম্বন্ধ মোৰ খুব ভালেই লাগিছে । কিন্তু গৌৰীৰ ইচ্ছাৰ কথাও আমি জানিব লাগিব । হয়নে নহয় ?" এইবুলি কৈ তেওঁ ঘৰৰ ভিতৰলৈ গৈ গৌৰীক মাতি আনিলে ।

গৌৰীয়ে দেউতাকৰ সকলো কথা শুনিলে আৰু দামোদৰক কলে, "মইও শুনিছো তুমি হেনো এজন খুব পাকৈত চোৰ। কিন্তু তুমি চুৰি কৰা মই নিজে দেখিব লাগিব। মোৰ যিকোনো বস্তু তুমি মোৰ পৰা চুৰি কৰিব লাগিব মই গম নোপোৱাকৈ । তেতিয়াহে মই তোমাৰ লগত বিয়া হম ।"

"এইটো মোৰ বাঁওহাতৰ খেল," এইবুলি কৈ দামোদৰ তাৰ পৰা গুচি গ'ল ।



দুদিন পাছত ওচৰৰে গাওঁ এখনৰ মেলালৈ গৌৰী গ'ল । দামোদৰে এই কথাটো গম পাই নিজৰ বেশ বদলাই তালৈ গ'ল । এটা টুকুৰীত বিভিন্ন পুতলা সজাই লৈ সেইবোৰ বেচাৰ নাটক কৰিলে । গৌৰীয়ে আপোনমনে মেলাৰ বিবিত্ৰতা চোৱাত ব্যস্ত । দামোদৰে খুব সাৱধানেৰে গৌৰীৰ পিছ ললে । গৌৰীয়ে সোণৰ হাৰ এডাল পিন্ধি মেলালৈ গৈছিল । সেই হাৰডাল চুৰি কৰি দামোদৰে প্ৰমাণ কৰিব বিচাৰিছিল যে সি কিমান পাকৈত চোৰ ।

যেতিয়া গৌৰীয়ে কিবা কিনিবলৈ তলমুৱা কৰিলে তেতিয়াই দামোদৰে বৰ নিপুনতাৰে সোণৰ হাৰডাল চুৰি কৰিলে । মানুহৰ বৰ ভীৰ আছিল, সেয়েহে কোনোৱে গমেই নাপালে ।

পিছদিনা তেওঁ সুৰনন্দনৰ ঘৰলৈ আহিল আৰু গৌৰীক মাতি আনি কলে, "তোমাৰ

সোণৰ হাৰডাল চুৰি হোৱা বাবে খুব দুখ লাগিছে নহয় । মেলাত তুমি গমেই নাপালা যে সেই হাৰডাল মইয়ে চুৰি কৰিছিলো । এতিয়াটো স্বীকাৰ কৰিছা মই কিমান পাকৈত চোৰ ।"

"গৌৰীয়ে হাঁহিমাৰি কলে, "মেলালৈ তুমি পুতলা বিক্ৰী কৰাৰ ভাও ধৰি গৈছিলা। তাত তুমি মোৰ সোণৰ হাৰডাল চুৰি কৰিছা। এই সকলোবোৰ কথাই মই গম পাইছিলো । তুমি সাধাৰণ বস্তু চোৰ কৰাৰো যোগ্য নহয় । তুমি যিডাল সোণৰ হাৰ মোৰপৰা চুৰি কৰিছা সেইডাল আচল সোণৰ নহয় ।"

গৌৰীৰ কথা শুনাৰ পাছত দামোদৰৰ হাতৰ পৰা হাৰডাল মাটিত পৰি গ'ল আৰু তেওঁ তাৰ পৰা গুচি গ'ল ।

দুই তিনিদিন ধৰি গৌৰীয়ে তেওঁ অহালৈ বাট চাই আছিল । পিছে তেওঁ নহা দেখি নিজেই দামোদৰৰ ঘৰলৈ গ'ল । দামোদৰে চকুমুদি বিচনাত শুই আছিল । গৌৰীয়ে জোৰেৰে তালি মাৰিলে আৰু কলে, "শুই আছানে ৰজাৰ খাজানা লুট কৰাৰ পৰিকল্পনা বনাইছা ?"

দামোদৰে উঠি বহিলে আৰু কলে, "ৰজাৰ খাজনা লুটিম মই ! তুমি নজনাকৈ তোমাৰ হাৰডালেই মই চোৰ কৰিব নোৱাৰিলো তেনেহলে ৰজাৰ খাজনা লুটিম কেনেকৈ ? মই এতিয়া মানি লৈছো যে ডাঙৰ ডাঙৰ চোৰ কৰাৰ বুদ্ধি মোৰ নাই । সৰুসুৰা চোৰ কৰিয়ে মই নিজকে খুব ডাঙৰ চোৰ বুলি ভাবিছিলো । সেইটো মোৰ ভুল ধাৰণা আছিল ।"

গৌৰীয়ে তেওঁৰ কথাত আনন্দিত হৈ কলে, "চোৰ বুদ্ধিমান হলেও, তেওঁ যিকোনো এদিন বিপদত পৰিব পাৰে ।"

"তেতিয়াহলে মই জীৱিকা হিচাবে কি কৰো ?" দামোদৰে কলে । গৌৰীয়ে হাঁহিমাৰি কলে, "ইয়াৰ পৰা দুমাইল দূৰত মোৰ মামা থাকে । তেওঁ এজন খেতিয়ক । খুব কষ্ট কৰে কিন্তু আৰামত থাকে । তুমি চোৰ কৰিব এৰি দিয়া আৰু আমিগৈ তাত থাকিম । কষ্ট কৰিম আৰু সুখেৰে থাকিম ।"

দামোদৰে কিছুসময় চিন্তা কৰি কলে, "তুমি ঠিকেই কৈছা । কিন্তু তোমাৰ দেউতাই জানো এইটো মানি লব ।"

"ইয়ালৈ অহাৰ আগতে মই দেউতাক সকলো কথা বুজাই কৈছো । বলা, আমি এতিয়া যাওঁ," গৌৰীয়ে কলে ।

ইয়াৰ পাছত দামোদৰে গৌৰীৰ লগত শহুৰেকৰ ঘৰলৈ গ'ল ।

বৰঙণি প্ৰপত্ৰ

১. মই চান্দমামাৰ গ্ৰাহক হব বিচাৰিছো :

☐ইংৰাজী	☐হিন্দী	☐মাৰাঠী	☐গুজৰাটী
☐বঙালী	☐উৰিয়া	☐অসমীয়া	☐তেলেগু
☐কানাড়া	☐তামিল	☐মালায়ালম	☐সংস্কৃত

২. মই গ্ৰাহক হব বিচাৰিছো ---

☐ভাৰতৰ ভিতৰতে (ভাৰ্নেকুলাৰ সংখ্যা) : বছৰেকীয়া বৰঙনি ১২০ টকা (১২ টা সংখ্যা)

☐ভৰতৰ ভিতৰতে (ইংৰাজী সংখ্যা) : বছৰেকীয়া বৰঙনি ১৮০ টকা (১২ টা সংখ্যা)

☐বিদেশৰ বৰঙনি : আই এন আৰ ৯০০, ইউ এচ $ ২০ এবছৰৰ বাবে (১২ টা সংখ্যা) (ভাৰ্নেকুলাৰ)

☐বিদেশৰ বৰঙনি : আই এন আৰ ১২০০, ইউ এচ $ ২৫ এবছৰৰ বাবে (১২ টা সংখ্যা) (ইংৰাজী)

৩. .... টকাৰ ডিমান্ড ড্ৰাফ্‌ট্ এখন গাঠি দিয়া হ'ল। ড্ৰাফ্‌ট্‌নং.............................
....,..............................ভঙাব পৰা। চান্দমামা ইণ্ডিয়া লিমিটেডৰ হকে চেন্নাইত ভঙাব পৰা ড্ৰাফ্‌ট্ হব লাগিব।

৪. চান্দমামা পঠোৱাৰ নাম আৰু ঠিকনা :

____

____

____

৫. তুমি তোমাৰ বৰঙনিৰ লগতে তোমাৰ যিকোনো বন্ধু/আত্মীয়ৰ নাম ঠিকনা চান্দমামা লৈ পঠাই তেওঁলোকক চান্দমামাৰে সৈতে পৰিচয় কৰাই দিব পাৰা।

তাৰিখ ....   চহী...............

প্ৰপত্ৰখন এই ঠিকনালৈ পঠাই দিবা : **Chandamama India Ltd.,**

82, Defence Officers Colony, Ekkatuthangal, Chennai-600 097
India. Tel/Fax : 044 - 234 73 99 / 234 73 84
e-mail :chandamama@vsnl.com
Website : http://www.chandamama.org

চান্দমামাৰ নিবেদন
14
অজেয় গৰুড়
চিত্ৰ : পাণি
চন্দ্ৰপুৰীত এইটো জনৰৱ উঠিল যে ৰজা মহেন্দ্ৰ বৰ্মাক অপহৰণ কৰিছে । নৰেন্দ্ৰদেৱে এক দৈৱবাণীৰ পৰা জানিব পাৰিলে যে, তান্ত্ৰিক নাগৰক্ষুই কব পাৰিব ৰজাক ক'ত লুকুৱাই ৰখা হৈছে । তেওঁ তান্ত্ৰিকজনক লগ ধৰিবলৈ গল, তাতে তেওঁক কোৱা হৈছিল যে সকলোৱে কাৰণে কিছুমান নিয়ম পালন কৰা আৱশ্যক ।

নৰেন্দ্ৰদেৱ ক্ষুব্ধ হ'ল ।
তোমাৰ অতিথিয়ে আমাৰ স্বামীজীৰ আদেশৰ পালন কৰিব লাগিব ।
মই যে সেনাপতি তেওঁলোকে নাজানে নেকি ? তেওঁলোকে আমাক কিবা বস্তুৰ কাৰণে কেনেকৈ আদেশ দিব পাৰে ?
নিশ্চয়, তেওঁ সকলো ব্যৱহাৰিক নিয়ম পালন কৰিব । তেওঁ স্বামীজীক প্ৰসন্ন কৰিব ।

নৰেন্দ্ৰদেৱ আৰু অন্যান্যসকলক শুনাই দৈৱবাণী ঘোষণা কৰিলে ।
আমাৰ স্বামীজী কেৱল কিছুদিনৰ মূৰতহে দেখা দিয়ে । তেওঁ ভক্তসকলৰ পূৰ্ণ সমৰ্পণ আৰু পৰম প্ৰভুৰ ৰূপত তেওঁৰ স্বীকৃতি বিচাৰে ।

আজি মানৱতাৰ কল্যাণৰ কাৰণে শুভ মুহূৰ্ত্তত দুই প্ৰভুৰ মিলন হ'ব । এইটো এটা মহান দিন ।
দেৱবাণীয়ে নৰেন্দ্ৰদেৱৰ অহংকাৰ উৰাই দিবলৈ চেষ্টা কৰিলে ।
মই আপোনাৰ এক মহান ভৱিষ্যত দেখিছো, প্ৰভু ! ৰাজৰ্ষি নাগবন্ধুৰ পূৰ্ণ সমৰ্থনত তুমি ৰজা হ'ব পাৰিবা, আনকি সম্ৰাটো হ'ব পাৰা !
মই সকলো আদেশ পালন কৰিম । কোৱা, এতিয়া মই কি কৰিম ?
আমাৰ স্বামীৰ আগমনলৈ প্ৰতীক্ষা কৰা । এনে দৃশ্য তুমি ক'তো দেখা নাপাবা । তেওঁৰ আদেশলৈ প্ৰতীক্ষা কৰা ।
অতি শীঘ্ৰ সকলো ঠাই ধোঁৱাৰে ভৰি গ'ল । এক বিস্ময়কৰ আকৃতি মন্দিৰৰ ওচৰলৈ আহিল । তেওঁৰ মূৰত দুটা শক্তিশালী বত্ন সাপৰ চকুৰ দৰে জিলিকি আছে । তেওঁৰ পিঠিত দেখিবলৈ সাপৰ ছালৰ নিচিনা এখন দীঘল বস্ত্ৰ আছে ।

কঁকালত এখন ধুতিৰ বাহিৰে শৰীৰৰ ওপৰৰ অংশত কোনো কাপোৰ নাই। তেওঁৰ গাৰ পৰা বনৌষধি লেপনৰ কাৰণে তীব্ৰ গন্ধ আহিছে। তেওঁৰ গলত মালাৰ দৰেকৈ দুডাল সাপ আছে। তান্ত্ৰিকে যেতিয়া নৰেন্দ্ৰদেৱৰ সন্মুখেৰে পাৰ হৈ গৈছিল তেওঁ অলপ বৈ ভয়ানক ৰূপে হাঁহিলে।
তোমাৰ শত্ৰু কেইবছৰমান ধৰি মোৰো শত্ৰু হৈছে। আমাৰ অনুষ্ঠানত ভাগ লবলৈ তোমাক স্বাগতম জনালো।
মন্দিৰৰ ফালে যোৱাৰ আগতে তান্ত্ৰিকে শিষ্য এজনক মাতিলে।
আজি তেওঁ আমাৰ অতিথি। কি কৰিব লাগে তেওঁক কোৱা।
ভাল বাৰু, ঋষি মহাশয়!
আমাৰ স্বামীজীয়ে কৈছে যে তোমালোকে অন্য মানুহবোৰৰ নিচিনাকৈ বস্ত্ৰ ধাৰণ কৰিব লাগে আৰু নিজকে প্ৰস্তুত .....।

...কোনো সংকোচ নোহোৱাকৈ যদি তুমি মিজৰ লক্ষ্য পূৰণ কৰিব বিচৰা ।
ঠিক আছে, মই পোচাক পৰিবৰ্তন কৰি এতিয়াই আহিছো ।
যেতিয়া তেওঁ ঘূৰি আহিল তেতিয়া তেওঁ সম্মোহিত হোৱা যেন হ'ল । তেওঁ তান্ত্ৰিকৰ সম্মুখত সাষ্টাঙ্গে দণ্ডৱত দিলে।
উঠা, মোৰ বন্ধু ! আহা, মোৰ কাষত বহা আৰু ভক্তিভাৱে অনুষ্ঠান চোৱা ।
ক্ৰমশঃ

বাকাত প্ৰকাশ কৰা

ফটো নামকৰণ প্ৰতিযোগিতা





কেইটিমান শব্দেৰে এই ফটো দুখন নামকৰণ কৰিব পাৰিবানে?

সম্পূৰ্ণ নাম ঠিকনাসহ সাধাৰণ পোষ্ট কাৰ্ডত উত্তৰ লিখি পঠাবা।

ফটো নামকৰণ প্ৰতিযোগিতা, চান্দমামা,

৮২, ডিফেন্স অফিচাৰ্চ কলোনী, একাডুথাঙ্গাল, চেন্নাই - ৬০০ ০৯৭.

এই মাহৰ ২০ তাৰিখৰ ভিতৰত উত্তৰ পাব লাগিব। বিজয়ী প্ৰতিযোগিক ১০০ টকা পুৰস্কাৰ দিয়া হব। পুৰস্কাৰ পাওতা জনৰ নাম অহা সংখ্যাত প্ৰকাশ কৰা হব!

অভিনন্দন

এপ্ৰিল সংখ্যাৰ পুৰস্কাৰ বিজয়ী

মুকুন্দ মাধৱ বৰা

মাৰফৎ - বাবুল চন্দ্ৰ বৰা

কলিয়াবৰ, নগাওঁ (অসম)

বিজয়ী বাক্য

ফুল বেচিবলৈ যাওঁ।

ফলৰ ৰস উলিয়াওঁ।

সাধাৰণ ডাকযোগে ভাৰতত ১২০.০০ টকা

বছৰেকীয়া বৰঙণি

Payment in favour of CHANDAMAMA INDIA LIMITED

No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, No. 82, Defence Officers Colony, Ekkatuthangal, Chennai - 600 097. Editor : Viswam

PERFETTI
Van Melle

আচলটোয়ে কৰিব লাখটকীয়া!

নকলটোৱে পিন্ধাব হাতকেৰেয়া।



এই ব্যৱসায়ৰ সদস্যসকলক ইয়াৰ দ্বাৰা সাৱধান কৰি দিয়া হৈছে যে Alpenliebe ব্ৰেণ্ডৰ দৰে দেখিবলৈ নকল ব্ৰেণ্ড বনোৱা, মজুত কৰা বা বেচাটো আইনতঃ অপৰাধ।

জিকক 51 লাখ টকাৰ পুৰস্কাৰ!

প্ৰথম পুৰস্কাৰ: 1 লাখ টকাৰ এটা নগদ পুৰস্কাৰ

দ্বিতীয় পুৰস্কাৰ: 10,000 টাইটান ডাস ঘড়ী

তৃতীয় পুৰস্কাৰ: 1,00,000 পাৰফেটী গিফ্‌ট হেম্পাৰ

তলত দিয়া বাক্যটো পূৰা কৰক।

Alpenliebe 'Rich................ Caramel Candy'

Send your entries to **'Alpenliebe, GPO, New Delhi - 110001'.**

Name : .... Address : ....

Alpenliebe ৰ 10 টা ৰেপাৰ ইয়াত লগাওক।

Last date for receipt of entries is 15/07/02. Winners to be selected by a Lucky Draw to be held on 31/07/02. Winners will be individually informed by post.

TERMS & CONDITIONS: Entries should only be in English sent by ordinary post addressed to **Alpenliebe, GPO, New Delhi - 110001.** Photocopies of this form can also be used. For an entry to be valid consumers must attach 10 Alpenliebe Mono wrappers and write their name and address clearly in English along with the entry. Offer closes 15th July 2002. Perfetti India Pvt. Ltd. shall not be responsible for any postal delays or lost entries. Cash Prize shall be disbursed through Cheque in favour of the Winner. Any tax liability arising out of the prizes shall be borne by the Winner. The Winners of Titan Dash Watch(es) and Perfetti Gift Hampers shall receive their Prize through registered post. The First Prize Winner shall be contacted individually for the prize and will need to establish his/her identity. Prize Winners shall be selected through draw of lots from amongst the correct entries received during the offer, in the presence of two Independent Judges, to be held on 31st July 2002. Offer not open to the employees of Perfetti India Pvt. Ltd., McCann-Erickson India Ltd. and their immediate relatives. Decision of Perfetti India Pvt. Ltd. shall be final and binding. No correspondence shall be entertained in this regard. Disputes, if any, subject to jurisdiction of New Delhi Courts. Offer not valid in the State of Tamil Nadu.

CHANDAMAMA (Assamese) JUNE 2002 Registrar of Newspaper for India No. 30278/76
Registered No. TN/CPMG-870/2002